

দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com



VOL XXIII, No. 190 ত্ৰিবিংশ বছৰ, সংখ্যা- ১৯০, ৯ জুন, মঙলবাৰ, ২০২৬, ২৫ জেঠ, ১৯৪৫ শক, BATORI KAKOT, Tuesday, 9 June, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা


**৬ লাখকৈ লৈ ২১৭ জনক দিছিল নিযুক্তি ঃ মীন উন্নয়ন নিগমৰ অধ্যক্ষ হৈ থকাৰ সময়ত অবৈধ নিযুক্তি**

# বিজেপি বিধায়ক ৰমাকান্তৰ বিপদ ঘণ্টা



## মৰিগাঁৱৰ জনপ্ৰতিনিধিৰ ঘৰত চি আই ডিৰ অভিযান ঃ হাজিৰ হ'বলৈ চমন জাৰি ঃ ১০০ কোটি টকাৰ কেলেংকাৰীত জড়িতৰ অভিযোগ দাখিল অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ জুন ঃ** অনুসূচিত জাতিৰ লোকসকলৰ বাবে অসম চৰকাৰে মীন বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা আঁচনিত সংঘটিত হৈছে প্ৰায় ১০০ কোটি টকীয়া কেলেংকাৰী। এই কেলেংকাৰী তদন্তক লৈ অনুসূচীত জাতি সংগ্ৰামী যুৱ পৰিষদে সন্তুষ্টি প্ৰকাশ কৰিছে। ইতিমধ্যে কেইবাগৰাকী বিষয়াক গ্ৰেপ্তাৰ কৰা হৈছে যদিও মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা বিধায়ক ৰমাকান্ত দেউৰী আৰু অনুসূচীত জাতিৰ এজন নেতাক গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰিছে অনুসূচীত জাতি সংগ্ৰামী যুৱ পৰিষদে। এক বিবৃতিযোগে এই যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে কয় যে মীন বিভাগ তথা মীন উন্নয়ন নিগমত সংঘটিত দুৰ্নীতি, চাকৰি কেলেংকাৰীত কেৱল এইকেইজন বিষয়াই জড়িত নাছিল। বহু ৰৌ-বৰালিয়ে একলগ হৈ এই বিয়াগোম কেলেংকাৰী সংঘটিত কৰিছিল। মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী, অনুসূচীত জাতিৰ সংগঠনৰ এজন পাবত গজা নেতা আৰু মীন সঞ্চালকালয়ৰ বহু বিষয়া-কৰ্মচাৰী এই কেলেংকাৰীত জড়িত। অসমৰ কৈৱৰ্ত সমাজ ■ এঘাৰ পৃষ্ঠাত

**মুখ্যমন্ত্ৰীয়ে নিজৰ লগত ৰাখিলে লোকনিৰ্মাণ, গৃহ, কৰ্মচাৰী, শক্তি, তথ্য-জনসংযোগ বিভাগ**

# ১২ নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ



## জয়ন্তমল্লক বিত্ত, বন-পৰিৱেশ, খনি আৰু খনিজাত দ্ৰব্য ঃ পীযুষ হাজৰিকাক কৃষি, জলসিঞ্চন-সংসদীয় পৰিক্ৰমা বিভাগৰ দায়িত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ জুন ঃ** দপ্তৰ ঘোষণা কৰা হ'ল ১২গৰাকী নতুন মন্ত্ৰীৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এক পোষ্ট কৰি ঘোষণা কৰে মন্ত্ৰীসকলৰ দপ্তৰসমূহ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দপ্তৰসমূহ ক্ৰমে— গৃহ আৰু ৰাজনীতি, লোকনিৰ্মাণ (বিল্ডিং আৰু ৰাষ্ট্ৰীয় ঘাইপথ), লোকনিৰ্মাণ (পথ), শক্তি, তথ্য আৰু জনসংযোগ আৰু বাকী মন্ত্ৰীসকলক নিদিয়া বিভাগসমূহ। মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ দপ্তৰসমূহ ক্ৰমে- সামাজিক ন্যায় ■ এঘাৰ পৃষ্ঠাত

বিশ্বনাথত চিলনী চোৰ

## বৃদ্ধাৰ ডিঙিৰ পৰা কাঢ়িলে সোণৰ চেইন

**বাতৰি কাকত, বিশ্বনাথ, ৮ জুন ঃ** বিশ্বনাথ চাৰিআলিত চিলনী চোৰৰ সন্ত্ৰাস দেখিবলৈ পোৱা গৈছে। শেহতীয়াকৈ দিনৰ পোহৰতে এগৰাকী ৮৫ বছৰীয়া বৃদ্ধাৰ ডিঙিৰ পৰা সোণৰ চেইন কাঢ়ি নিলে দুৰ্বৃত্তই। এই সমগ্ৰ ঘটনা চি চি টিভিত বন্দী হৈছে। প্ৰাপ্ত তথ্য মতে, আজি পুৱাৰ ভাগত সুমিত্ৰা বৰা নামৰ ৮৫ বছৰীয়া বৃদ্ধা গৰাকীয়ে নিজৰ ঘৰৰ সন্মুখত খোজ কাঢ়ি থকা অৱস্থাত এখন বগা ৰঙৰ মটৰচাইকেলত দুজন যুৱক উপস্থিত হয়। তেওঁলোকে বৃদ্ধা গৰাকীৰ ডিঙিৰ পৰা বলপূৰ্বকভাৱে ■ এঘাৰ পৃষ্ঠাত

## চাৰিদুৱাৰত বিদ্যালয় ভাঙি তহিলং বন্যহস্তীৰ



**বাতৰি কাকত, তেজপুৰ, ৮ জুন ঃ** শোণিতপুৰৰ অসম-অৰুণাচল সীমান্তৱৰ্তী চাৰিদুৱাৰৰ বিভিন্ন অঞ্চলত বন্যহস্তী আৰু মানৱৰ সংঘাত দিনকদিনে বৃদ্ধি পাবলৈ ধৰিছে। খাদ্যৰ সন্ধানত বনাঞ্চল এৰি জনাঞ্চলত প্ৰৱেশ কৰা জাক জাক বন্যহস্তীয়ে অঞ্চলবাসী ৰাইজৰ নিদ্ৰাহৰণ কৰি অহাটো এক নিত্য-নৈমিত্তিক কাৰ্যত পৰিণত হৈছে। অঞ্চলটোৰ বিভিন্ন স্থানত বন্যহস্তীৰ তাণ্ডৱ চলি অহাৰ ■ এঘাৰ পৃষ্ঠাত

## তেজপুৰৰ দোলাবাৰী বজাৰত প্ৰশাসনৰ উচ্ছেদ অভিযান

**বাতৰি কাকত, তেজপুৰ, ৮ জুন ঃ** তেজপুৰৰ দোলাবাৰী বজাৰত জিলা প্ৰশাসনে চলালে বৃহৎ উচ্ছেদ অভিযান। 'অসম মালা' আঁচনিৰ পথ সম্প্ৰসাৰণৰ কাম ক্ষিপ্ৰতৰ কৰাৰ লক্ষ্যৰে প্ৰশাসনৰ বুলডক্সজাৰ আৰু জেচিবি নামি পৰে দোলাবাৰী বজাৰত। প্ৰশাসনৰ উচ্ছেদকাৰী দলে মহতিয়াই লৈ যায় পথৰ কাষত অবৈধভাৱে গঢ়ি উঠা সমগ্ৰ বজাৰ গৃহ। প্ৰাপ্ত তথ্য অনুসৰি, 'অসম মালা' প্ৰকল্পৰ অধীনত তেজপুৰৰ দোলাবাৰী চাৰিআলিৰ পৰা ঐতিহাসিক লাচিত চকলৈকে থকা পথচোৱা বহল কৰাৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত যোৱা জানুৱাৰী মাহত প্ৰশাসনে পথৰ দাঁতিত থকা এই অবৈধ বজাৰখনত প্ৰথমবাৰৰ বাবে উচ্ছেদ অভিযান চলাইছিল। জানুৱাৰী মাহৰ উচ্ছেদৰ পাছতো বজাৰখনৰ মহলদাৰ তথা ভোমাৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হুছেইনে চৰকাৰী নিয়ম আৰু প্ৰশাসনৰ নিৰ্দেশনাক সম্পূৰ্ণ ■ এঘাৰ পৃষ্ঠাত

**অমৃতপ্ৰভা-সন্দীপন-নন্দেশ্বৰ-পৰেশৰ জামিন নাকচ**

## আজিৰে পৰা আৰম্ভ হৈছে জুবিন গাৰ্গ হত্যাৰ গোচৰৰ বিচাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ জুন ঃ** বহুচৰ্চিত জুবিন গাৰ্গ হত্যা গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্ত, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন নাকচ কৰিছে আদালতে। আদালতৰ এই সিদ্ধান্তৰ ফলত চাৰিওজন অভিযুক্ত বৰ্তমানো ন্যায়িক জিম্মাত থাকিব লাগিব। জানিব পৰা মতে, গোচৰটোৰ গুৰুত্ব আৰু তদন্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আদালতে এই পৰ্যায়ত জামিন প্ৰদান নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। শুনানিৰ সময়ত তদন্তকাৰী সংস্থাই জামিনৰ বিৰোধিতা কৰি বিভিন্ন যুক্তি দাঙি ধৰে। ইফালে, আদালতৰ এই ৰায়ে গোচৰটোক লৈ পুনৰ ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। অভিযুক্ত পক্ষই পৰৱৰ্তী সময়ত উচ্চ আদালতৰ ■ এঘাৰ পৃষ্ঠাত



গুৱাহাটীৰ মাজমজিয়াত দুৰ্ভাগ্যজনক ঘটনা

## অসমৰ মাটিতে অসমীয়াক চৰম অপমান

### বীৰ লাচিত সেনাৰ সকীয়নি- সীমা চেৰাই নাযাব



**ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ জুন ঃ** গুৱাহাটী মহানগৰীৰ মাজমজিয়াত শেহতীয়াকৈ সংঘটিত হোৱা এক অপ্ৰীতিকৰ ঘটনাই সমগ্ৰ অসমতে তীব্ৰ চাঞ্চল্য আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ■ এঘাৰ পৃষ্ঠাত

**জামুগুৰিহাটত দুখজনক ঘটনা**

## গাঁওবুঢ়াৰ মানসিক নিৰ্যাতন সহিব নোৱাৰি দুই সন্তানৰ মাতৃৰ আত্মহনন

**বাতৰি কাকত, জামুগুৰিহাট, ৮ জুন ঃ** জামুগুৰিহাটৰ পাচিগাঁৱত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। পাচিগাঁৱৰ এগৰাকী ৩৫ বছৰীয়া বিবাহিতা মহিলাৰ আত্মহননক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোতে তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। উল্লেখ্য যে, স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, এই আত্মহননৰ ঘটনাৰ সৈতে ডেকাচুক গাঁৱৰ গাওঁবুঢ়া পৱন নাথ আৰু পানপুৰৰ পাপু দাস নামৰ এজন যুৱক জড়িত হৈ আছে। জানিব পৰা মতে, এক ঘৰুৱা বিবাদ মীমাংসা কৰাৰ চলেৰে ডেকাচুক গাঁৱৰ গাওঁবুঢ়া পৱন নাথে পাচিগাঁৱৰ ৰুমী শইকীয়া নামৰ ৩৫ বছৰীয়া বিবাহিতা মহিলাগৰাকীক তেওঁৰ বাসগৃহলৈ মাতি নি নানান মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। লগতে গাওঁবুঢ়া পৱন নাথ আৰু পাপু দাসৰ এই অপমান তথা মানসিক নিৰ্যাতন সহ্য কৰিব নোৱাৰি দুই সন্তানৰ মাতৃ ৰুমী শইকীয়াই অৱশেষত চৰম সিদ্ধান্ত বাচি লয় আৰু সেই নিশাই নিজ ■ এঘাৰ পৃষ্ঠাত

**ভাৰতৰ শক্তি সুৰক্ষাৰ দিশত পদক্ষেপ**

## কেইৰ্ণ-বেদান্ত অইলৰ গেছৰ দ্বাৰা দেশীয় গেছ যোগান বৃদ্ধি



**ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ জুন ঃ** বিশ্বজুৰি বৃদ্ধি পোৱা অনিশ্চয়তা আৰু ভূ-ৰাজনৈতিক পৰিস্থিতিৰ প্ৰভাৱত শক্তি সুৰক্ষা বৰ্তমানৰ ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ কেন্দ্ৰবিন্দু হৈ উঠাৰ সময়তে কেইৰ্ণ, বেদান্ত অইল এণ্ড গেছে অসমৰ উত্তৰ-পূৰ্বাঞ্চলস্থিত হাজাৰিগাঁও তেল ক্ষেত্ৰৰ জৰিয়তে ■ এঘাৰ পৃষ্ঠাত

## ভৱপ্ৰসাদ দেউৰীলৈ 'ভাৰতীয় সাহিত্য বঁটা'



**বাতৰি কাকত, হাওৰাঘাট, ৮ জুন ঃ** পাহাৰীয়া জিলা কাৰ্বি আংলং তথা সমগ্ৰ অসমৰ সাহিত্য জগতৰ বাবে অত্যন্ত গৌৰৱৰ খবৰ। কাৰ্বি আংলং জিলাৰ ডিফু নিৱাসী বিশিষ্ট সাহিত্যিক, প্ৰবন্ধকাৰ তথা কবি ভৱপ্ৰসাদ দেউৰী লৈ আগবঢ়োৱা হৈছে সন্মানীয় 'ভাৰতীয় সাহিত্য বঁটা ২০২৬'। ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃতপ্ৰাপ্ত আৰু অনুমোদিত বাংগালোৰুস্থিত দেশৰ অন্যতম সৰ্বভাৰতীয় সামাজিক প্ৰতিষ্ঠান 'ইণ্ডিয়ান লিটাৰেচাৰ এণ্ড আৰ্ট ছ'চাইটি'এ যোৱা ২ জুনত প্ৰেৰণ কৰা ■ এঘাৰ পৃষ্ঠাত

**পশ্চিম এছিয়াত সংঘাত ঃ ইৰাণ-ইজৰাইলৰ ক্ষেপণাস্ত্ৰ আক্ৰমণ**

## ইৰাণৰ পৰা আহিবলৈ ভাৰতীয়ক পৰামৰ্শ দূতাবাসৰ

**টেহৰাণ, ৮ জুন ঃ** ইৰাণ আৰু ইজৰাইলৰ সংঘাত পুনৰ আৰম্ভ হোৱাৰ লগে লগে ভাৰত চৰকাৰে জৰুৰী বিবৃতি প্ৰকাশ কৰিছে। ইৰাণত থকা সকলো ভাৰতীয় নাগৰিকক অনতিপলমে দেশ এৰি যাবলৈ কোৱা হৈছে। ইয়াৰ লগতে চৰকাৰে ইৰাণলৈ যোৱাৰ পৰিকল্পনা কৰাসকলকো বাতিল কৰিবলৈ অনুৰোধ জনাইছে। নতুন দিল্লীয়ে পশ্চিম এছিয়াৰ পৰিস্থিতিৰ ওপৰত চকু ৰাখিছে। দেওবাৰৰ পৰা ইৰাণ- ■ এঘাৰ পৃষ্ঠাত



## বিপুল গগৈক এ পি চি চিৰ সাধাৰণ সম্পাদক (প্ৰশাসন)ৰ দায়িত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৮ জুন ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰশাসনিক সাধাৰণ সম্পাদকৰ দায়িত্ব লাভ কৰিছে বিপুল গগৈয়ে। পূৰ্বতে গগৈয়ে সাধাৰণ সম্পাদক হিচাপে সাংগঠনিক কাম-কাজৰ দায়িত্বত আছিল। বিধানসভাৰ নিৰ্বাচনত অংশগ্ৰহণ কৰা বাবে গগৈক সেই দায়িত্বৰ পৰা অব্যাহতি দি সাধাৰণ ■ এঘাৰ পৃষ্ঠাত

**৪ শতাধিক হেণ্ডিমেনৰ প্ৰতিবাদত উত্তাল পৰিৱেশ**

## শিৱসাগৰত ই-ৰিক্সা চালকৰ বিৰুদ্ধে টেম্পু চালকৰ পথ অৱৰোধ

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৮ জুন ঃ** শিৱসাগৰ নগৰত টেম্পু আৰু ই-ৰিক্সা চলাচলকৈ দুয়োটা পক্ষৰ চালকসকলৰ মাজত সংঘাত ক্ৰমান্বয়ে তীব্ৰতৰ হৈছে। এই সংঘাতে আজি চূড়ান্ত ৰূপ ধাৰণ কৰে। আজি শিৱসাগৰ নগৰৰ সমীপৰ এ টি ৰোডৰ ন- আলিত ই- ৰিক্সা চালকৰ বিৰুদ্ধে টেম্পু চালকে পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে।নীতি বৰ্হিভূত ভাৱে পৌৰ এলেকাৰ বাহিৰত ই-ৰিক্সা চলাচল কৰাক লৈ দিখৌ দলঙৰ সমীপৰ ন- আলিত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। চাৰি ■ এঘাৰ পৃষ্ঠাত

## তামাৰহাটৰ সন্ধানহীন হৈ থকা যুৱকৰ মৃতদেহ উদ্ধাৰ

**বাতৰি কাকত তামাৰহাট, ৮ জুন ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত মেছপাৰা গাঁৱৰ সুবল ৰায় ওৰফে কাচু ৰায়ৰ মৃতদেহ আজি ওচৰতে থকা ডিংডিংগা বিলৰ পৰা উদ্ধাৰ কৰা হয়। যোৱা কালিৰ পৰা নিৰুদ্দেশ হৈ আছিল সুবল ৰায় । উল্লেখ্য যে তামাৰহাট থানাৰ অন্তৰ্গত মেছপাৰা গাঁৱৰ বাসিন্দা তথা এগৰাকী ভাল কৃষক ব্যক্তি আছিল সুবল ৰায়। আৰু কালিৰ পৰা নিৰুদ্দেশহৈ আছিল সুবল ৰায়ে। জানিব পৰা মতে সুবল ৰায় কালি পুৱাৰ ভাগত নিজ ঘৰৰ পৰা ■ এঘাৰ পৃষ্ঠাত

**তামুলপুৰত অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লৰ পৰ্যালোচনা বৈঠক**

## জনসাধাৰণ হাৰাশাস্তিৰ সন্মুখীন হ'লেই বিষয়াই পাব শাস্তি

**বাতৰি কাকত, তামুলপুৰ, ৮ জুন ঃ** তামুলপুৰ জিলাৰ সামগ্ৰিক উন্নয়নমূলক কাৰ্যসূচী, চৰকাৰী আঁচনি ৰূপায়ণৰ অগ্ৰগতি আৰু জনকল্যাণমূলক পদক্ষেপসমূহৰ বুজ লোৱাৰ উদ্দেশ্যে আজি তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বিভাগীয় পৰ্যালোচনা বৈঠকত ভাগ লয়। নতুন চৰকাৰত মন্ত্ৰিত্ব লাভ ■ এঘাৰ পৃষ্ঠাত



## প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ ১০ সহস্ৰাধিক লিচু পঠিয়ালে তেজপুৰৰ খেতিয়কে

**তেজপুৰৰ পৰা তৰুণ বৰা, ৮ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ ১০ হেজাৰ তিনিশ লিচু প্ৰেৰণ কৰিবলৈ আজি পুৱাৰ পৰা ব্যস্ত হৈ পৰে তেজপুৰৰ একাংশ লিচু খেতিয়ক। উল্লেখ্য যে আজি পুৱা তেজপুৰৰ প্ৰয়াত সপোন নেওগৰ বাগিচাৰ লিচুক লৈ তেওঁৰ পুত্ৰ কৌশিক নেওগ, বেছেৰীয়াৰ আদৰ্শ লিচু খেতিয়ক শৰৎ চন্দ্ৰ শইকীয়া ,লিচু খেতিয়ক আব্দুল জলিল আৰু আব্দুল খালেক ব্যস্ত হৈ পৰে নিজৰ নিজৰ বাগিচাৰ লিচু প্ৰধানমন্ত্ৰী কাৰ্যালয়লৈ প্ৰেৰণ কৰিবলৈ । বোম্বাইয়া, শ্বাহী, ইলাচি, বিলাতী আৰু পিয়াঁজী জাতৰ ১০ হেজাৰ তিনিশ লিচু পেকেটিং কৰি আজিয়েই প্ৰেৰণ কৰা হয় দেশৰ প্ৰধানমন্ত্ৰীৰ ■ এঘাৰ পৃষ্ঠাত




# জ্যোতি চিত্ৰবনত নিউজ দৰ্পণ কনক্লেভ ২০২৬

## ১৬ গৰাকী বিশিষ্টলৈ কৰ্মপ্ৰাণ বঁটা

**গুৱাহাটী, ৮ জুন ঃ** নিউজ দৰ্পণ কনক্লেভ ২০২৬ মহানগৰীৰ জ্যোতি চিত্ৰবন প্ৰেক্ষাগৃহত কালি বিয়লি অনুষ্ঠিত হৈ যায়। এই উপলক্ষে সমাজৰ বিভিন্ন ক্ষেত্ৰত বিশিষ্ট ব্যক্তিক এই অনুষ্ঠানত নিউজ দৰ্পণ কৰ্মপ্ৰাণ বঁটা প্ৰদান কৰা হয়। লেখক, সাংবাদিক, সমাজকৰ্মী তথা নিউজ দৰ্পণৰ মুখ্য সম্পাদক আজিজুৰ ৰহমান শইকীয়াই সভাপতিত্ব কৰা অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰমেন বৰাই। অনুষ্ঠানত শিক্ষা জগৎ, সমাজসেৱা, সাহিত্য, সাংবাদসেৱা আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱাৰ বাবে মুঠ যোল্ল গৰাকী ব্যক্তিক নিউজ দৰ্পণ কৰ্মপ্ৰাণ বঁটা প্ৰদান কৰা হয়। ২০২৬ বৰ্ষৰ কৰ্মপ্ৰাণ বঁটা প্ৰাপক সকল হ'ল বছন ৰংফাৰ, মধুৰাম লেকথে, ৰাজু বৰুৱা, ভাস্কৰ জীৱন বৰুৱা, ৰিচাৰ্ড টকবি, সুৰত জামান, নেহা ভূঞা, এছ কে চক্ৰৱৰ্তী, অনুষ্কা ৰয়, বিটুল কুমাৰ দত্ত, যোগেন পাটোৱাৰী, শ্যামল ৰক্ষিত, ভৱেন বৰুৱা, সঞ্জীয় কুমাৰ চৌহান, নিজৰা বৰুৱা, কিৰণ দাস। এই অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে বিশিষ্ট শব্দযন্ত্ৰী, সমাজসেৱী দীপক দত্ত, তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈ, বিশিষ্ট সমাজকৰ্মী সঞ্জীৱ বৰা আৰু বিশিষ্ট লেখক লীলাকান্ত পায়েং। সংগীতানুষ্ঠান পৰিৱেশন কৰে নেহা ভূঞা আৰু অনুষ্কা ৰয়ে। নিউজ দৰ্পণৰ সম্পাদক ৰমেন বৰাই সামগ্ৰিক ভাৱে পৰিচালনা কৰা অনুষ্ঠানটিৰ আঁত ধৰে নৱ বিকাশ শৰ্মা আৰু ভাস্বতী কলিতাই।অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# শিৱসাগৰৰ সেউজীয়া সমাজ সংগীত মহাবিদ্যালয়ৰ উদ্যোগত গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ মৃত্যু তিথি উদ্‌যাপন

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৮ জুন ঃ** শিৱসাগৰৰ এটি আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান সেউজীয়া সমাজ সংগীত মহাবিদ্যালয়ৰ উদ্যোগত গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ মৃত্যু তিথি উদযাপন কৰে। অনুস্থানৰ আৰম্ভণিতে পাৰ্বতী প্ৰসাদ বৰুৱাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে মহাবিদ্যালয়খনৰ উপ-সভাপতি সঞ্জীব বৰাৰ লগতে শিক্ষক শিক্ষয়িত্ৰী আৰু অভিভাৱক সকলে । কাৰ্যসূচীটো পৰিচালনা কৰে উদ্যোক্তা শ্যামল দেয়ে। কাৰ্যসূচী অনুসৰি অনুষ্ঠানটোৰ অন্যতম উদ্যোক্তা সঞ্জীৱ বৰাই পাৰ্বতী প্ৰসাদ বৰুৱাৰ জীৱন কাহিনীৰ ওপৰত শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। আদৰণি ভাষণ প্ৰদান কৰে, অনুষ্ঠানটোৰ সভাপতি সৌৰভ কুমাৰ চলিহাই। ইয়াৰ পিছতেই এটি সমুহীয়া গীত পৰিৱেশন কৰে সেউজীয়া সমাজ সংগীত মহাবিদ্যালয়ৰ অভিভাৱকসকলে। ক্ৰমান্বয়ে কাযক্ৰমণিকা অনুসৰি মহাবিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰীসকলে আধুনিক নৃত্য, গীত আদি পৰিৱেশন কৰি অনুষ্ঠানত উপস্থিত সকলোকে আপ্লুত কৰে। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী মীনা শইকীয়া, মৌচুমী ভাগৱতী, চন্দলেখা ৰাজখোৱা ইত্যাদিয়ে ১৯৪৫ চনৰ পৰা সুদীৰ্ঘ দিন অনুষ্ঠানটোৰ গুৰি ধৰোঁতাসকলৰ ভিতৰত অন্যতম ব্যক্তি সেউজ কোঁৱৰ পৰাগধৰ চলিহাৰ অৱদানৰ ওপৰত বক্তব্য প্ৰদান কৰে। মহান অনুষ্ঠানটোত উপস্থিত থকা কেইবাগৰাকীও শুভাকাংক্ষী ক্ৰমে-সুৰুজ পাতিৰি,ফৰিদ আখতাৰ, উৎপল মজুমদাৰ, ৰিষিকেশ গগৈ, ধৰ্ম দত্ত, অনন্যা মধুভাসিনী, মঞ্জুলা বৰা ইত্যাদিয়ে সুমধুৰ গীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীসকলে নিজ নিজ প্ৰতিভা প্ৰতিফলিত কৰি অনুষ্ঠানৰ সামৰণি মাৰে।

# বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা উন্নয়ন সমিতিৰ সভা

## বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাস-বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ৰ অংশগ্ৰহণ




**প্ৰাঞ্জল দাস, পাঠশালা, ৮ জুনঃ** বজালী জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সোমবাৰে জিলা উন্নয়ন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰা হয়। বৈঠকত বজালী জিলাৰ সামগ্ৰিক বিকাশ তথা প্ৰগতিৰ খতিয়ান, আন্তঃগাঁথনিৰ উন্নয়ন আৰু চৰকাৰী আঁচনিসমূহৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত বিশদ পৰ্যালোচনা কৰাৰ লগতে অনাগত সময়ত গ্ৰহণ কৰিবলগীয়া জনকল্যাণমূলক পদক্ষেপসমূহৰ বিষয়ে বৃহৎ ভাৱে আলোচনা কৰা হয়। সকলোৱে দৃঢ়তাৰে বিশ্বাসী যে সকলোৰে আশাশুধীয়া প্ৰচেষ্টা তথা গ্ৰহণ কৰা আঁচনি সমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ জৰিয়তে জিলাখনে উন্নয়ন আৰু প্ৰগতিৰ পথত নতুন গতি লাভ কৰিব পাৰিব। আজিৰ এই সভাখনত অসম বিধান সভাৰ অধ্যক্ষ তথা ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস,বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়,জিলা আয়ুক্ত পাৰ্থপ্ৰতিম মজুমদাৰ প্ৰমুখ্যে বিভিন্ন বিভাগীয় বিষয়া- কৰ্মচাৰীবৰ্গ উপস্থিত থাকে।

# মৰিগাঁও-কাৰ্বি আংলঙত জনজাতীয় মহিলাসকলৰ মাজত মাহেকীয়া স্বাস্থ্য সজাগতা চেনিটাৰী পেড বিতৰণ

**মৰিগাঁও, ৮ জুন ঃ** মহিলাসকলৰ স্বাস্থ্য,পৰিচ্ছন্নতা আৰু সামগ্ৰিক কল্যাণ উন্নয়নৰ লক্ষ্যৰে কেৰিয়াৰ ফৰ্‌মে ইউনিচাৰ্ম ইণ্ডিয়া আৰু ছফী ক্লাবৰ চি.এচ. আৰৰ উদ্যোগৰ সহযোগত মৰিগাঁও আৰু কাৰ্বি আংলং জিলাত মাহেকীয়া স্বাস্থ্য সজাগতা আৰু চেনিটাৰী পেড বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। এই অনুষ্ঠানত কেৰিয়াৰ ফৰ্‌মৰ সম্পাদক তথা সমাজসেৱক মিথিলেশ কুমাৰ সিং উপস্থিত থাকি মাহেকীয়া স্বাস্থ্য মহিলাসকলৰ সামগ্ৰিক স্বাস্থ্য আৰু কল্যাণৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি উল্লেখ কৰাৰ উপৰি তেওঁ কয় যে তৃণমূল পৰ্যায়ত অধিক সজাগতা সৃষ্টি কৰিলে এক সুস্থ, সচেতন আৰু ক্ষমতাশালী সমাজ গঢ়ি তোলা সম্ভৱ। ইফালে, মৰিগাঁও আৰু কাৰ্বি আংলঙৰ গ্ৰাম্য আৰু দুৰ্গম অঞ্চলৰ এক হাজাৰো অধিক জনজাতীয় মহিলা চেনিটাৰী পেড বিতৰণ কাৰ্যসূচীৰ দ্বাৰা উপকৃত হয়। এই পদক্ষেপে মাহেকীয়া স্বাস্থ্য সম্পৰ্কীয় সজাগতা বৃদ্ধি কৰাৰ লগতে স্বাস্থ্যসন্মত সামগ্ৰীৰ ব্যৱহাৰক উৎসাহিত কৰে। উল্লেখ্য যে, মৰিগাঁও আৰু কাৰ্বি আংলঙৰ বহু গ্ৰাম্য আৰু জনজাতীয় অঞ্চলত এতিয়াও মাহেকীয়া স্বাস্থ্য সম্পৰ্কীয় সজাগতা সীমিত। বহু মহিলাই প্ৰয়োজনীয় তথ্য আৰু স্বাস্থ্যসন্মত সামগ্ৰীৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। এনে কাৰ্যসূচীয়ে মহিলাসকলৰ স্বাস্থ্য মৰ্যাদা, আত্মবিশ্বাস আৰু জীৱনৰ মান উন্নত কৰাত বিশেষ ভূমিকা পালন কৰে।এই কাৰ্যসূচীটোৰ সফল ৰূপায়ণৰ বাবে কেৰিয়াৰ ফৰ্‌মে ইউনিচাৰ্ম ইণ্ডিয়া আৰু ছফী ক্লাবক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# টিহুত ইলোৰা বিজ্ঞান মঞ্চৰ উদ্যোগত সদৌ অসম ভিত্তিত 'যতীন্দ্ৰ-ভাগীৰথী' সোঁৱৰণী ৰচনা প্ৰতিযোগিতাৰ আয়োজন

**কুমুদ বৰ্মন, টিহু, ৮ জুনঃ** অন্ধবিশ্বাস আৰু কুসংস্কাৰ পৰিহাৰ কৰি সমাজত বিজ্ঞান মনস্কতাৰ প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী ইলোৰা বিজ্ঞান মঞ্চ, টিহু শাখাৰ উদ্যোগত সদৌ অসম ভিত্তিত 'যতীন্দ্ৰ -ভাগীৰথী' সোঁৱৰণী ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। একাদশ শ্ৰেণীৰ পৰা স্নাতক মহলালৈ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আয়োজন কৰা এই ৰচনা প্ৰতিযোগিতাৰ বিষয় হৈছে অন্ধবিশ্বাসৰ পৰিণাম আৰু বৈজ্ঞানিক মানসিকতাৰ প্ৰসাৰত যুৱ সমাজৰ দায়িত্বক্ষ্টি। উল্লেখ্য যে ২০ আগষ্ট, ২০২৬ চনৰ 'বিজ্ঞান মনস্কতা দিৱস'ৰ লগত সংগতি ৰাখি আয়োজন কৰা এই সদৌ অসম ভিত্তিত 'যতীন্দ্ৰ- ভাগীৰথী' সোঁৱৰণী ৰচনা প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ ক্ৰমে ৪০০০ টকা, ৩৫০০ টকা আৰু ৩০০০ টকাৰ নগদ ধন লগতে প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰতিযোগীয়ে অসমীয়া ভাষাত বগা কাগজৰ এপিঠিত স্পষ্টভাৱে ১৫০০ শব্দৰ ভিতৰত হাতে লিখি বা ডিটিপি কৰি নিজৰ নাম,শিক্ষানুষ্ঠানৰ নাম, শ্ৰেণী, ৰোল নং আৰু মোবাইল নম্বৰ লিখি অহা ২০ জুলাই,২০২৬ তাৰিখৰ ভিতৰত নিম্ন উল্লেখিত ঠিকনাত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাচুল নালাগে । ঠিকনা-সঞ্জীৱ দাস,সম্পাদক, ইলোৰা বিজ্ঞান মঞ্চ, টিহু শাখা, টিহু নগৰ, ডাক-টিহু , জিলা- নলবাৰী (অসম),পিন-৭৮১৩৭১। প্ৰয়োজন সাপেক্ষে ৬৯০০৫-০০৬২৯ আৰু ৭০০২০-১৪৯৩৭ মোবাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ৰঙিয়াৰ বৰদলত নৱজ্যোতি যুৱ সংঘৰ গছ পুলি ৰোপণ

**বাতৰি কাকত, ৰঙিয়া বিশেষ, ৮ জুনঃ** ৰঙিয়াৰ বৰদল নৱজ্যোতি যুৱ সংঘৰ উদ্যোগত ৫ জুনত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে এটি বৃক্ষৰোপন কাৰ্যসূচীৰ লগতে ২০২৬-২৭ শিক্ষা বৰ্ষৰ বাবে প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ চলি থকা 'খেল ধেমালিৰে শিকোঁ আহা' শীৰ্ষক বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ অভিভাৱক-অভিভাৱিকা সন্মিলন এখনি অনুষ্ঠিত হয়। বৃক্ষৰোপণ কাৰ্যসূচীত দহ জোপা এজাৰ গছপুলি ৰোপণ কৰি অনুষ্ঠানটি শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰী সকললৈ কিছু শৈক্ষিক সমল শ্চবহী, পেঞ্চিল, ৰবৰ ইত্যাদিগ্ন বিতৰণ কৰা হয়। এই সভাত সভাপতিত্ব কৰে ভবেন চন্দ্ৰ নাথে, লগতে উপস্থিত থাকে 'খেল ধেমালিৰে শিকোঁ আহা' শীৰ্ষক বিনামূলীয়া পাঠদান কাৰ্যসূচীৰ মূল গুৰিধৰোঁতা শিক্ষয়িত্ৰী কাকলি চমুৱা, যোগাসন প্ৰশিক্ষক কাকলি দেৱী আৰু পল্লৱী নাথ, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ ভঃ সাধাৰণ সম্পাদক ৰিদুল কুমাৰ নাথ ,বৰদল নৱজ্যোতি যুৱ সংঘৰ সভাপতি বলোৰাম নাথ, সাধাৰণ সম্পাদক পাৰ্থ প্ৰতীম নাথ, সহঃ সম্পাদক ধৰ্মেন্দ্ৰ নাথ, প্ৰাক্তন সভাপতি নিত্যনন্দ নাথ, উপ সভাপতি কৰুণাকান্ত নাথ, প্ৰাক্তন শিক্ষক গৌৰাঙ্গ দেৱ নাথ। ছাত্ৰ-ছাত্ৰীসকলক বিতৰণৰ বাবে শৈক্ষিক সমল প্ৰেৰণ কৰা বৰন্থে হাইস্কুলৰ স্নাতক শিক্ষক ইছফাকুৰ ৰহমান আৰু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমান মহিলা আৰু শিশু বিকাশ বিভাগৰ কৰ্মচাৰী মিতুল কলিতাৰ লগতে দহ জোপা উন্নত মানৰ এজাৰ গছপুলি বিনামূলীয়াকৈ আগবঢ়োৱা ৰঙিয়া মৰাণজানাৰ ৰ'জ ভেলী নাৰ্চাৰীলৈ বৰদল নৱজ্যোতি যুৱ সংঘৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰে। বৰদল নৱজ্যোতি যুৱ সংঘৰ এনে পদক্ষেপক ৰাইজে প্ৰশংসা কৰিছে।

**NAME CORRECTION**

I, Ariful Haque s/o Ancher Ali, Jamila Begum R/o vill+p.o. Bamunbari, p.s. Mukalmua , Dist- Nalbari, Assam. My actual and correct name is Ariful Haque. But in my Secondary School Examination,2023 Marksheet cum certificate bearing Roll No- 16130707 has been wrongly recorded as Ariful Hoque instead of Ariful Haque. My father and Mother's actual name are Ancher Ali and Jamila Begum . But in my Senior School Examination, 2023 and Senior School Certificate Examination , 2025 bearing Roll no 16631322 has been wrongly recorded as Ansher Ali , Anser Ali and Jamila Khatun instead of Ancher Ali and Jamila Begum. Hereby declare vide affidavit befor the executive Magistrate, Barpeta on 13-5-2026 that Ariful Haque and Ariful Hoque, Ancher Ali and Ansher Ali/Anser Ali , Jamila Begum and Jamila Khatun both are one and same Person.

**Affidavit**

I, ShriPranita Barua have changed my name to Pranita Baruah and my husband's name from Shrinagen Baruah to Nagen Baruah. Henceforth the correctted names shall be used for all purposes.

**Pranita Baruah**
W/o. Nagen Baruah
Village : Baruapara, Nowapara
P.O.+P.S. : Chhaygaon
Dist.: Kamrup (R)
Pin : 781124

## উচ্চ -উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ শিক্ষাৰ্থীক সম্বৰ্ধনা

# মহানগৰ শৰণীয়া কছাৰী সমাজৰ ত্ৰিবাৰ্ষিক অধিবেশন



**গুৱাহাটী, ৮ জুন ঃ** গুৱাহাটী মহানগৰ শৰণীয়া কছাৰী সমাজৰ উদ্যোগত ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ- ছাত্ৰী সকলক সম্বৰ্ধনা আৰু গুৱাহাটী মহানগৰ শৰণীয়া কছাৰী সমাজৰ ত্ৰি- বাৰ্ষিক অধিবেশনৰ মুকলি সভা অনুষ্ঠিত হয়। লক্ষ্যধৰ দাস আৰু ধ্ৰুৱমণি দাসে আঁতধৰা অনুষ্ঠানত গুৱাহাটীৰ বিষ্ণু-নিৰ্মলা শিশু ন্যাস ভৱনত সমাজৰ সভাপতি বাবুল কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা খন উদ্বোধন কৰে অসম চৰকাৰৰ হস্ততাঁত বিভাগৰ উপ-সঞ্চালক ৰঞ্জিত কুমাৰ ডেকাই। সমাজৰ উপদেষ্টা ক্ৰমে ড° চন্দন কুমাৰ শৰণীয়া, লোহিত দেউৰী, ভদ্ৰেশ্বৰ দাস,অতুল চৌধুৰীয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। মহানগৰীৰ সমাজখনত বিশেষঅৰিহণা আগবঢ়াই অহা লোকসকলৰ স্মৃতিত স্মৃতি তৰ্পণ, তৰ্পক ক্ৰমে লীলাৱতী দাস,হীৰা দাস,নীলিমা দাস,হৰিমতী ডেকাই। অধিবেশনৰ লগত সংগতি ৰাখি ৰামেশ্বৰ ডেকাৰ সম্পাদনাত কাইমা নামেৰে স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে। স্মৃতি গ্ৰন্থখন উন্মোচন কৰে কিশোৰ কুমাৰ দাসে। উচ্চ মাধ্যমিকৰ ৬ গৰাকী আৰু উচ্চতৰ মাধ্যমিক ৩গৰাকী ছাত্ৰ-ছাত্ৰীক জনগোষ্ঠীয় মুকচা, শুভেচ্ছা পত্ৰ, স্মাৰক, কিতাপৰ টোপলাৰে সম্বৰ্ধনা জনায়। সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দ্বিপজ্যোতি শৰণীয়াই মুখ্য অতিথি আৰু আমন্ত্ৰিত অতিথি ক্ৰমে মানস শৰণীয়া, সোণবৰ বৰুৱা, কিশোৰ কুমাৰ দাস আদি উপস্থিত থাকি তেওঁলোকৰ ভাষণত সকলোৱেই মহানগৰীত শৰণীয়া কছাৰী সকলে একগোট হৈ যিমানবোৰ কাম কৰি আহিছে সেয়া জনগোষ্ঠীটোৰ বাবে গৌৰৱ বুলি উল্লেখ কৰে। উল্লেখ যে অনুষ্ঠানটিত শিশু শিল্পী কৃত শৰণীয়াৰ জনগোষ্ঠীয় গীত পৰিবেশনে সকলোকে আপ্লুত কৰে।

# টংলাত নোনাই বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত বিধায়ক বিকন চন্দ্ৰ ডেকাৰ বৃক্ষ ৰোপণ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৮ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আজি ওদালগুৰি জিলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰ আৰু চৌহদত নোনাই বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত আৰু টংলা খণ্ড বন বিষয়াৰ সহযোগত টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। বৃক্ষ ৰোপণ কাৰ্যসূচীৰ অন্তত বিধায়ক বিকন চন্দ্ৰ ডেকাই উপস্থিত ৰাইজৰ লগতে বন বিভাগৰ বিষয়া, কৰ্মচাৰীসকলক উদ্দেশ্যে প্ৰদান কৰা ভাষণত কয় যে, যিমানেই বৃক্ষ ৰোপণ হ'ব সিমানেই প্ৰদূষণ মুক্ত হ'ব। তেঁও ভাষণ প্ৰসংগত আৰু কয় যে, এজন মানুহক জীয়াই থাকিবলৈ অতিকমেও চাৰি জোপা বৃক্ষৰ অক্সিজেনৰ প্ৰয়োজন। বৃক্ষ ৰোপণ কৰাৰ দ্বাৰা আমি এটা সুন্দৰ বাতাবৰণ সৃষ্টি কৰিব পাৰোঁ। লগতে সকলো মানুহে বৃক্ষৰ প্ৰতি মৰম ভাব পোষণ কৰিব লাগে যিহেতু বৃক্ষৰো প্ৰাণ আছে যেনেদৰে মানুহৰো প্ৰাণ আছে। গীতাত শ্ৰীকৃষ্ণই নিজকে বট বৃক্ষ বুলি প্ৰকাশ কৰাৰ প্ৰসংগ উল্লেখ কৰি বিধায়ক ডেকাই ৰোপণ কৰা প্ৰতিজোপা বৃক্ষক প্ৰতিপালন কৰি ডাঙৰ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি চৰকাৰে 'এজোপা বৃক্ষ মাৰ নামত' শীৰ্ষক অভিযানেৰে অহা ১৭ জুনলৈ ১ কোটি বৃক্ষ ৰোপণ কৰাৰ বৃহৎ পৰিকল্পনা কৰিছে। আৰু ইয়াৰে অংশ হিচাবে আজি উক্ত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ ৰূপায়ন কৰে বন বিভাগে। আনহাতে বন বিভাগে উক্ত কাৰ্যসূচীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক লৈ নিচা মুক্ত ভাৰত অভিযান শীৰ্ষক সজাগতা বৃদ্ধি বাবে কাৰ্যসূচী ৰূপায়ন কৰা হয়। উক্ত অনুষ্ঠানত নোনাই ৰেঞ্জৰ ৰেঞ্জাৰ বাৰেন বড়ো, ৰেঞ্জাৰ মুনিন বৰ্মন আৰু ডেপুটি ৰেঞ্জাৰ মৃন্ময় হাজৰিকাৰ লগতে অন্যান্য বন বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

# নামখলা পলিউশ্যন টেষ্টিং চেণ্টাৰ মুকলি

**বাতৰি কাকত, ছিপাঝাৰ, ৮ জুন ঃ** আজিৰে পৰা নামখলা বাছ আস্থান, পাঞ্জাৱ নেচনেল বেংকৰ সমীপত অসম চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সকলো যানবাহনৰ ধোৱাপৰীক্ষা কৰা নামখলা পলিউশ্যন টেষ্টিং চেণ্টাৰটি মুকলি হয়। পুৱা মাংগলিক কাৰ্যসূচীৰে নামখলা পলিউশ্যন টেষ্টিং চেণ্টাৰ মুকলি কৰে বুঢ়া আৰক্ষী চকীৰ বিষয়া দ্বীপজ্যোতি দাসে। ৰাইজৰ দীৰ্ঘদিনীয়া অভাৱ পলিউশ্যন টেষ্টিং চেণ্টাৰ মুকলি অনুষ্ঠানত সন্মানীয় বিশিষ্টব্যক্তি ধ্ৰুৱজ্যোতি বড়ো, ফণী বৰুৱা, অতুল চহৰীয়া, ভূপেন চহৰীয়া, যোগেন কলিতা, নামখলা চক ব্যৱসায়ী সন্থা, নামখলা বজাৰ ব্যৱসায়ী সন্থা আৰু আছুৰ কেইবাগৰকীও বিষয়ববীয়াই পলিউশ্যন টেষ্টিঙৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোকপাত কৰে। পলিউশ্যন টেষ্টিং চেন্টাৰৰ স্বত্বাধিকাৰী দ্বীপেন ডেকাই আঁত ধৰা আৰু বিশিষ্ট ব্যৱসায়ী ফণীধৰ বৰুৱাই পৰিচালনা কৰা মুকলি অনুষ্ঠানত উন্নমানৰ সাসুবিধা উপলব্ধ চেণ্টাৰটি প্ৰতিদিনে পুৱা দহ বজাৰ পৰা আবেলি পাঁচ বজালৈ মুকলি থাকিব বুলি সদৰীকৰে চেণ্টাৰটিৰ স্বত্তাধিকাৰী তথা পৰিচালক দ্বীপেন ডেকাই।

# তেজপুৰত বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ দৃশ্য-শ্ৰব্য সংকলন উন্মোচন

**তৰুণ বৰা, তেজপুৰ, ৮ জুনঃ** তেজপুৰ মহাবিদ্যালয়ৰ কলা আৰু সংগীত বিভাগৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা এগৰাকী সাংস্কৃতিক কৰ্মী খনিন্দ্ৰ কুমাৰ ডেকা আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া কণ্ঠশিল্পী গীতা ভূঞা ডেকাৰ দ্বৈত কণ্ঠত কলাগুৰু ৰচিত আৰু সুৰাৰোপিত এটা গীতৰ দৃশ্য-শ্ৰব্য বাণীবন্ধিত ৰূপ তেজপুৰ মহাবিদ্যালয়ৰ চন্দ্ৰমোহন মেধি প্ৰেক্ষাগৃহত মুক্তি দিয়া হয়। ভালেসংখ্যক দৰ্শক শুভাকাংক্ষীৰ উপস্থিতিত এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত গীতটো উন্মোচন কৰি ইউটিউৱযোগে সকলোৰে বাবে আজি মুকলি কৰি দিয়া হয়। উল্লেখযোগ্য যে, বিশিষ্ট গীতিকাৰ বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাই উন্মোচনী সভাৰ সভাপতিৰ আসন গ্ৰহনৰ পূৰ্বে কলাগুৰু বিষ্ণুৰাভা আৰু শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতে প্ৰেক্ষাগৃহৰ মঞ্চত বিশিষ্ট চলচ্ছিত্ৰ অভিনেতা অৰুন নাথ,বিশিষ্ট কণ্ঠশিল্পী দুৰ্গাময়ী বৰা, বিশিষ্ট অভিনেতা বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমনি দেৱচৌধুৰী আৰু তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডম্মনোজ কুমাৰ হাজৰিকাক একোখনি ফুলাম গামোচাৰে আদৰণি জনোৱা হয় । ইয়াৰ পিছতে তেজপুৰ মহাবিদ্যালয় শীৰ্ষগীত পৰিৱেশন কৰে বীনাপাণি দেৱীৰ তত্বৱধানত কলা আৰু সংগীত বিভাগৰ তেজপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে। কণ্ঠশিল্পী দুৰ্গাময়ী বৰাই কলাগুৰুৰ দৃশ্য-শ্ৰব্য বাণীবন্ধিত গীতটি উন্মোচন কৰে। কণ্ঠশিল্পী বৰাই কলাগুৰুৰ বাণীবন্ধিত গীতটোত কণ্ঠদান কৰা শিল্পী দম্পতি খনিন্দ্ৰ কুমাৰ ডেকা আৰু গীতা ভূঞা ডেকাৰ গায়নশৈলীৰ প্ৰশংসা কৰাৰ লগতে গীতটোৰ নৃত্য দৃশ্যাংশত অংশ লোৱা নৃত্য শিল্পী ক্ৰমে প্ৰজ্বলিকা কাশ্যপ আৰু পাপু বৰাকো প্ৰশংসা কৰে ।দৃশ্য-শ্ৰব্য গীতটোত অতিথি শিল্পী হিচাপে অংশ গ্ৰহন কৰা বিশিষ্ট অভিনেতা অৰুন নাথে দুই এটা সামান্য কাৰিকৰী খুটি-নাতি আঙুলিয়াই দি বৰ্তমান সময়ত নৱ প্ৰজন্মৰ বাবে অপ্ৰচলিত এই গীতটোৰে কলাগুৰুৰ জীৱন দৰ্শনক বুজি পাব বুলি কোৱাৰ লগতে এনেদৰে সৰু সৰু কামেৰে এদিন ডাঙৰ কামলৈ আগবাঢ়ি যোৱাৰ আহ্বান জনায় শিল্পী দম্পতিক ।আনহাতে, জিতুমনি দেৱচৌধুৰীয়ে ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত অপ্ৰচলিত গীত সমূহ সংগ্ৰহ কৰি প্ৰচাৰ প্ৰসাৰ কৰি আমাৰ নৱ প্ৰজন্মৰ মাজত চৰ্চাৰ এক পৰিকাঠামো গঢ়ি তোলাৰ গুৰু দ্বায়িত্ব লবলৈ আজি আমি যদি আগবাঢ়ি নাহো তেনেহ'লে এদিন নজহা নপমা এই কথা সুৰবোৰ আমি হেৰুৱাব লাগিব বা বিকৃত হৈ যে নপৰিব তাক নুই কৰিব নোৱাৰি বুলি মন্তব্য আগবঢ়ায়। ড° মনোজ হাজৰিকাই অধ্যক্ষ হিচাপে যোগদান কৰাৰে পৰা মহাবিদ্যালয়ৰ আৰ্ট এণ্ড মিউজিক বিভাগৰ জৰিয়তে অসমৰ আপুৰুগীয় কৃষ্টি লোকসংস্কৃতিৰ আধাৰ সমূহৰ চৰ্চা সংৰক্ষন আধুনিকীকৰন ব্যৱস্থাৰ অহোপুৰুষাৰ্থ কৰি অহা বুলি উল্লেখ কৰি লগতে কয় যে যদি কোনো ব্যক্তি, কোনো অনুষ্ঠান এইক্ষেত্ৰত আগবাঢ়ি আহে তাৰ বাবে তেজপুৰ মহাবিদ্যালয় পৰিয়াল সহযোগ আগবঢ়াবলৈ সাজু আছে।

দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

### নলবাৰীৰ 'জাৰ্ণাল এম্প'ৰিয়াম'ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান

# পৰিবৰ্তনশীল সমাজত গ্ৰন্থৰ আদৰ সদায় থাকিব- ডাঃ ধ্ৰুৱজ্যোতি বৰা

**মজিবুৰ ৰহমান, নলবাৰী, ৮ জুন ঃ** 'পৰিবৰ্তনশীল সমাজত গ্ৰন্থৰ আদৰ সদায় থাকিব, শ্ৰদ্ধা সদায় থাকিব। গ্ৰন্থই মানুহক নিবিড় আনন্দ দিব পাৰে । এই মন্তব্য কৰে অসমৰ সাহিত্য জগতৰ প্ৰগাঢ় ব্যক্তিত্ব তথা বিশিষ্ট সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰাই । অসমৰ আগশাৰীৰ প্ৰকাশক গোষ্ঠী 'জাৰ্ণাল এম্প'ৰিয়াম'ৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান আজি নলবাৰী জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আজিৰ অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰাই পুনৰ কয়— আজিৰ এই বিক্ষিপ্ত সময়ত বৌদ্ধিক সমাজ লগ হোৱাটো অতি গুৰুত্বপূৰ্ণ কথা । ডাঃ বৰাই পুনৰ কয়, সমাজত এতিয়া মানুহক এক কৰাৰ পৰিবৰ্তে ভাগ ভাগ কৰাৰ প্ৰৱনতা বাঢ়িছে। এইক্ষেত্ৰত গ্ৰন্থই বিশেষ ভূমিকা ল'ব পাৰে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে কয়— সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্য মোৰ অতি মৰমৰ আৰু মোক মৰম কৰা অতি অন্তৰৰ ওচৰৰ ব্যক্তি । যিসময়ত আমাক কোনোৱে চিনি নাপাইছিল তেনে সময়ত বৈশ্যই মোৰ গ্ৰন্থ 'মোৱামৰীয়া গণ অভ্যুত্থান' গ্ৰন্থখন প্ৰকাশ কৰিছিল। লিখক হিচাপে মোৰ জীৱন আগবাঢ়ি যোৱাত অনবদ্য অৱদান আছে সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্যৰ। নতুন সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সামাজিক মাধ্যমে উদগনি যোগাইছে বুলি উল্লেখ কৰি ডাঃ বৰাই কয়— সম্প্ৰতি প্ৰতিষ্ঠিত সংবাদ প্ৰতিষ্ঠানৰ বিপৰীতে সামাজিক মাধ্যমৰ বাবে বহু মানুহৰ ওচৰলৈ গৈছে লেখা মেলা, এইটো বৰ ডাঙৰ কথা । সোণালী জয়ন্তী সামৰণি



অনুষ্ঠান আয়োজনৰ যুটীয়া সমন্বয়ক ড° সুশান্ত কুমাৰ কাশ্যপে পৰিচালনা কৰা তথা সোণালী জয়ন্তী সামৰণি অনুষ্ঠান আয়োজনৰ যুটীয়া সমন্বয়ক ড° সঞ্জীৱ কুমাৰ গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰা সভাত বিশিষ্ট পুথি প্ৰকাশক সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্যৰ জীৱনৰ ওপৰত আধাৰিত বিশিষ্ট ঔপন্যাসিক পংকজ গোবিন্দ মেধিৰ দ্বাৰা ৰচিত 'জাৰ্ণাল এম্প'ৰিয়াম' আনুষ্ঠানিকভাৱে উন্মোচন কৰে অনুষ্ঠানটোৰ দুই মধ্যমণি, বিশিষ্ট ব্যক্তি ডাঃ ধ্ৰুৱজ্যোতি বৰা আৰু মনোজ কুমাৰ গোস্বামীয়ে। অনুষ্ঠানটোত বিশিষ্ট ব্যক্তি মনোজ কুমাৰ গোস্বামীয়ে কয়— বাতৰি কাকত, কিতাপৰ প্ৰতি অসমৰ মানুহৰ আগ্ৰহ যথেষ্ট কমি আহিছে, সেয়া অসমৰ বাবে ভাল লক্ষণ নহয় বুলি উল্লেখ কৰি পৃথিৱীৰ কোনো দেশতে পেপাৰ, আলোচনী, গ্ৰন্থৰ সমাদৰ কমা নাই বুলি ক্ষোভ প্ৰকাশ কৰে । মানুহৰ মাজত কথা বতৰা আলোচনা কমিছে, পৰিয়ালৰ সদস্য সকলৰ মাজতে কথা বতৰা কমি গৈছে। বিদ্যায়তনিক ক্ষেত্ৰত অসমৰ মানুহ দিনে দিনে পিছুৱাই গৈছে বুলিও তেওঁ মত ব্যক্ত কৰে। সভাত যিসকল বৰেণ্য সাহিত্যিকৰ গ্ৰন্থ প্ৰকাশেৰে জাৰ্ণাল এম্প'ৰিয়াম সমৃদ্ধ হ'ল সেইসকল প্ৰয়াত সাহিত্যিকৰ লগতে অসমৰ খ্যাত-অখ্যাত প্ৰতিগৰাকী সাহিত্য-সংস্কৃতিৰ কাণ্ডাৰীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে ভাষণ প্ৰদান কৰে । সভাত 'জাৰ্ণাল এম্প'ৰিয়াম'ৰ স্বত্বাধিকাৰ তথা বিশিষ্ট পুথি প্ৰকাশক সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্যই মনৰ অনুভৱ ব্যক্ত কৰে । সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰকাশন গোষ্ঠীটোৱে নলবাৰী জিলা ভিত্তিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰিছিল চিত্ৰাঙ্কণ প্ৰতিযোগিতা। নলবাৰী চহৰস্থ সুধাকণ্ঠ ভূপেন হাজৰিকা শিশু উদ্যানত আয়োজন কৰা হৈছিল এই চিত্ৰাংকন প্ৰতিযোগিতা। তিনিটা শাখাত অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাৰ ফলাফল অনুসৰি 'ক' শাখাৰ প্ৰথম- হৃদয় ৰঞ্জন দেৱ গোস্বামী, (ষষ্ঠ শ্ৰেণী, লিটিল ফ্লাৱাৰ স্কুল, নলবাৰী), দ্বিতীয়- বৰ্ণিল দাস (সপ্তম শ্ৰেণী , নালন্দা পাব্লিক স্কুল, নলবাৰী) আৰু তৃতীয়- জ্যোতিষ্মান হুজুৰী (দশম শ্ৰেণী , পি, এমশ্ৰী চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়)। 'খ' শাখাৰ প্ৰথম- জেনেচা বৰ্মন (ষষ্ঠ শ্ৰেণী, অসম একাডেমী, নলবাৰী), দ্বিতীয়- ৰুদ্ৰাক্ষী দেৱী (চতুৰ্থ শ্ৰেণী, ১৩৮ নং কাশীনাথ বিদ্যামন্দিৰ প্ৰাথমিক বিদ্যালয়) আৰু তৃতীয়- ৰক্তিম কুমাৰ দাস (ষষ্ঠ শ্ৰেণী, অসম একাডেমী নলবাৰী)। 'গ' শাখাত প্ৰথম স্থান লাভ কৰে ময়ুৰেশ কাশ্যপ (ইউ, কে, জি, বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়), দ্বিতীয়- ৰাজ ৰিয়ান কাশ্যপ (দ্বিতীয় শ্ৰেণী , কিডছ ভেলী)আৰু তৃতীয়- ৰোহন ৰাজবংশী (এল কে জি, মৰ্ণিং ছান চাইন)। তদুপৰি সদৌ অসম ভিত্তিত নতুন গল্প লেখকৰ মাজত আয়োজন কৰিছিল গল্প প্ৰতিযোগিতা। সেই অনুসৰি গল্প প্ৰতিযোগিতাত প্ৰথমঃ স্তুতি বন্দনা, দ্বিতীয়ঃ শেৱালী ভনিতা চৌধুৰী (এটা সেউজীয়া গহ্বৰৰ সন্ধানত) তৃতীয়ঃ (যুটীয়াভাৱে) অংগনা ভট্টাচাৰ্য (সাঁকো),খনীন্দ্ৰ ভূষণ মহন্ত (ধ্ৰুপদী আঙুলি), বিচাৰকৰ বিশেষ বঁটাঃ সাক্ষী প্ৰিয়ম্বদা (এটা ক'লা গল্প), একেদৰে ৰচনা প্ৰতিযোগিতা, বিষয় 'মোৰ প্ৰিয় গ্ৰন্থ', প্ৰথমঃ উদেষণ্ত বৰা, দ্বিতীয়ঃ কুঞ্জিকা কুলকুল তৃতীয়ঃ গায়ত্ৰী বৰুৱা। বিজয়ী প্ৰতিযোগী সকলক আজিৰ এই সভাতে পুৰস্কাৰ প্ৰদান কৰা হয়।

## সদৌ অসম সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ৰোহিনী মেধিৰ একাদশ মৃত্যুবাৰ্ষিকী পালন তথা বঁটা প্ৰদান

**বাতৰি কাকত, বাহাৰঘাট, ৮ জুন ঃ** অসমৰ আগশাৰীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত সদৌ অসম সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, সাহিত্যিক, সমাজকৰ্মী, সমাজ সংগঠক তথা গৰীৱৰ বন্ধু ৰোহিনী মেধিৰ একাদশ মৃত্যু বাৰ্ষিকী পালন কৰা হয়। প্ৰয়াত ৰোহিনী মেধিৰ সহধৰ্মিনী গিৰিজা মেধিয়ে প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পিছতে স্মৃতিচাৰণ সভা আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক নিপজ্যোতি মেধিয়ে আঁত ধৰা স্মৃতিচাৰণ সভাখনত বিশিষ্ট শিক্ষাবিদ ড° ধৰণীধৰ গোস্বামী উপস্থিত থাকি অসমৰ মফচলীয় সাংবাদিকসকলৰ ন্যায্যপ্ৰাপ্তিৰ কাৰণে ৰোহিনী মেধিয়ে সদায় মাত মাতিছিল বুলি ভাষণত উল্লেখ কৰাৰ লগতে ৰোহিনী মেধি এজন গুণী-জ্ঞানী ব্যক্তি আছিল। তেওঁ এনে এটি পৰিয়ালত জন্মগ্ৰহণ কৰিছিল, যিটো পৰিয়ালক সেই অঞ্চলৰ সকলোৱে সন্মান কৰিছিল বুলি কয়। ৰোহিনী মেধিক লগ পালেই সাহিত্য - সমাজৰ বিভিন্ন কথা আলোচনা হৈছিল বুলি গোস্বামীয়ে উল্লেখ কৰে। আন এগৰাকী বক্তা বিশিষ্ট সাহিত্যক মনীষা শৰ্মাই কয় প্ৰয়াত ৰোহিণী মেধিৰ একাদশ মৃত্যু তিথিত গভীৰ শ্ৰদ্ধাঞ্জলি এটি আদৰণীয় পদক্ষেপ এখন সুস্থ-সবল সমাজ গঢ়িবলৈ হ'লে প্ৰতিজন ব্যক্তিৰে মন আৰু কৰ্ম সুস্থ হোৱাটো অপৰিহাৰ্য। সুস্থ মানসিকতা আৰু নিস্বাৰ্থ কৰ্মৰাজিয়েই এখন সমাজক প্ৰগতিৰ দিশত আগুৱাই লৈ যায়। তেনে এক সুন্দৰ মন আৰু কৰ্মৰ এক উৎকৃষ্ট নিদৰ্শন আমাৰ সমাজ জীৱনত দাঙি ধৰি থৈ গৈছে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক তথা আদৰ্শ সমাজকৰ্মী প্ৰয়াত ৰোহিণী মেধিয়ে। আন এগৰাকী বক্তা উপন্যাসিকা পূৰৱী বৰুৱাই প্ৰয়াত ৰোহিনী মেধিৰ সৈতে থকা বন্ধুত্বৰ কথা সোঁৱৰণ কৰে। বৰুৱাই কয়— ৰোহিনী মেধি কোনো কামতে অৱহেলা কৰা নাছিল। প্ৰতিটো কামতে তেওঁ আগৰণুৱা আছিল । গাঁৱে -ভূঞে, ৰ'দ-বৰষুণতো তেওঁ সংবাদ সংগ্ৰহ কৰিছিল। ইংৰাজীৰ এগৰাকী দক্ষ শিক্ষক হিচাপেও তেওঁৰ বেচ সুনাম আছিল। আন এগৰাকী বক্তা মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতাই কয় ৰোহিনী মেধি এগৰাকী সৎ সাংবাদিক আছিল এই কথা সৰ্বজনবিদিত। অসমৰ সংবাদ মাধ্যম বহু ঘাত-প্ৰতিঘাতৰ অন্তত আজি যি স্থানত উপনীত হৈছে, এইক্ষেত্ৰত ৰোহিনী মেধিহঁতৰ দৰে মফচলীয় সাংবাদিকসকলৰ বহুতো ত্যাগ-শ্ৰম জড়িত হৈ আছে। নতুন প্ৰজন্মৰ সাংবাদিকসকলে এই কথাবোৰ অনুধাৱন কৰা উচিত বুলিও তেওঁ মন্তব্য কৰে। উক্ত অনুষ্ঠানতে বিশিষ্ট কবি লেখিকা নিৰ্মলা শৰ্মাৰ 'আমেৰিকাৰ পৰা দক্ষিণ কোৰিয়ালৈ' নামৰ মৌলিক গ্ৰন্থখনৰ বাবে ৰোহিনী মেধি সোঁৱৰণী বঁটা-২০২৬, দীৰ্ঘদিন ধৰি সততা, নিষ্ঠা আৰু সাহসিকতাৰে সাংবাদিকতা কৰি অহাৰ বাবে দৈনিক জনমভূমি কাকতৰ উপ- সম্পাদক তথা বিশিষ্ট সাংবাদিক ৰাতুল ৰাজবংশীক ৰোহিনী মেধি সোঁৱৰণী প্ৰেৰণা বঁটা-২০২৬ প্ৰদান কৰা হয়। বাসনা সাহিত্য গোষ্ঠীৰ সভাপতি ড° দেৱী প্ৰসাদ অধিকাৰী সভাপতিত্বত অনুষ্ঠিত সভাখনত দৈনিক জনমভূমি কাকতৰ মুখ্য উপ সম্পাদক দীপক চক্ৰৱৰ্তী , জাগিৰোড মহাবিদ্যালয়ৰ অধ্যাপিকা জুনু দেৱী পৌৰেল,বাসনা সাহিত্য গোষ্ঠীৰ উপ সভানেত্ৰী ৰুণুদেৱী শৰ্মা,শেৱালী কলিতা , বিৰজা হাজৰিকা, গীতালী বিষয়া, কৰবী মেধি আদিকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## দেৱীৰাম পাঠশালা হাইস্কুলৰ ১৯৭৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ সতীৰ্থ বৃন্দৰ সোণালী বৰ্ষ উদ্‌যাপন

**বাতৰি কাকত, ধমধমা, ৮ জুন ঃ** নলবাৰী চহৰস্থিত দেৱীৰাম হাইস্কুলত ১৯৭৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ সতীৰ্থ বৃন্দৰ সোণালী জয়ন্তী বৰ্ষ অতি উলহ-মালহৰে উদ্‌যাপন কৰা হয়। আজি পঞ্চাশ বছৰ অতিক্ৰম কৰা দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয় ১৯৭৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা সতীৰ্থসকল একলগ হৈ সোণালী বৰ্ষ উপলক্ষে এক অনুষ্ঠান আয়োজন কৰে। সতীৰ্থসকলে গীত-মাত-কবিতা পাঠ আদি ভালেমান কাৰ্যসূচী ৰূপায়ণ কৰে ।ইয়াৰ লগতে পঞ্চাশ বছৰীয়া অনুষ্ঠান হিচাপে পঞ্চাশজোপা গছপুলি ৰোপন কৰে। জনপ্ৰিয় কৌতুক অভিনেতা হৰিশ তালুকদাৰে আঁত ধৰা সভাখনৰ মঞ্চৰ অতিথি হিচাপে থাকে ৰমা নাথ বৰুৱা, দেবী ৰাম হাইস্কুলৰ অধ্যক্ষ জিতেন শৰ্মা নাট্যকাৰ, দীপক শৰ্মা, মৃগশ বৰুৱা, ডাঃ ৰাতুল দত্ত, অঞ্জন শৰ্মা আদি। উল্লেখ্য অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়খনৰ প্ৰয়াত শিক্ষা গুৰু আৰু সতীৰ্থৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান এটা কৰা হয়। লগতে প্ৰয়াত প্ৰধান শিক্ষক শনি ভূষণ চৌধুৰীৰ প্ৰতিচ্ছবি উন্মোচন কৰা হয় ।সভাৰ শেষত জৈন স্কুলৰ অতিথি শালাত প্ৰিতিভোজন কৰা হয়।

## ৮ পূব নলবাৰী ক'চিং চেণ্টাৰৰ উদ্যোগত অভিনন্দন অনুষ্ঠান ঃ ১৫ খেলুৱৈক সম্বৰ্ধনা

**বাতৰি কাকত, ঘগ্ৰাপাৰ, ৮ জুন ঃ** নলবাৰী জিলাৰ পূব নলবাৰী কচিং চেন্টাৰ নলবাৰী জিলাৰ এক অগ্ৰণী ক্ৰীড়া অনুষ্ঠান। য'ত নিয়মীয়া ভাৱে লৰাৰা আৰু ছোৱালীৰ উভয় শাখাতে অৰ্হতা সম্পন্ন প্ৰশিক্ষকৰ জৰিয়তে বিনামূলীয়াকৈ ভলীবলৰ বিজ্ঞান সন্মত দীৰ্ঘকালীন প্ৰশিক্ষণ দি থকা হৈছে। ১৯৯৭ চনত জন্ম গ্ৰহণ কৰা পূব নলবাৰী কচিং চেন্টাৰে আজিও বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেদি ৰাজকদমতল সন্ধা হাইস্কুল খেলপথাৰত অনুশীলন বৰ্তাই ৰাখিছে। শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰি থকা উক্ত ক্ৰীড়া সংগঠনটোৱে ইতিমধ্যে সফলতাৰো মুখ দেখিবলৈ সক্ষম হৈছে। পূব নলবাৰী কচিং চেন্টাৰত প্ৰশিক্ষণ প্ৰাপ্ত সৰহ সংখ্যক খেলুৱৈয়ে এতিয়া নলবাৰী জিলা দলক প্ৰতিনিধিত্ব কৰে কেইবাবাৰো আজুৰি আনিবলৈ সক্ষম হৈছে চূড়ান্ত বিজয়ীৰ সন্মান। ইয়াৰ সুবাদতে প্ৰায় ষাঠি গৰাকী খেলুৱৈয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল প্ৰতিযোগিতাত অসম দলৰ জাৰ্ছী পিন্ধাৰ গৌৰৱ অৰ্জন কৰাৰ লগতে প্ৰায় আশী গৰাকী খেলুৱৈয়ে চৰকাৰী ভাৱে জীৱন জীবিকাৰ পথ পাবলৈ সক্ষম হৈছে ।প্ৰতিবছৰৰ দৰে এই বছৰো পূব নলবাৰী কচিং চেন্টাৰৰ উদ্যোগত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হোৱা চেন্টাৰটোৰ খেলুৱৈ সকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে শুকুৰবাৰে প্ৰণীতা ৰেষ্টুৰেন্টৰ সভাগৃহত এক 'বিশেষ অভিনন্দন অনুষ্ঠান'ৰ আয়োজন কৰা হয়। অভিনন্দিত হোৱা খেলুৱৈ সকল হৈছে--পৰাগজ্যোতি দাস, বনস্মিতা দাস, উপাসনা দাস, অনিষা দেৱী, লিজা দাস, হৃষিকেশ বৰ্মন, বিশাল দাস, গৌতম দাস, জিতুমনি দাস, জিজ্ঞাস দাস, দিচান্ত মেধি, টিনা দাস, নিলাক্ষী দাস, বিবেক দাস আৰু মৃদুলা দাস। খেলুৱৈ সকলক গামোচা, অভিনন্দন পত্ৰ, কিতাপ-বহী, কলম আদিৰে অভিনন্দন জ্ঞাপন কৰা হয়। পূব নলবাৰী কচিং চেন্টাৰৰ সভাপতি দীপক কুমাৰ দাসে আতঁধৰা অভিনন্দন অনুষ্ঠানত ক'চিং চেন্টাৰটোৰ মুখ্য পৃষ্ঠপোষক, নলবাৰী ক্ৰীড়া সন্থাৰ উপ সভাপতি, প্ৰাক্তন ৰাষ্ট্ৰীয় পৰ্যায়ৰ সুদক্ষ ভলীবল খেলুৱৈ মনোজ কুমাৰ চৌধুৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকি পূব নলবাৰী কচিং চেন্টাৰৰ এনে ধৰণৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰাৰ লগতে খেলেই যে পঢ়াৰ কোনো ধৰণৰ ক্ষতি নকৰে তাৰ উদাহৰণ ডাঙি ধৰি অভিভাৱক সকলক নিজৰ ল'ৰা-ছোৱালীক খেলিবলৈ খেলপথাৰলৈ উলিয়াই দি ক্ৰীড়াৰ জৰিয়তে মানব সম্পদ গঢ়াৰ পৰিকল্পনা হাতত ল'বলৈ আহ্বান জনায়। সভাত অতিথি হিচাপে উপস্থিত থাকে অসম প্ৰবীন ভলীবল খেলুৱৈৰ সন্থাৰ সভাপতি তথা প্ৰণীতা ৰেষ্টুৰেন্টৰ স্বত্বাধিকাৰ নৃপেন্দ্ৰ দাস, ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল ৰেফাৰী দেৱজিৎ ডেকা, প্ৰাক্তন ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ তথা হাজৰিকাপাৰা ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ মুখ্য প্ৰশিক্ষক সঞ্জীৱ শৰ্মা, নলবাৰী হৰিমন্দিৰ সমিতিৰ সহকাৰী সম্পাদক হৰেণ হালৈ, নিউজ লাইভৰ জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ, জ্যেষ্ঠ সাংবাদিক বীৰেন কলিতা, জাজিয়াবাৰী গাঁওৰ গাঁও প্ৰধান গৌৰী কান্ত দাস, প্ৰতিভাৱান কবি তথা অঞ্চল ৰাউণ্ডাৰ ক্লাৱৰ সভাপতি সতিশ দাস, পূব নলবাৰী কচিং চেন্টাৰৰ সম্পাদক হিতেশ দাস, সদস্য প্ৰতাপ ৰাজবংশী, বাস্তৱ কলিতা, সমৰজিৎ কলিতা, দেৱজিৎ বৰ্মন, জ্যোতিষ ডেকা, কংকন জ্যোতি দাস, অমৰজ্যোতি দাস আদি বিশিষ্ট ব্যক্তি সকল। আটায়ে পূব নলবাৰী কচিং চেন্টাৰৰ প্ৰচেষ্টাক ধন্যবাদ সহ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীত চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা-পুৰস্কাৰ বিতৰণ

## পুৰস্কাৰপ্ৰাপ্তি হৈছে এক অনুপ্ৰেৰণা, অংশগ্ৰহণ কৰা মানেই আশিসধন্য হোৱা ঃ অধ্যক্ষ ৰূপক বৈশ্য

**বাতৰি কাকত, বৰনৰ্দী, ৮ জুন ঃ**পুৰস্কাৰপ্ৰাপ্তি হৈছে এক অনুপ্ৰেৰণা, অংশগ্ৰহণ কৰা মানেই আশিসধন্য হোৱা। এই মন্তব্য নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ । আজি পুৱা ৯ বজাত একাডেমীখনৰ প্ৰাতঃসভাত ৰূপায়িত এক বিশেষ কাৰ্যসূচীৰ মাজেৰে চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয় আৰু বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয় ।এই সভাতেই একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্যই উক্ত মন্তব্য প্ৰদানেৰে শিক্ষাৰ্থীসকলক মনৰ পচন্দৰ প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি যাবলৈ অনুৰোধ জনায় আৰু বিজয়ীসকলক অভিনন্দিত কৰাৰ লগতে আন অংশগ্ৰহণকাৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে যাতে আগলৈ নিজৰ লক্ষ্যত উপনীত হ'ব পাৰে ।প্ৰাতঃসভাত প্ৰতিদিনে নীতিশিক্ষাৰ জ্ঞান দিয়াৰ প্ৰয়াসেৰে আজিও বিদ্যাৰ্থীসকলক উদ্দেশ্যি ভাল মানুহ হ'বলৈ অধ্যক্ষ ৰূ বৈশ্যই পৰামৰ্শমূলক ভাষণ দিয়ে । বৰ্তমান সমাজত নৈতিকতাৰ অধিক স্খলন ঘটা পৰিলক্ষিত হৈছে। বিশেষকৈ কুৰি বছৰ বয়সৰ তলৰ প্ৰজন্মৰ অধিকাংশৰে যেন সম্প্ৰতি কু-আচৰণবিধি আৰু অখাদ্য ভক্ষণেৰে বিপথে গৈ যথেষ্ট অৱনমিত ঘটিছে । গুটখা, ড্ৰাগছ, মদ, ভাং আদিৰ প্ৰতি ইমানেই আসক্তি বৃদ্ধি পাই আহিছে যে যাৰ ফলশ্ৰুতিত এইচামৰ মাজৰ বহুতেই চুৰিকাৰ্য পৰ্যন্ত কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে । সেয়েহে, আজিৰ প্ৰজন্মক সঠিক পথে গতি কৰোৱাৰ অৰ্থে মুখ্যতঃ শিক্ষা প্ৰতিষ্ঠানসমূহে আদিতেই আগবাঢ়ি আহি বিভিন্ন ইতিবাচক পদক্ষেপ লোৱাটো নিতান্তই প্ৰয়োজনীয় বুলি বিবেচনা কৰি শিক্ষাৰ্থীসকলক নিতৌ মূল পাঠদানৰ পূৰ্বে নীতিশিক্ষা দি গৈ আছে একাডেমীখনৰ অধ্যক্ষ গৰাকীয়ে। অধ্যক্ষৰ নীতিবচনসমৃদ্ধ ভাষণৰ পিচত চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা আৰু পুৰস্কাৰসমূহ বিতৰণ কৰা হয় ।উল্লেখ্য যে এইবেলি বিশ্ব পৰিৱেশ দিৱস উপলক্ষ্য ৫ জুনত একাডেমীখনত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ মাজত দুটিকৈ শাখাত বিভক্ত কৰি সেউজীয়া পৰিবেশৰ ওপৰত এখনি চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল ।উক্ত চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল অনুসৰি, 'ক' শাখা (প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈকে)ত প্ৰথম পুৰস্কাৰ ৰিমলি বৈশ্য, দ্বিতীয় পুৰস্কাৰ গৰিষ্ঠা দাস আৰু তৃতীয় পুৰস্কাৰ দীক্ষিতা শৰ্মা আৰু দেৱাশিস অলুকদাৰৰ বিপৰীতে 'খ' শাখা (পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈকে)ত প্ৰথম পুৰস্কাৰ মৃন্ময় গগৈ, দ্বিতীয় পুৰস্কাৰ চেমিম আহমেদ আৰু তৃতীয় পুৰস্কাৰ মস্তাফা আহমেদে লাভ কৰে। উক্ত পুৰস্কাৰসমূহ প্ৰদান কৰে একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্য আৰু জ্যেষ্ঠ শিক্ষয়িত্ৰী লীলা বেজবৰুৱাই। আজিৰ উক্ত কাৰ্যসূচীৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলে সহযোগ প্ৰদান কৰে ।


**AFFIDAVIT**

I, Anita Basumatary, daughter of Katiram Basumatary aged about 38 years, by religion - Hindu, resident of Jorpukhuri, JNB Lane, P.O- Guwahati GPO, P.S- Latashil, Guwahati under district Kamrup Metro, Assam. I am a citizen of India by birth and a permanent resident of the aforesaid locality. My actual and correct name is ANITA BASUMATARY which is recorded in my Adhar card Vide No.- 227611188155, but in my PAN Card my name is wrongly recorded Card No.- BTSPB7728L as ANITA BORO in place of ANITA BASUMATARY. My name ANITA BASUMATARY and ANITA BORO is the names of one and the same person having single identity i.e myself.

**AFFIDAVIT**

I, INDRA BHATTARAI, son of Late Krishna Prasad Sarmah, by religion Hindu, resident of Bisagaon, P.O. Bisagaon, P.S. Lekhapani, in the District of Tinsukia, Assam. I am a citizen of India by birth and a resident of the aforesaid locality. My actual and correct name is INDRA BHATTARAI which is recorded in my Aadhar Card No. 7834 5743 2780. Due to inadvertance mistake my name has been recorded in some of my documents as INDRA PRASAD SHARMA which ought to be INDRA BHATTARAI. By swearing this Affidavit I hereby desire to change my name from INDRA PRASAD SHARMA to INDRA BHATTARAI for all the purposes and before all the concerned with immediate effect.

**Name Correction**

My actual and Correct name is "Jyotsnara Begum" which has been recorded my all in documents including my Aadhaar Card, But my name has been recorded in my Assam Gramin Vikash Bank Passbook, Chillangani Branch, A/C No. 7264020000878 as"Jusnara Begum instead ofJyotsnara Begum.

As a matter of fact Jyotsnara Begum and Jusnara Begum are the same and single person.

**Jyotsnara Begum**
W/O-Abul Kalam
Bhakatgaon,
Chillangani, Nagaon.

**Name Correction**

I, Md Mazidul Islam, S/o Sher Ali, Residing at Vill- Maralartari, Mouza- Betbari, P.S. Barpeta, Dist. Barpeta, Assam, shall henceforth be known as Mazidul Islam as declared before the Notary Public, Barpeta Court, Assam, vide Affidavit No. 3824C/2026 dated.06/06/2026

Md Mazidul Islam and Mazidul Islam both are same and identical person.


### স্পষ্টীকৰণ

যোৱা ০২-০৬-২০২৬ ইং তাৰিখে প্ৰকাশিত 'অসমীয়া প্ৰতিদিন' কাকতৰ পৃষ্ঠা নং ১ আৰু ১০ত পৰিৱেশিত 'খাদ্যত বৰবিহ মিহলোৱা ব্যৱসায়ীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা নাই ৰাজ্য প্ৰশাসনে' শীৰ্ষক বাতৰিত প্ৰকাশিত ধৰণে বৰপেটা জিলা কৃষি বিভাগৰ কোনো বিষয়া খেতি পথাৰলৈ নোযোৱা বুলি ব্যাখ্যা কৰাটো তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। বৰপেটা জিলাৰ অন্তৰ্গত প্ৰতিটো কৃষি চক্ৰৰ প্ৰতিটো এলেকা কৃষি উন্নয়ন বিষয়াসকলে পৰিদৰ্শন কৰি থাকে আৰু কৃষি সম্প্ৰসাৰণ সহায়কসকলেও তেওঁলোকৰ এলেকাসমূহত উপস্থিত হৈ কৃষকসকলক বিভিন্ন শস্যৰ কৃষি কৰ্মত পৰামৰ্শ প্ৰদান কৰি থাকে। সাৰৰ উপযুক্ত পৰিমাণৰ প্ৰয়োগ আৰু বিভিন্ন কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কৃষকসকলৰ মাজত সময়ে সময়ে সজাগতাৰ সৃষ্টি কৰি থকা হয়। জিলা কৃষি বিষয়ায়ো এই ক্ষেত্ৰত নিজেও কিছুমান অঞ্চলত হৈ থকা বিভিন্ন প্ৰদৰ্শনীমূলক খেতি পথাৰত উপস্থিত থাকি কৃষকসকলক বিভিন্ন সময়ত পৰামৰ্শ প্ৰদান কৰে। তাৰোপৰি জিলা কৃষি বিষয়াই সঘনে কৃষি উন্নয়ন বিষয়াসকলৰ আৰু কৃষি সম্প্ৰসাৰণ সহায়কসকলৰ লগত বৈঠকত মিলিত হৈ তেওঁলোকৰ কামৰ খতিয়ান লয়।

**জিলা কৃষি বিষয়া**
**বৰপেটা**

## টিহু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বিশ্ব পৰিবেশ দিৱস পালন

**কুমুদ বৰ্মন, টিহু, ৮ জুন ঃ** আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, টিহুৰ উদ্যোগত আৰু ইকো ক্লাৱ বিবেকানন্দ বিদ্যা নিকেতন টিহুৰ সহযোগত কালি বিশ্ব পৰিবেশ দিৱস পালন কৰা হয়। এই উদ্দেশ্যে গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক হেমন্ত কুমাৰ শীল, বিশিষ্ট যুৱ ব্যৱসায়ী তথা অভিভাৱক পংকজ কলিতা, টিহু বিবেকানন্দ বিদ্যা নিকেতনৰ মুখ্য পৃষ্ঠপোষক প্ৰমোদ ডেকাই। দিৱস উপলক্ষে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু বক্তৃতা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। ইয়াৰ পিছতেই বিদ্যালয়ৰ অধ্যক্ষ দিপালী ডেকাৰ পৌৰহিত্যত এখন সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। সভাত ভাষণ দি হেমন্ত কুমাৰ শীলে বিশ্ব পৰিবেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। লগতে জনবিস্ফোৰণৰ ফলত গছ-গছনি ধ্বংস, প্ৰাকৃতিক পৰিবেশ বিনষ্ট হোৱাৰ কথা উল্লেখ কৰি গছপুলি ৰোপণৰ লগতে সদায় প্ৰত্যেকে সজাগ হোৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা কৰে। ভাষণ প্ৰসংগত পংকজ কলিতাই বিশেষকৈ জন্ম আৰু মৃত্যুৰ দিনত গছপুলি ৰোপণ কৰি প্ৰাকৃতিক পৰিবেশ সুস্থ ৰখাত সজাগ হবলৈ আহ্বান জনায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক অনিমা কলিতা ডেকাই প্ৰাকৃতিক পৰিবেশ সুস্থ ৰখাৰ ক্ষেত্ৰত অভয়াৰণ্য সমূহ সংৰক্ষণৰ গুৰুত্ব আৰোপ কৰে।


No. PMB-380/15th FC (Tied Grant. 2nd Inst.)/2023-24/2026/729 Date: 03/06/2026

**NOTICE INVITING TENDER**

The Executive Officer, Pathsala Municipal Board, Pathsala invites sealed tenders in the prescribed form eventually to be drawn in PWD F-2 Form/Departmental form for the works in the given below with a validity period of 180 days, affixing court fe stamp of Rs. 8.25 (Rupees Eight and paisa Twenty Five) only from Government Register Contractor of Class-I, II & III under APWD (Roads & Building) for the year 2025-26 as applicable having past experience of executing work of similar nature and will be received by the undersigned upto 2.00 P.M. on 15/06/2026 and will be opened on the same date at 2.30 P.M. in presence of the intending tenders or their authorize agents. If the office happens to be closed on the date of receipt of the tenders, the tender will be received and opened at the same place and time on the next working day of the office.

Earnest money at the rate of 2% of the value of the work (1% for ST, SC, OBC and unemployed graduate Engineers) in the form of FD/Call Deposit will have to deposited along with each tender duly pledges to the Executive Officer, Pathsala Municipal Boar, Pathsala. Tender submit without earnest money shall be summarily rejected.

The detailed tender papers may be obtained from office of the undersigned by the intending tenders on payment of Rs. 1,000/- (Rupees One Thousand) only in the form of Bank Draft payable at Pathsala duly pledged to the Executive Officer, Pathsala Municipal Board, Pathsala for each tender which is non refundable during the office hours on 11/06/2026 Ôï 12/06/2026 upto 2.00 P.M. No. tender will be issued after the date.

| No. | Name of Work | Approx. value of the work | Earnest money | Time of Completion |
|---|---|---|---|---|
| 1 | Construction of Public Toilet (Pay & Use) at Bajali District Territorial Building Division Campus Ward No. 3 under 15th FC Tied Grant (2nd Instt.) for the year 2023-24 during the year 2024-25. | Rs. 19,33,987.00 | Rs. 38,680.00 | 3 Months |
| 2 | Construction of Public Toilet (Pay & Use) at Dologosai Than Ward No. 9 under 15th FC Tied Grant (2nd Instt.) for the year 2023-24 during the year 2024-25 | Rs. 19,33,987.00 | Rs. 38,680.00 | 3 Months |
| 3 | Construction of RCC Cover Storm Water Drain at Seujnagar Path (East Side) Ward No. 01 under 15th FC Untied Grant (2nd Instt.) for the year 2020-21 during the year 2021-22. | Rs. 13,27,547.00 | Rs. 26,551.00 | 3 Months |

Details of works, terms and conditions may be seen in the office of the Executive Officer, Pathsala Municipal Board during office hours from 04/06/2026 to 15/06/2026 upto 2.00 P.M. which are included in detailed NIT documents.

Executive Officer
No. PMB-380/15th FC (Tied Grant. 2nd Inst.)/2023-24/2026 Pathsala Municipal Board Pathsala

দৈনিক বাতৰি বাকাত

৯ জুন, মঙলবাৰ, ২০২৬



# সম্পাদকীয় বিশেষ

## শিক্ষা কেৱল ডিগ্ৰী নহয় ঃ অসমৰ সোণালী শিক্ষাধাৰাৰ পুনৰস্মৰণ - এক আত্মবিশ্লেষণ

■ গুণমনি কলিতা

**ভূমিকাঃ**

অসমৰ শিক্ষা ব্যৱস্থাৰ ইতিহাস এক দীঘলীয়া, গৌৰৱময় আৰু গভীৰ অৰ্থবহ যাত্ৰা। এই ইতিহাস কেৱল বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয় স্থাপনৰ কাহিনী নহয়, ই অসমীয়া সমাজৰ বৌদ্ধিক বিকাশ, নৈতিক চেতনাৰ গঢ়ন আৰু সাংস্কৃতিক পৰিচয়ৰ এক জীৱন্ত দলিল। শিক্ষা সমাজৰ আয়না। সেয়েহে তুলনামূলক আলোচনাৰ জৰিয়তে অসমৰ শিক্ষাৰ সোণালী যুগক স্মৰণ কৰা মানে কেৱল অতীতৰ গৌৰৱ গোৱা নহয়, বৰ্তমানৰ বাস্তৱতাক আত্মসমালোচনাৰ দৃষ্টিৰে চোৱা আৰু ভৱিষ্যতৰ বাবে এক সুস্থ পথ নিৰ্ধাৰণ কৰাটোৱেই ইয়াৰ মূল উদ্দেশ্য।

**তেতিয়াৰ শিক্ষা ঃ জীৱনমুখী আৰু মূল্যবোধভিত্তিক ব্যৱস্থা**

প্ৰাচীন অসমত শিক্ষা জীৱনৰ সৈতে অংগাংগীভাৱে জড়িত আছিল। গুৰুকুল, আশ্ৰম, সত্ৰ আৰু ৰাজসভাসমূহ আছিল শিক্ষাৰ মুখ্য কেন্দ্ৰ। সেই সময়ত শিক্ষা কেৱল পঢ়া-লেখাৰ সীমাত আবদ্ধ নাছিল, ই আছিল মানুহ গঢ়াৰ এক পবিত্ৰ দায়িত্ব।

গুৰুকুল পদ্ধতিত শিষ্যসকলে গুৰুৰ সান্নিধ্যত বাস কৰি শিক্ষা গ্ৰহণ কৰিছিল। গুৰুৰ পৰা শিষ্যই কেৱল বিদ্যাই নহয়, শিষ্টাচাৰ, নম্ৰতা, আত্মনিয়ন্ত্ৰণ, সততা আৰু সমাজৰ প্ৰতি কৰ্তব্যবোধ শিকিছিল। গুৰু-শিষ্যৰ সম্পৰ্ক আছিল গভীৰ আৰু আন্তৰিক। গুৰুক কেৱল শিক্ষক নহয়, জীৱনৰ পথপ্ৰদৰ্শক হিচাপে গণ্য কৰা হৈছিল।

বেদ, দৰ্শন, ব্যাকৰণ, জ্যোতিষ, আয়ুৰ্বেদ, কৃষি, সংগীত, নৃত্য আৰু অস্ত্ৰবিদ্যাৰ দৰে বিষয়সমূহে শিক্ষাক বহুমুখী কৰি তুলিছিল। চীনদেশীয় পণ্ডিত হিউয়েন চাঙে কামৰূপক বিদ্যাপ্ৰেমী আৰু পণ্ডিতসকলৰ ভূমি বুলি উল্লেখ কৰিছিল। ৰাজা ভাস্কৰবৰ্মনৰ দৰে শাসকে বিদ্বানসকলক পৃষ্ঠপোষকতা কৰি অসমক এক গুৰুত্বপূৰ্ণ জ্ঞানকেন্দ্ৰলৈ ৰূপান্তৰিত কৰিছিল। তেতিয়াৰ সমাজত শিক্ষা আছিল মৰ্যাদা আৰু গৌৰৱৰ প্ৰতীক।

**সত্ৰ ব্যৱস্থা ঃ শিক্ষাৰ সোণালী যুগৰ উজ্জ্বল অধ্যায়**

শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা সত্ৰ ব্যৱস্থা অসমৰ শিক্ষাৰ ইতিহাসত এক যুগান্তকাৰী অধ্যায়। সত্ৰসমূহ কেৱল ধৰ্মীয় প্ৰতিষ্ঠান নাছিল, ই আছিল শিক্ষা, সাহিত্য, সংগীত, নৃত্য আৰু সামাজিক সংস্কাৰৰ কেন্দ্ৰ।

সত্ৰসমূহত অসমীয়া ভাষাত সাহিত্য ৰচনা হৈছিল। কীৰ্তন, নামঘোষা, ভাগৱত আদিৰ জৰিয়তে ভাষা আৰু ভাবধাৰা সমৃদ্ধ হৈছিল। সংগীত, অংকীয়া নাট আৰু সত্ৰীয়া নৃত্যৰ শিক্ষা দিয়া হৈছিল। জাতি-পাতি বা সামাজিক বিভাজন নোহোৱাকৈ সকলোকে শিক্ষা লাভৰ সুযোগ দিয়া হৈছিল। নৈতিকতা, সমতা আৰু ভাতৃত্ববোধ এই ব্যৱস্থাৰ মূল আধাৰ আছিল।

এই ব্যৱস্থাই শিক্ষাক সমাজৰ সৈতে গভীৰভাৱে সংযুক্ত কৰিছিল। শিক্ষা মানুহক সমাজৰ পৰা বিচ্ছিন্ন কৰা নাছিল, বৰং সমাজ গঢ়াৰ এক শক্তিশালী আহিলা হিচাপে ব্যৱহৃত হৈছিল। সেয়েহে এই সময়ছোৱাক অসমৰ শিক্ষাৰ সোণালী যুগ বুলি কোৱা হয়।

**আহোম যুগ ঃ ব্যৱহাৰিক শিক্ষাৰ বিকাশ**

আহোম শাসনকালত শিক্ষাই ব্যৱহাৰিক আৰু প্ৰশাসনিক ৰূপ লাভ কৰিছিল। যদিও আনুষ্ঠানিক বিদ্যালয় কম আছিল, তথাপি প্ৰশাসন, সামৰিক ব্যৱস্থা, জলসিঞ্চন, স্থাপত্য আৰু ইতিহাস সংৰক্ষণত শিক্ষিত লোকৰ গুৰুত্ব আছিল।

'বুৰঞ্জী'সমূহে সেই সময়ৰ লিখন দক্ষতা, ইতিহাস সচেতনতা আৰু বৌদ্ধিক উৎকৰ্ষৰ স্পষ্ট প্ৰমাণ দিয়ে। শিক্ষা আছিল শাসন ব্যৱস্থাৰ সহায়ক আৰু সমাজৰ স্থিতিশীলতাৰ এক মূল আধাৰ।

**ঔপনিবেশিক যুগ ঃ** আধুনিক শিক্ষাৰ সূচনা

উনবিংশ শতিকাত ব্ৰিটিছ শাসনৰ সৈতে অসমত আধুনিক শিক্ষা ব্যৱস্থাৰ সূচনা হয়। বিদ্যালয় স্থাপন, শ্ৰেণীবদ্ধ পাঠদান, পাঠ্যপুথি আৰু পৰীক্ষা পদ্ধতিয়ে শিক্ষাক এক নতুন ৰূপ প্ৰদান কৰে। ইংৰাজী ভাষা, বিজ্ঞান, গণিত, ইতিহাস আৰু ভূগোলৰ দৰে বিষয় অন্তৰ্ভুক্ত হয়।

কটন কলেজৰ দৰে প্ৰতিষ্ঠানে অসমৰ আধুনিক শিক্ষাৰ ভেটি মজবুত কৰে। যদিও এই শিক্ষাই স্থানীয় ভাষা আৰু পৰম্পৰাক কিছু পৰিমাণে আঘাত কৰিছিল, তথাপি ই বিজ্ঞানমনস্কতা, যুক্তিবাদ আৰু আধুনিক চিন্তাধাৰাৰ দুৱাৰ মুকলি কৰিছিল।

**এতিয়াৰ শিক্ষাঃ প্ৰযুক্তি আৰু প্ৰতিযোগিতাৰ যুগ**

বৰ্তমান সময়ত অসমৰ শিক্ষা ব্যৱস্থাই অভূতপূৰ্ব বিস্তাৰ লাভ কৰিছে। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় প্ৰায় সকলো অঞ্চলতে উপলব্ধ। সাক্ষৰতাৰ হাৰ বৃদ্ধি পাইছে আৰু নাৰী শিক্ষাই উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে।

প্ৰযুক্তিনিৰ্ভৰ শিক্ষা, স্মাৰ্ট ক্লাছৰুম, অনলাইন পাঠদান আৰু প্ৰতিযোগিতামূলক পৰীক্ষাই শিক্ষাক অধিক গতিশীল কৰি তুলিছে। দুৰ্গম অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলেও এতিয়া বিশ্বব্যাপী জ্ঞানৰ সৈতে সংযুক্ত হ'ব পাৰিছে।

**এটা উদ্বেগজনক বাস্তৱতা ঃ শিক্ষকৰ প্ৰতি অসন্মান**

এই সকলো অগ্ৰগতিৰ মাজতো এক দুখজনক বাস্তৱতা স্পষ্ট হৈ উঠিছে। কিছুমান ছাত্ৰ-ছাত্ৰী আৰু বিশেষকৈ কিছুমান প্ৰাক্তন ছাত্ৰৰ মাজত শিক্ষক আৰু জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধাৰ অভাৱ দেখা গৈছে।

যিসকলে শিক্ষকৰ জ্ঞান, শ্ৰম আৰু ত্যাগৰ বলতেই আজি জীৱনত সুপ্ৰতিষ্ঠিত, তেওঁলোকেই কেতিয়াবা নিজৰ শিক্ষকক অৱহেলা কৰা দেখা যায়। শিক্ষকক কোনো ধন-সম্পদ নালাগে। তেওঁলোকে কেৱল শ্ৰদ্ধা আৰু কৃতজ্ঞতা আশা কৰে। সেই সামান্য মানবিক স্বীকৃতি নাপালে ই শিক্ষকৰ অন্তৰত গভীৰ আঘাত দিয়ে। এই আঘাত বাহিৰত দেখা নাযায়, কিন্তু ই শিক্ষকৰ মনোবল আৰু আত্মবিশ্বাসক ভিতৰৰ পৰা ক্ষতিগ্ৰস্ত কৰে।

ছাত্ৰসমাজৰ প্ৰতি এক আহ্বান

ছাত্ৰসমাজেই সমাজৰ ভৱিষ্যৎ। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি এইয়া এক বিনীত আহ্বান- আপোনালোকৰ জীৱনত যিসকলে পথ দেখুৱালে, শাসন কৰিলে আৰু অনুপ্ৰেৰণা দিলে, সেই শিক্ষকসকলক কেতিয়াও পাহৰি নাযাব।

শিক্ষকক সন্মান জনোৱা মানে কেৱল ব্যক্তিগত শিষ্টাচাৰ নহয়, ই শিক্ষাৰ পৰম্পৰা আৰু সংস্কৃতিক সন্মান জনোৱা। আধুনিকতা মানে অসভ্যতা নহয়। জ্ঞানৰ সৈতে নম্ৰতা আৰু সফলতাৰ সৈতে কৃতজ্ঞতা থাকিলেহে শিক্ষা সম্পূৰ্ণ হয়।

**সাৰমৰ্মঃ**

অসমৰ শিক্ষাৰ সোণালী যুগ কেৱল অতীতৰ স্মৃতি নহয়, ই আমাৰ বাবে এক জীৱন্ত আদৰ্শ। তেতিয়াৰ শিক্ষাই জ্ঞানৰ লগতে চৰিত্ৰ গঢ়িছিল। আজিৰ শিক্ষাই সুযোগ আৰু প্ৰযুক্তি দিছে। এই দুয়োটাৰ মাজত সুস্থ সমন্বয় ঘটাব পাৰিলেহে অসমৰ শিক্ষা ব্যৱস্থাই সঁচা অৰ্থত সফলতা লাভ কৰিব।

শিক্ষক, ছাত্ৰ আৰু সমাজ-এই তিনিও যদি শ্ৰদ্ধা, নৈতিকতা আৰু দায়িত্ববোধৰ আধাৰত একেলগে আগবঢ়ে, তেন্তে অসম পুনৰ এক জ্ঞানসমৃদ্ধ, মানবিক আৰু আদৰ্শ সমাজ হিচাপে গঢ় লৈ উঠিব। তেতিয়া আৰু এতিয়াৰ শিক্ষাৰ মাজত সেই সোণালী সেতুখনেই অসমৰ উজ্জ্বল ভৱিষ্যৎ নিশ্চিত কৰিব।

## আমি আজিৰ প্ৰজন্ম কেঁচাতেজৰ গোন্ধ আমাৰ ভাল নালাগে, হত্যাৰ প্ৰতিযোগিতা আমি নিবিচাৰোঁ

■ আসাদ মদনী

সংঘৰ্ষৰ জুইত শান্ত অসমক নিক্ষেপ কৰিবলৈ কেইজনমানে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে উঠি-পৰি লাগিছে। তাত ইন্ধন যোগাই আছে একাংশ পৰ্টেলাৰ আৰু কাম কৰি খাব নোৱাৰা তথাকথিত content creator. তেওঁলোকৰ উচটনিমূলক পঁষ্ট আৰু মন্তব্যই সামাজিক মাধ্যমত তৰ্ক-বিতৰ্ক আৰু উচটনিমূলক পৰিস্থিতিৰ সৃষ্টি কৰিছে। এনে পৰিস্থিতিত সকলোকে সংযম আৰু ধৈৰ্য্য ধাৰণ কৰাৰ বাবে বিনম্ৰতাৰে অনুৰোধ জনালোঁ। আমি আজিৰ প্ৰজন্ম, কেঁচাতেজৰ গোন্ধ আমাৰ ভাল নালাগে। হত্যাৰ প্ৰতিযোগিতা আমি নিবিচাৰোঁ।

সময় বৰ সংবেদনশীল। খং, ক্ষোভ বা আৱেগৰ বশৱৰ্তী হৈ এনে কোনো কাম নকৰিব যাৰ বাবে পিছত অনুতাপ কৰিবলগীয়া হয়। নিজৰ আৱেগক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে কেইদিনমান সামাজিক মাধ্যমৰ তৰ্ক-বিতৰ্ক আৰু উচটনিমূলক আলোচনা এৰাই চলক। বিশেষকৈ আমাৰ ইছলাম ধৰ্মাৱলম্বীসকলক অনুৰোধ-অপ্ৰয়োজনীয় যুক্তি, তৰ্ক, প্ৰশ্ন বা বিবৰণ দাঙি ধৰাৰ পৰা বিৰত থাকক।

আনে কি কৰিলে বা নকৰিলে সেইবোৰ খুচৰি ফুৰাতকৈ আমি নিজৰ আচৰণ, নিজৰ সমাজ আৰু নিজৰ দায়িত্বসমূহ ঠিক কৰাত অধিক মনোযোগ দিয়া উচিত।

হজৰত মহম্মদ (ছঃ)-ৰ জীৱন আমাৰ বাবে সৰ্বোত্তম আদৰ্শ। তেখেতে নিজৰ শত্ৰু, অত্যাচাৰী আৰু বিদ্বেষ পোষণ কৰাসকলৰ প্ৰতিও দয়া, ক্ষমা আৰু সদাচৰণ প্ৰদৰ্শন কৰিছিল। যদি আমি প্ৰকৃতাৰ্থত তেখেতক মানো, তেন্তে তেখেতৰ এই শিক্ষাবোৰো মানি চলিব লাগিব।

মুছলমানৰ আল্লাহে শান্তি ভাল পায়, হিন্দুৰ ভগৱানেও শান্তিৰ পথেহে দেখুৱায়। সেয়ে ঘৃণাৰ পৰিবৰ্তে সম্প্ৰীতি, প্ৰতিশোধৰ পৰিবৰ্তে ন্যায় আৰু উত্তেজনাৰ পৰিবৰ্তে সংযম বাচি লওঁ আহঁক।

দূৰভাষ ঃ ৬০০৩২-১৪১৩১

## ডিজিটেল ব্যাধিঃ অনলাইন গেমিং আৰু বিপথগামী যুৱপ্ৰজন্ম

■ নলিনী ৰঞ্জন ভূঞা

বৰ্তমান সময়ত দৈনিক বাতৰিকাকত খন হাতত ল'লেই এটা অত্যন্ত উদ্বেগজনক ছবি আমাৰ চকুৰ আগত ভাঁহি উঠে- সেয়া হৈছে নৱপ্ৰজন্মৰ একাংশৰ বিপথে গমন আৰু ক্ৰমবৰ্ধমান অসামাজিক কৰ্মকাণ্ডৰ খতিয়ান। হত্যা, হিংসা, চুৰি-ডকাইতি, মানসিক অৱসাদ আৰু ড্ৰাগছৰ দৰে মাৰাত্মক নিচাত যুৱসমাজ বুৰ যোৱাৰ বাতৰিয়ে আজি প্ৰতিগৰাকী সচেতন নাগৰিকৰ বিবেকক জোকাৰি গৈছে। দিনক দিনে বৃদ্ধি পাই অহা এনে অবিবেচক আৰু দিশহাৰা কৰ্মকাণ্ডই আমাৰ সুস্থ-সবল সমাজখনৰ ভৱিষ্যতলৈ এক ভয়ানক অশনি সংকেত কঢ়িয়াই আনিছে। এই দিশটো গভীৰভাৱে পৰ্যবেক্ষণ কৰিলে দেখা যায় যে, এই সামগ্ৰিক অৱক্ষয়ৰ অন্তৰালত থকা অন্যতম মূল কাৰক হৈছে বৰ্তমান আমাৰ প্ৰত্যেকৰে হাতে হাতে থকা 'স্মাৰ্টফোন'টো।

সম্প্ৰতি তথ্য-প্ৰযুক্তিৰ অভূতপূৰ্ব বিপ্লৱৰ ফলশ্ৰুতিত মানুহৰ হাতৰ মুঠিত বন্দী হোৱা এই সৰু যন্ত্ৰটো আচলতে এখন বিশাল মহাসাগৰ সদৃশ। যিদৰে সাগৰৰ বুকু মণি-মুক্তাৰে পৰিপূৰ্ণ হৈ আছে, ঠিক সেইদৰেই ইয়াৰ অতল গহ্বৰত লুকাই থাকে ভয়ানক হাংগৰ বা চুনামীৰ দৰে ধ্বংসাত্মক উপাদান সমূহো। ঠিক সেইদৰে মোবাইল ফোনটোত ভাল-বেয়া সকলো বিষয়ৰে পূৰ্ণ হৈ আছে। জ্ঞান-বিজ্ঞান, শিক্ষা আৰু তথ্যৰ ভঁৰাল স্বৰূপ এই মোবাইল ফোনটো যিমান যোগাত্মক হ'ব পাৰে, ইয়াৰ অনিয়ন্ত্ৰিত আৰু অপপ্ৰয়োগৰ দিশটো সিমানেই ভয়ংকৰ। এই মায়াবী স্ক্ৰীণখনৰ ভিতৰত সোমাই থকা অতি সহজে উপলব্ধ আৰু বৰ্তমান যুৱসমাজক তিলতিলকৈ ধ্বংসৰ মুখলৈ ঠেলি দিয়া এক আটাইতকৈ মাৰাত্মক অদৃশ্য ব্যাধি হৈছে- অনলাইন গেমিং।

যি সময়ত অসমৰ দৰে এখন ৰাজ্যৰ যুৱ শক্তিয়ে জ্ঞান, বিজ্ঞান, সংস্কৃতি আৰু নতুন সৃষ্টিশীল চিন্তাৰে সমাজখনক আগুৱাই লৈ যাব লাগিছিল, সেই সময়ত তেওঁলোকৰ এক বৃহৎ অংশই দিনটোৰ অধিকাংশ সময় মোবাইলৰ পৰ্দাত আঙুলি বুলাই কটাই দিছে। এই প্ৰৱণতাই আমাৰ সমগ্ৰ সমাজ ব্যৱস্থালৈ এক গভীৰ সংকট নমাই আনিছে, যাৰ নেতিবাচক প্ৰভাৱ এতিয়া প্ৰতিখন ঘৰতে অনুভৱ কৰা গৈছে। অনলাইন গেমিঙৰ এই ভয়াবহ প্ৰসাৰৰ আঁৰত কেইবাটাও মনস্তাত্ত্বিক, ব্যৱসায়িক আৰু কাৰিকৰী কাৰণ লুকাই আছে। অন লাইনত ক্ৰীড়া প্ৰস্তুতকৰ্তা প্ৰতিষ্ঠানসমূহৰ মূল লক্ষ্যই হ'ল ব্যৱসায়িক লাভালাভ। তেওঁলোকে মানুহৰ, বিশেষকৈ কোমলমতীয়া শিশু আৰু যুৱক-যুৱতীসকলৰ মনস্তত্ত্বক অতি গভীৰভাৱে অধ্যয়ন কৰি এই খেলসমূহ তৈয়াৰ কৰে।

বিগত কেইটামান বছৰত, বিশেষকৈ মাৰাত্মক কভিদ মহামাৰীৰ পিছৰ কালছোৱাত উচ্চ গতিসম্পন্ন ইণ্টাৰনেটৰ সুলভতাই এই অনলাইন গেমসমূহক প্ৰতিখন ঘৰৰ ভিতৰলৈ নিৰৱে সুমুৱাই দিলে।

অনলাইন গেম সমূহে কৃত্ৰিম আনন্দ বা বাৰে বাৰে জিকিবলৈ যোৱাৰ প্ৰত্যাহ্বান সৃষ্টি কৰি খেলুৱৈসকলক খেলখনৰ প্ৰতি এক নিচাত পৰিণত কৰে। সম্প্ৰতি দ্ৰুত আৰু সুলভ ইণ্টাৰনেট সেৱা তথা অতি কম মূল্যতে স্মাৰ্টফোন উপলব্ধ হোৱাৰ বাবে গাঁৱে-ভূঞে, চহৰে-নগৰে সকলো স্থানতে ইয়াৰ প্ৰভাৱ বিস্তাৰিত হৈছে। বিগত সময়ছোৱাত সমগ্ৰ শিক্ষা ব্যৱস্থা অনলাইন মাধ্যমলৈ ৰূপান্তৰিত হৈছিল আৰু সেইবাবে প্ৰতিগৰাকী শিক্ষাৰ্থীৰে হাতত মক্কবাইল ফোন এক অপৰিহাৰ্য সামগ্ৰী হৈ পৰিছিল। শিক্ষাৰ দোহাই দি হাতলৈ অহা এই সঁজুলিবিধেই পৰৱৰ্তী সময়ত আসক্তিৰ প্ৰধান কাৰণ হৈ পৰিল, যাৰ প্ৰভাৱ বৰ্তমান ক্ৰমাগত ভাৱে বৃদ্ধি পোৱা দেখা গৈছে।

বৰ্তমান ইণ্টাৰনেটৰ জগতত মূলতঃ দুটা ৰূপত অনলাইন গেমিঙে খোপনি পুতিছে- প্ৰথমটো হ'ল অত্যন্ত হিংস্ৰতাৰে ভৰা একশ্যন বা যুদ্ধভিত্তিক গেম, যেনে 'পাবজি', 'ফ্ৰী ফায়াৰ', 'কল অব ডিউটি' ইত্যাদি। আনহাতে আটাইতকৈ ভয়ংকৰ ৰূপটো হ'ল 'অনলাইন কেচিনো' বা বিভিন্ন বেটিং এপত ধনৰ বিনিময়ত খেলা অনলাইন জুৱা।

এই খেলসমূহ এনেধৰণৰ উন্নত গ্ৰাফিক্স আৰু কৃত্ৰিম বুদ্ধিমত্তাৰে তৈয়াৰ কৰা হয়, যাৰ ফলত কোমলমতীয়া কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীসকলে বাস্তৱ জগতখন পাহৰি এক ভাৰ্চুৱেল বা কৃত্ৰিম জগতত আবদ্ধ হৈ পৰে। মনোবিজ্ঞানীসকলৰ মতে, এই খেলসমূহে মানুহৰ মগজুত এক ক্ষণস্থায়ী উত্তেজনা বা ডোপামিনজ্ঞ নামৰ হৰমনৰ ক্ষৰণ বৃদ্ধি কৰে, যাৰ ফলত খেলুৱৈজন অলক্ষিতে ইয়াৰ চৰম নিচাত বন্দী হৈ পৰে। এই নিচাক বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে 'গেমিং ডিছঅৰ্ডাৰ' অৰ্থাৎ এক মানসিক ব্যাধি বুলি ঘোষণা কৰিছে।

(গেমিং ডিছঅৰ্ডাৰ হৈছে অনলাইন বা ভিডিঅ' গেমৰ প্ৰতি সৃষ্টি হোৱা এক প্ৰকাৰৰ আসক্তি, যাৰ ফলত ব্যক্তিৰ স্বাভাৱিক জীৱন-যাপন, শিক্ষা, স্বাস্থ্য আৰু সামাজিক সম্পৰ্ক ক্ষতিগ্ৰস্ত হয়।) বৰ্তমান সময়ৰ বহু অনলাইন খেলেই কেৱল বিনোদন নহয়, বৰঞ্চ ই একো একোটা ছদ্মবেশী আৰু মাৰাত্মক জুৱা খেললৈ ৰূপান্তৰিত হৈছে। বহু খেলত আগবাঢ়ি যাবলৈ, খেলৰ শক্তিশালী সঁজুলি, কৃত্ৰিম সাজ-পোছাক বা চৰিত্ৰ ক্ৰয় কৰিবলৈ ধনৰ প্ৰয়োজন হয়। তদুপৰি, বৰ্তমান সময়ত টকা জিকা খেল বা চৰকাৰীভাৱে স্বীকৃতি নথকা বিভিন্ন বাজি ধৰা খেলসমূহৰ প্ৰতি যুৱ প্ৰজন্ম তীব্ৰভাৱে আকৰ্ষিত হৈছে। কম সময়ৰ ভিতৰতে কোনো শাৰীৰিক বা মানসিক পৰিশ্ৰম নকৰাকৈ চহকী হোৱাৰ লোভ দেখুৱাই এই মায়াবী বিজ্ঞাপনে হাজাৰ হাজাৰ যুৱকক সৰ্বস্বান্ত কৰিছে।

*এই ভয়াবহ ব্যাধিৰ পৰা সমাজখনক ৰক্ষা কৰিবলৈ হ'লে কেৱল চৰকাৰ বা আইনৰ মুখলৈ চাই থাকিলে নহ'ব, ইয়াত পৰিয়াল আৰু সমাজৰ ভূমিকাও আটাইতকৈ গুৰুত্বপূৰ্ণ। এককথাত যুৱ সমাজক মুক্ত কৰিবলৈ হ'লে প্ৰথমতেই প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব পৰিয়াল তথা পিতৃ-মাতৃয়ে। বৰ্তমান সময়ত বহু পিতৃ-মাতৃয়ে নিজৰ কৰ্মব্যস্ততাৰ বাবে বা সন্তানক শান্ত কৰি ৰাখিবলৈ অতি কম বয়সতে সন্তানৰ হাতত মোবাইল ফোন তুলি দিয়ে। এই মাৰাত্মক ভুল কৰ্মটো সমাজৰ পৰা আঁতৰাব লাগিব। সন্তানক সৰুৰে পৰা মোবাইলৰ পৰিবৰ্তে পৰম্পৰাগত খেলনা, চিত্ৰকলাৰ সঁজুলি, সাধুকথা বা জ্ঞানবৰ্ধক কিতাপ আদিৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। পিতৃ-মাতৃয়ে সন্তানৰ সৈতে গুণগত সময় কটোৱাটো অত্যন্ত প্ৰয়োজন। সন্তানৰ মনৰ কথা বুজিবলৈ চেষ্টা কৰিব লাগিব। সিহঁতে দিনটো কি কৰিছে, মোবাইলত কি চাই আছে বা কি খেল খেলি আছে, সেই সকলোবোৰৰ ওপৰত বন্ধুসুলভ ভাৱে তীক্ষ্ণ চকু ৰাখিব লাগিব। প্ৰয়োজন সাপেক্ষে মোবাইল ফোনত অভিভাৱকীয় নিয়ন্ত্ৰণ সঁজুলি ব্যৱহাৰ কৰি ক্ষতিকাৰক ৱেবছাইট বা খেলসমূহ বন্ধ কৰি ৰাখিব লাগে। ঘৰুৱা পৰিৱেশটো সদায় আনন্দময়, মুকলি আৰু সজীৱ কৰি ৰাখিলে সন্তানৰ মোবাইলৰ কৃত্ৰিম জগতখনৰ আশ্ৰয় লোৱাৰ প্ৰৱণতা বহুখিনি হ্ৰাস পাব।*

এই ডিজিটেল নিচা কেৱল এটা খেলতেই আৰম্ভ হৈ থকা নাই, ই ক্ৰমান্বয়ে আমাৰ সামাজিক কুণ্ডলীবোৰ খহাই পেলাইছে। অনলাইন গেমিঙৰ প্ৰথম চিকাৰ হৈছে ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলৰ সৃষ্টিশীলতা, পঢ়া-শুনা আৰু শাৰীৰিক স্বাস্থ্য। খেলৰ মায়াজালত আবদ্ধ হৈ নৱপ্ৰজন্ম খেলপথাৰৰ পৰা আঁতৰি আহিছে, যাৰ ফলত তেওঁলোকৰ মাজত শাৰীৰিক স্থূলতা, দৃষ্টিশক্তি হ্ৰাস পোৱা আৰু অনিদ্ৰাৰ দৰে সমস্যাই গা কৰি উঠিছে। আটাইতকৈ ভয়লগা দিশটো হ'ল, হিংস্ৰ গেমে যুৱ মানসিকতাকো হিংস্ৰ কৰি তোলে। খেলত জিকিব নোৱাৰিলে বা ইণ্টাৰনেটৰ গতি লেহেমীয়া হ'লে তেওঁলোক চৰম খং আৰু মানসিক অৱসাদৰ চিকাৰ হয়। বাতৰিকাকতত প্ৰকাশ পোৱা বহু অসামাজিক ঘটনাৰ সূত্ৰপাত ইয়াৰ পৰাই হৈছে বুলিব পাৰি। খেলৰ ভিতৰত আৰম্ভ থকা ভাৰ্চুৱেল অস্ত্ৰ-শস্ত্ৰ বা 'স্কিন' ক্ৰয় কৰিবলৈ গৈ বহুতে পিতৃ-মাতৃৰ বেংক একাউণ্টৰ পৰা মনে মনে লাখ লাখ টকা খৰচ কৰি পেলাইছে। তেতিয়া এই চুৰি ধৰা পৰে বা টকাৰ নাটনি হয়, তেতিয়াই তেওঁলোকে ঘৰৰ সা-সম্পত্তি বিক্ৰী কৰা, চুৰি কাৰ্যত জৰিত হৈ পৰা বা ড্ৰাগছ সৰবৰাহকাৰীৰ কবলত পৰাৰ দৰে চৰম অপৰাধমূলক পথ বাছি লয়। আনকি, ধৰা পৰাৰ ভয়ত বা গেমিং একাউণ্ট হেৰুওৱাৰ বেদনাত বহু উদীয়মান যুৱকে আত্মহনন কৰাৰ দৰে শিহৰণকাৰী ঘটনাও আজি আমাৰ সমাজত নোহোৱাকৈ থকা নাই।

এই ভয়াবহ ব্যাধিৰ পৰা সমাজখনক ৰক্ষা কৰিবলৈ হ'লে কেৱল চৰকাৰ বা আইনৰ মুখলৈ চাই থাকিলে নহ'ব, ইয়াত পৰিয়াল আৰু সমাজৰ ভূমিকাও আটাইতকৈ গুৰুত্বপূৰ্ণ। এককথাত যুৱ সমাজক মুক্ত কৰিবলৈ হ'লে প্ৰথমতেই প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব পৰিয়াল তথা পিতৃ-মাতৃয়ে। বৰ্তমান সময়ত বহু পিতৃ-মাতৃয়ে নিজৰ কৰ্মব্যস্ততাৰ বাবে বা সন্তানক শান্ত কৰি ৰাখিবলৈ অতি কম বয়সতে সন্তানৰ হাতত মোবাইল ফোন তুলি দিয়ে। এই মাৰাত্মক ভুল কৰ্মটো সমাজৰ পৰা আঁতৰাব লাগিব। সন্তানক সৰুৰে পৰা মোবাইলৰ পৰিবৰ্তে পৰম্পৰাগত খেলনা, চিত্ৰকলাৰ সঁজুলি, সাধুকথা বা জ্ঞানবৰ্ধক কিতাপ আদিৰ প্ৰতি আকৰ্ষিত কৰিব লাগিব। পিতৃ-মাতৃয়ে সন্তানৰ সৈতে গুণগত সময় কটোৱাটো অত্যন্ত প্ৰয়োজন। সন্তানৰ মনৰ কথা বুজিবলৈ চেষ্টা কৰিব লাগে। সিহঁতে দিনটোত কি কৰিছে, মোবাইলত কি চাই আছে বা কি খেল খেলি আছে, সেই সকলোবোৰৰ ওপৰত বন্ধুসুলভ ভাৱে তীক্ষ্ণ চকু ৰাখিব লাগিব। প্ৰয়োজন সাপেক্ষে মোবাইল ফোনত অভিভাৱকীয় নিয়ন্ত্ৰণ সঁজুলি ব্যৱহাৰ কৰি ক্ষতিকাৰক ৱেবছাইট বা খেলসমূহ বন্ধ কৰি ৰাখিব লাগে। ঘৰুৱা পৰিৱেশটো সদায় আনন্দময়, মুকলি আৰু সজীৱ কৰি ৰাখিলে সন্তানৰ মোবাইলৰ কৃত্ৰিম জগতখনৰ আশ্ৰয় লোৱাৰ প্ৰৱণতা বহুখিনি হ্ৰাস পাব।

কেৱল পৰিয়ালেই নহয়, এই সামাজিক ব্যাধি প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহৰো এক বৃহৎ জাতীয় দায়িত্ব আছে। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত কেৱল কিতাপৰ পাঠদান বা পৰীক্ষা কেন্দ্ৰিক শিক্ষাতে সীমাবদ্ধ নাথাকি শিক্ষাৰ্থীসকলৰ মাজত অনলাইন গেমিঙৰ ভয়াবহতা আৰু চাইবাৰ অপৰাধৰ সন্দৰ্ভত ধাৰাবাহিক সজাগতা সভা আৰু কৰ্মশালা অনুষ্ঠিত কৰিব লাগিব। কম্পিউটাৰ, ইণ্টাৰনেট আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কেৱল জ্ঞান অৰ্জন, কেৰিয়াৰ গঠন আৰু গঠনমূলক কামৰ বাবেহে, আত্মধ্বংসৰ বাবে নহয়- এই সঠিক শিক্ষা শিক্ষাৰ্থীসকলক দিব লাগিব। ইয়াৰ উপৰি, যুৱ ক্লাব, পুথিভঁৰাল বা সাংস্কৃতিক সংগঠনসমূহৰ দায়িত্বও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। তেওঁলোকে স্থানীয় পৰ্যায়ত বিভিন্ন পৰম্পৰাগত খেল-ধেমালি, নাটক, তৰ্ক প্ৰতিযোগিতা, সাহিত্য চৰ্চা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা উচিত। যেতিয়া যুৱ প্ৰজন্মই বাস্তৱ জগতখনত নিজৰ শাৰীৰিক আৰু মানসিক প্ৰতিভা বিকাশৰ বাবে সুযোগ পাব, তেতিয়া তেওঁলোক স্বাভাৱিকতে অনলাইন খেলৰ নিচাৰ পৰা আঁতৰি পৰিব।

দৰাচলতে অনলাইন গেমিঙৰ দৰে বহুজাতিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অতি লাভজনক ব্যৱসায়িক চক্ৰটোক কেৱল সামাজিক সজাগতা বা উপদেশমূলক কথাৰে সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়। ইয়াৰ বাবে চৰকাৰ আৰু আইন প্ৰশাসনৰ কঠোৰ আৰু কাৰ্যক্ষম হস্তক্ষেপৰ অত্যন্ত প্ৰয়োজন। চৰকাৰে যুৱ সমাজৰ বাবে ক্ষতিকাৰক, মানসিক ভাৰসাম্য নষ্ট কৰা আৰু জুৱা সদৃশ সকলো ধৰণৰ অনলাইন খেলৰ ওপৰত আইনীভাৱে সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰা উচিত। ইতিপূৰ্বে আমাৰ দেশৰ কেইবাখনো ৰাজ্যই এনে ধৰণৰ ক্ষতিকাৰক খেল আৰু অনলাইন লটাৰী বা জুৱাৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়ন কৰিছে। উল্লেখযোগ্য যে, শেহতীয়াভাৱে অসম চৰকাৰেও এই ভয়ংকৰ ব্যাধিটোৰ বিৰুদ্ধে এক কঠোৰ 'শূন্য-সহনশীল' নীতি গ্ৰহণ কৰা দেখা গৈছে। বিশেষকৈ অলপতে অসমজুৰি ব্যাপক চৰ্চা লাভ কৰা অনলাইন ট্ৰেডিং আৰু অবৈধ গেমিং এপৰ বৃহৎ কেলেংকাৰীসমূহৰ বিৰুদ্ধে অসম আৰক্ষীৰ চাইবাৰ কোষে যি তীব্ৰ অভিযান চলাই কেইবাজনো মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে, সি সঁচাকৈয়ে আদৰণীয়। চৰকাৰৰ এনে কঠোৰ স্থিতিয়ে সমাজলৈ এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে যে, প্ৰযুক্তিৰ দোহাই দি চলি থকা কোনো ধৰণৰ অবৈধ বৃত্তিকে সহ্য কৰা নহ'ব। যিবোৰ খেলৰ বাবে দেশৰ মানৱ সম্পদ, অৰ্থনীতি আৰু যুৱ প্ৰজন্মৰ জীৱন বিপন্ন হৈছে, সেইবোৰক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ বাবে তথ্য প্ৰযুক্তি আইনৰ সঠিক প্ৰয়োগ হ'ব লাগিব। আৰক্ষীৰ চাইবাৰ অপৰাধ শাখাৰ জৰিয়তে এনেধৰণৰ অবৈধ আৰু ক্ষতিকাৰক খেলসমূহৰ বিজ্ঞাপন আৰু প্ৰসাৰ ৰোধ কৰিবলৈ চৰিশ ঘণ্টাই কঠোৰ নিৰীক্ষণৰ ব্যৱস্থা কৰিব লাগিব। ইণ্টাৰনেট সেৱা প্ৰদানকাৰী কোম্পানীসমূহকো ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মৰ বাবে এক সুৰক্ষিত আৰু ফিল্টাৰযুক্ত নেটৱৰ্ক গঢ়ি তোলাৰ বাবে চৰকাৰীভাৱে বাধ্য কৰাব লাগে।

পৰিশেষত ক'ব পাৰি যে, অনলাইন গেমিঙৰ এই সংহাৰী ৰূপ ৰোধ কৰিবলৈ এতিয়া এক সন্মিলিত আৰু যুদ্ধকালীন প্ৰচেষ্টাৰ প্ৰয়োজন। যি যুৱশক্তিক দেশ আৰু জাতিৰ মেৰুদণ্ড বুলি জ্ঞান কৰা হয়, সেই শক্তিক আজি অনলাইন গেমিঙৰ এক অদৃশ্য কাৰাগাৰে পংগু কৰি পেলাইছে। সময় থাকোতেই যদি পৰিয়াল, শিক্ষানুষ্ঠান, সমাজ আৰু চৰকাৰ একগোট হৈ সজাগ নহয়, তেন্তে আমাৰ ভৱিষ্যত প্ৰজন্ম সম্পূৰ্ণ অন্ধকাৰলৈ গতি কৰাটো নিশ্চিত। প্ৰযুক্তিক আমি আমাৰ প্ৰগতি আৰু বিকাশৰ বাবেহে ব্যৱহাৰ কৰিব লাগিব, আত্মধ্বংসৰ বাবে নহয়। এক সুস্থ, সবল আৰু সৃষ্টিশীল সমাজ গঠনৰ স্বাৰ্থত নৱপ্ৰজন্মক এই ডিজিটেল মায়াজালৰ পৰা মুক্ত কৰাটো এতিয়া সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আৰু অপৰিহাৰ্য ৰাষ্ট্ৰীয় কৰ্তব্য হিচাপে বিবেচিত হৈছে।

দূৰভাষ ঃ ৯৮৫৪৫-২৮৩০৪

# দুঃসময়ৰ কিছু অনুভৱ...

**দৰ্শনা বৰুৱা**

‘ভোকৰ এমুঠি ভাত, বিপদৰ এষাৰি মাত।’ বহু কথাই যেন সোমাই আছে এইষাৰ বাক্য। আমি হেনো জীৱশ্ৰেষ্ঠ মানুহ।. শ্ৰেষ্ঠতা কিহৰ ভিত্তিত নিৰূপণ কৰা হয়নো? সঠিককৈ ক’ব নোৱাৰি। বনৰ জীৱই ভোক নিবাৰণ কৰিবলৈ যিমানখিনি আহাৰ লাগে, সিমানখিনিহে সংগ্ৰহ কৰে। মাংসহাৰী জন্তুৱে আন এটি জীৱ বধ কৰে আহাৰৰ বাবে। পেটৰ ক্ষুদা পূৰণ হ’লে কেইবাদিনলৈকে অনাহাৰে থাকিব পাৰে। কিন্তু আমি মানুহবোৰেৰ ক্ষুধাই কেতিয়াবা পৰিসীমা অতিক্ৰম কৰিব খোজে। প্ৰয়োজনধিক অৰ্থ, খাদ্য, সম্পত্তি আহৰণৰ প্ৰতিযোগিতাত এচামে পাহৰি যায় যে আমি প্ৰকৃততে জীৱন দাৰণৰ বাবেহে খাদ্য গ্ৰহণ কৰো। খাদ্য গ্ৰহণৰৰ বাবেই জীয়াই নাথাকো। অৰ্থ ফৰাৰ্জন প্ৰয়োজনীয়তা পূৰাবৰ বাবেহে। পাহাৰসম সম্পত্তিয়ে আমাক ‘অসম’ কৰিব নোৱাৰে। যশস্যা, সন্মান, প্ৰতিপত্তি শুনিবলৈ ভাল লগা ধাৰণাৰ বাহিৰে যেন একোৱেই নহয়। কিন্তু ‘মানুহ’ হিচাপে জীয়াই থাকি লাভ কৰা আদৰ আৰু মৰমৰ তুলনা নাই। আচলতে আমি সকলো সমান। গভীৰভাৱে লক্ষ্য কৰিলে বুজিম যে পৃথিৱীৰ প্ৰতিজন ব্যক্তিসত্বাই অনন্য। আমি পাৰস্পৰিক নিৰ্ভৰশীলতাৰেহে জীৱন ধাৰণ কৰিব পাৰো। অৰ্থ থাকিলেই সকলো সম্ভৱ নহয়। যদি অৰ্থই সকলো হ’ল হয় এই দুঃসময়ত আমি অৰ্থৰে কিনিব পাৰিছিনো আমাৰ স্বাধীনতা? প্ৰকৃতিৰ ধ্বংসযজ্ঞ কৰি থাকোতে আমি বাৰু ভাবিছিলোনে এদিন আমি গৃহবন্দী হৈ থাকিব লাগিব! আনৰ ওচৰত সহায়ৰ বাবে হাত পাতিব লাগিব। একান্তই সাধাৰণ বুলি গণ্য কৰি অহা পাচলি বেপাৰীজন, মছুৱৈজন বা মাংসৰ বেপাৰীজনৰ যোগাযোগৰ নম্বৰটো এই সময়ত বাৰে বাৰে মনলৈ অহা নাইনে বাৰু? চাফাই কৰ্মীজন, বনকৰা মানুহগৰাকী, ঘৰৰ লগুৱাজন এই সময়ত নথকাৰ বাবে আমি অসুবিধা পোৱা নাইনে? কিন্তু তেওঁলোকক আমি বহুতেই সন্মান নকৰো, প্ৰাপ্য মৰ্টদা নিদিওঁ, নিদিওঁ যথাযথ পাৰিশ্ৰমিক। এৰেহা খাদ্যৰে পান কৰি চাহকাপ বা ভাতসাজ দিওঁতে ভালে চাইছিলোনে তেওঁলোকো আমাৰ দৰেই মানুহ! মাহৰ মূৰত বা দৈনিক টকা কেইটামান দিওঁ কাৰণেই আমি ‘মালিক’ৰ ‘ৰজা’। দৰিদ্ৰতাই মনৰ ভিতৰখন আন্ধাৰ কৰিব নোৱাৰে। ধনৰ দুখীয়া মনৰ দুখীয়া নহ’বও পাৰে, সেইদৰে নহ’ব পাৰে সকলো অভিজাত লোকেই মনৰেও ধনী। আত্মগৰ্ব, অহংকাৰ ধনী দুখীয়া সকলোৰে থাকিব পাৰে। সকলো দুখীয়া মানুহে ‘পুতৌ’ নিবিচাৰে। যিসকল লোক আচলতে মনৰে ভাল বা সৎ তেওঁলোকে অলপতেই সন্তুষ্টি লাভ কৰিব পাৰে। আমি প্ৰত্যক্ষভাৱে এনে কিছুমান অভিজাত লোকৰ সান্নিধ্য লাভ কৰিছো, যিসকলে এনে সংকটৰ সময়ত আৰ্তজনক মুক্তহস্তে, নিস্বাৰ্থভাৱে সহায় কৰিছে। ভোকৰ এমুঠি ভাত দিবলৈ চৰ-চাপৰি, গাঁৱলৈ ধপলিয়াই গৈছে। দিছে এষাৰি মৰমৰ মাত। কিন্তু এচাম লোকৰ বাবে এই মহা সংকটৰ সময়টোও উৎসৱৰ দৰে হৈ পৰিছে। কিছুমান মানুহক যিমান দিলেও নাটে, তেওঁলোক সন্তুষ্ট নহয়। চৰকাৰী আঁচনিৰ সুবিধা পোৱা বিপিএলৰ মনুহ কিছুমানৰ ঘৰত বাইক, ফ্ৰিজ, টিভিৰ মহা বিলাস। কাগজে পত্ৰই ‘দৰিদ্ৰ’ বুলি মোহৰ মাৰি চৰকাৰী চাউল বা আন ৰেচনৰ বস্তু বিক্ৰী কৰিবলৈ এইসকলৰ এচামে ‘লাজ নাপায় আৰু এচাম মানুহ আছে আমাৰ মাজত আৰ্তজানক সহায় কৰাৰ সমান্তৰালকৈ নিজৰো কিছু ‘প্ৰচাৰ’ কৰি সুখ পোৱা। ভাল কামৰ প্ৰচাৰ হ’ব লাগে। কিন্তু সাহায্য হিচাপে এটা কল দিবলৈ দহজন মানুহ গৈ ফটো উঠি প্ৰচাৰ কৰাটো কিহৰ লক্ষণ বাৰু! নিঃসন্দেহে আত্মপ্ৰচাৰ। কিছুমান মানুহে সাহায্যৰ পৰাও নিজৰ বাবে বস্তু সৰকাইছে। দুৰ্নীতিও কৰিছে। তাৰ মাজতে কোনোৱে সাহায্য হিচাপে বহুখিনি পাইছে। তথাপিও তেওঁলোকৰ এটাম অকৃতজ্ঞ। বহুলোকে আকৌ সাহায্য পোৱা নাই। আজিকালি ‘সহায়’ কৰিবলৈ যাওঁতেও বহু ‘অংক’ কৰি আগবঢ়া একাংশও নথকা নহয়। কিন্তু আমি পাহৰিলে নহ’ব যে এই মহাসংকটৰ সময়ত স্বাৰ্থ পৰিহাৰ কৰি সহায় কৰাটোলেই মানৱ ধৰ্ম। খেতি খোল, থলুৱা ব্যৱসায় নকৰি কেৱল বহিঃৰাজ্যত সাধাৰণ চাকৰি এটা কৰি ‘তাও দি থকা সকলেও নিজ ঘৰতে থাকি আত্মসংস্থাপনৰ চিন্তা কৰাটোৱে মংগল। নিজে কম গৌৰৱৰ কথানে বাৰু! কিছু অদৰকাৰী ভেম পৰিহাৰ কৰিব পাৰিলে নিজৰ কাৰণেই ভাল। থলুৱা খাদ্য, শাক-পাত নাখাই কেৱল বিদেশী বিজতৰীয়া খাদ্য খাই ভোজন বিলাসী দেখুৱাই কি পাইনো আমাৰ মাজৰে কিছু সংখ্যকে? খাদ্যাভাষ একান্তই ব্যক্তিগত বিষয়। কিন্তু নিজক কেৱল ‘আপ টু ডেট’ বুলি প্ৰতিপন্ন কৰিবলৈ কচু,

*আজিকালি ‘সহায়’ কৰিবলৈ যাওঁতেও বহু ‘অংক’ কৰি আগবঢ়া একাংশও নথকা নহয়। কিন্তু আমি পাহৰিলে নহ’ব যে এই মহাসংকটৰ সময়ত স্বাৰ্থ পৰিহাৰ কৰি সহায় কৰাটোলেই মানৱ ধৰ্ম। খেতি খোল, থলুৱা ব্যৱসায় নকৰি কেৱল বহিঃৰাজ্যত সাধাৰণ চাকৰি এটা কৰি ‘তাও দি থকা সকলেও নিজ ঘৰতে থাকি আত্মসংস্থাপনৰ চিন্তা কৰাটোৱে মংগল। নিজে কম গৌৰৱৰ কথানে বাৰুহু কিছু অদৰকাৰী ভেম পৰিহাৰ কৰিব পাৰিলে নিজৰ কাৰণেই ভাল। থলুৱা খাদ্য, শাক-পাত নাখাই কেৱল বিদেশী বিজতৰীয়া খাদ্য খাই ভোজন বিলাসী দেখুৱাই কি পাইনো আমাৰ মাজৰে কিছু সংখ্যকে? খাদ্যাভাষ একান্তই ব্যক্তিগত বিষয়। কিন্তু নিজক কেৱল ‘আপ টু ডেট’ বুলি প্ৰতিপন্ন কৰিবলৈ কচু, ঢেকীয়া বা শাক-পাত নোখোৱসকলে এতিয়া অনুভৱ কৰেনে যে আমাৰ খাদ্য প্ৰকৃতিৰেই মহৎ অৱদান। ব্যক্তিগতভাৱে আমি শাকে-পাতে এমুঠি খাদ্য গ্ৰহণ কৰি আছো। কেৱল আকালৰ দিনতহে কঁচু, ঢেকীয়া বিচাৰিলে নহ’ব, ভোজন বিলাসৰ বাবে এই সময় উপযুক্ত নহয়।*

ঢেকীয়া বা শাক-পাত নোখোৱসকলে এতিয়া অনুভৱ কৰেনে যে আমাৰ খাদ্য প্ৰকৃতিৰেই মহৎ অৱদান। ব্যক্তিগতভাৱে আমি শাকে-পাতে এমুঠি খাদ্য গ্ৰহণ কৰি আছো। কেৱল আকালৰ দিনতহে কঁচু, ঢেকীয়া বিচাৰিলে নহ’ব, ভোজন বিলাসৰ বাবে এই সময় উপযুক্ত নহয়। যি পাইচো তাক খাই জীয়াই থকা এইকেইদিন এমুঠি অন্নৰৰ বাবে হাহাকাৰ কৰি থকাসকলৰ কথাও ভাবিব লাগিব। এই দুখৰ দিনতে সৌ সিদিনা সমাজকৰ্মী, লেখক, অধিবক্ত শ্বহিদুল ইচলামে সাহায্য বিতৰণ কৰিবলৈ আহোতে আমাৰ বাবেও টোপোলা এটা আনিলে। খুলি চাই আনন্দিত হোৱাৰ লগতে আৱেগিকো হ’লো। কাৰণ সেই টোপোলাটোত সোমাই আছিল এসোপা মৰম আৰু আদৰ। আচলতে ইছলাম ডাঙৰীয়াৰ দৰে আমি ইমানখিনি লোকক সাহায্য দিবলৈ পৰা নাই। কেইটামান পৰিয়াসক দুই এপদ অত্যাৱশ্যকীয় সামগ্ৰী কিনি দিছো। কিন্তু ইমান ব্যস্ততাৰ মাজতো নিজে আহি তেখেতে মোৰ পৰিয়ালক যি উপহাৰ দিলে সেয়া মই পাহৰিব নোৱাৰো। ধৰ্মৰ উৰ্দত গৈ আমি ভাতৃত্ববোধৰ এনাজৰীৰে বান্ধ খালো। তাৰ পাছতো আমি হিন্দু-মুছলমান, শিখ-বৌদ্ধ, খ্ৰীষ্টান আদি কথা লৈ তৰ্ক কৰি থাকিলে, বিদ্বেষভাৱ ৰাখিলে মানৱতা ভুলুণ্ঠিত নহ’বনে বাৰু? ধৰ্মৰ ভিত্তিত ভোক কম-বেছি হয়নে বাৰু? মনৰ দুখ-সুখৰ অনুভৱবোৰ প্ৰত্যেক ধৰ্মৰ লোকৰ ভিন্ন হয় নেকি বাৰু? নিশ্চয়কৈ নহয়।. ভোকৰ এমুঠি ভাত, বিপদৰ এষাৰি মাত দিব পৰাকৈ আমি নিজকে কিয় যোগ্য কৰি তুলিব নোৱাৰো‘ কোনো পৰিস্থিতিত অৰ্থ বা সামগ্ৰীৰে সহায় কৰিব নোৱাৰিলেও এযাৰি মাত দিলেও বহু সাহস পোৱা যায়।পইচাৰে জানো সকলো আদৰ জুখিব পাৰি। অলপতে এটি ভিডিঅ’ত দেখিলো এহাল নৱ দম্পত্তীয়ে ঘৰৰ বনকৰা মহিলা গৰাকীক মান ধৰিৰ কিবা এটি উপহাৰ দিছে, বনকৰা মহিলাগৰাকীয়ে দুচকু সেমেকাই কাপোপপ খোচনিৰ পৰা উলিয়াই কইনা গৰাকীৰ হাতত ‘টকা দহোটা’ গুজি দিছে। সেই দৃশ্য চাই আমাৰো চকুলো সৰিছে। কিমান যে মৰম আৰু আশীৰ্বাদ সোমাই আছে সেই দহ টকাটোত। সামান্য উপাৰ্জনৰ পৰাও আত্মসন্মান থকা বনকৰা মহিলাগৰাকীয়ে উপহাৰ বিনিময় কৰিব পাৰিছে কেৱল এখন বহল হৃদয় থকাৰ বাবেহে। আমি ৰিক্সা চলাই জীৱন নিৰ্বাহ কৰা বয়স্ক ব্যক্তি এজনক টকা দহোটা বেছিকৈ দিবলৈ মন কৰোনে বাৰু! বৰ বৰ কথা কচলেই নহ’ব। হাতে-কামে, আচৰণে প্ৰমাণ কৰিব লাগিব যে আমি জীৱ শ্ৰেষ্ঠ মানুহ। খাদ্যবস্তুৰ অপচয় কৰোঁতে, বিলাসী খাদ্য গ্ৰহণ কৰিছো বুলি ‘আপডেট’ দিওঁতে চিন্তা কৰিব পাৰিব লাগিব যে এতিয়াও বহু লোক অনহাৰে আছে। উচ্চিষ্টকে মহাভোগ বুলি গ্ৰহণ কৰিছে। তেনেস্থলত এনে আচৰণে আমাক শ্ৰেষ্ঠতা প্ৰাপ্তিৰ সলনি লজ্জানতহে কৰিব। এই সময় দুৰ্যোগৰ সময়। মহামাৰীয়ে জীৱকুলৈ বিপদ আনিছে। এই সময় সহযোগ-সচেতনতাৰ সময়। প্ৰকৃতিৰৰ ওচৰত, সহায় কৰোতাজনৰ ওচৰত কৃতজ্ঞ হোৱাৰ সময়। মানসিক সাহযচ্ছৱে একেলগে সকলো আগুৱাই টাব পাৰিলেহে আমি সফল হ’ব পাৰিম। এন্যথা আমি পৰিগণিত হ’ম পৰাজিত, অকৃতজ্ঞ আৰু দুৰ্বলী হিচাপেহে...।

ফোন- ৭০৮৬৫২১৩০৭



# বড়ো জনগোষ্ঠীয় লোকসকলৰ কৃষ্টি-সংস্কৃতি

বড়ো জনগোষ্ঠী হৈছে অসমৰ ভৈয়ামৰ জনগোষ্ঠী। অসমৰ ভৈয়ামত বাস কৰা জনগোষ্ঠীসকলৰ ভিতৰত এওঁলোক সংখ্যাগৰিষ্ঠ। বড়ো সকলৰ মাতৃভাষা বড়ো ভাষা। বড়োসকল বৃহৎ মংগোলীয় গোষ্ঠীৰ অন্তৰ্ভূৰ্ক্ত। প্ৰাচীন কালৰ হিমালয়ৰ উত্তৰে আৰু চীনৰ পশ্চিমে অৱস্থিত ‘বড়’ দেশৰ বাসিন্দাসকলৰ এই জনগোষ্ঠীটো খ্ৰীঃপূঃ প্ৰায় ১৫ শ শতিকা মানতেই সমগ্ৰ পূব ভাৰতত বিয়পি পৰে। মহাভাৰতত উল্লেখ কৰা কিৰাতসকলেই পূব ভাৰতৰ বড়োসকল। প্ৰাচীন কালত এই মূল ‘বড়’ দেশৰ বাসিন্দাসকলক ‘বড়ো-ফিচা’ বা ‘বড়োচা’ বুলি জনা গৈছিল আৰু সময়ৰ সোঁতত বড বড়ো হিচাপে জনাজাত হয়।

অসমৰ কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাত বড়োসকলৰ মূল বসতি। ইয়াৰোপৰি কাৰ্বি আংলং গোৱালপাৰা জিলাতো কিছু সংখ্যক বড়ো লোক বাস কৰে। তাৰোপৰি পশ্চিমবঙ্গ, মেঘালয়, নাগালেণ্ড, অৰুণাচল আনকি ভূটান-নেপালতো বড়ো জনগোষ্ঠী পোৱা যায়।

বড়োসকল মংগোলীয় নৃগোষ্ঠীৰ তিব্বত-বৰ্মীয় ভাষ-ভাষী লোক। এওঁলোক ঘাইকৈ শৈৱ পন্থাৰ লগত জড়িত বাথৌ পন্থীয় লোক যদিও তেওঁলোকৰ মাজত কিছুসংখ্যক সনাতম, বৈষ্ণৱ আদি বিভিন্ন ধাৰা আৰু খ্ৰীষ্ট ধৰ্মীয় লোকে নথকা নহয়। তেওঁলোকৰ সমাজ ব্যৱস্থা পিতৃতান্ত্ৰিক যদিও মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাও কিছুমান সামাজিক অনুষ্ঠানত পৰিলক্ষিত হয়। বিয়াৰ পাছত কইনাই দৰাৰ ঘৰত বাস কৰে আৰু সতি সন্ততিয়ে দেউতাকৰ উপাধি গ্ৰহণ কৰে। অৱশ্যে অন্য জনজাতীয় সমাজত প্ৰচলিত নথকা সগোত্ৰীয় বিবাহ বড়োৰ মাজত প্ৰচলন আছে।

বড়োসকলে সমাজ পাতি বাস কৰে। তেওঁলোকে পৰম্পৰাগতভাৱে পাঁচোটা সমাজ বান্ধোনেৰে, অৰ্থাৎ অগৰবাদ, ফংছথবাদ, দাওখিবাদ, খাওঁয়ালিবাদ আৰু খৌলৌবৌবাদ এই ‘আচাৰবা’ৰে সমাজ পৰিচালনা কৰে।

বড়োসকলৰ মাজত চাংঘৰ, ঝমখেতি আদিৰ প্ৰচলন নাই। তেওঁলোকে ঘৰ-বাৰী মুকলিমূৰীয়াকৈ সোঁমাজত এখন চোতাল ৰাখি চাৰিওফালে সাজে। চোতালখনৰ উত্তৰ-পূব চুকত সিজু গছ এজুপি ৰুই তাত পাঁচোটা বাঁহৰ টাটী-চকোৱাৰে ঘেৰি ‘বাকৌশালী’ প্ৰতিষ্ঠা কৰা থাকে। আদৰ্স বড়ো বৰঘৰৰ কুঠৰি তিনিটাঃ ইছিং, ওখং আৰু খফ্ৰা।

বড়ো তিৰোতাসকলৰ প্ৰত্যেকেই একোগৰাকী পাকৈত দাৱনী, ৰোৱনী, মাছুৱৈ আৰু ৰান্ধনী। এড়ী পালন আৰু এড়ী সূতা কটাতো নাৰী অতিশয় সুদশ। কাপোৰ বব নজনা ‘আলুৰি’ ছোৱালী বিয়াৰ বজাৰত মূল্যহীন। তেওঁলোক ভাল শিপিনী আৰু নাচনীও।

বড়োসকল প্ৰধানতঃ কৃষিজীৱী। বড়োসকলে দোং খান্দি পথাৰত আলি বান্ধি কৰা শালিখেতিৰ প্ৰৱৰ্তন বুলি কোৱা হয়। কৃষিৰ লগত জড়িত নানান ধৰণৰ লোকাচাৰ, যেনেঃ ন-আগ অনা, ন-গছা দিয়া, ন-ভাত খোৱা, কাতি গাছআ ছাওনায়, শইচ চপোৱা আৰু মাঘবিহুত বেলাগুৰ কোৱা, বহ’াগ বিহুত গৰুক গা ধুওৱা আদিৰ গা ধুওৱা আদিৰ উদ্ভাৱক এওঁলোকেই বুলি পণ্ডিতসকলৰ বুলি পণ্ডিতসকলৰ ধাৰণা।

ৰন্ধন কলাতো বড়োসকল অতি নিপুণ। এওঁলোকৰ প্ৰধান খাদ্য হ’ল ভাত। পচলা, ঢেঁকীয়া, কচুথোৰ, লফা, বাঁহগাজ, খৰিচা আদি ব্যঞ্জন মংগোলীয় সংস্কৃতিৰ দান। শুকান মাছ, শুকান মাংস, শোকোতা আদি তেওঁলোকৰ উদ্ভাৱন। জুমায়, জৌফিথিখা আদি বিভিন্ন প্ৰকাৰৰ লাওপানী, কোমল চাউল, ভাপপিঠা, চুঙাপিঠা, টোপোলা পিঠা, খাৰলি-কাঁহুদি আদি ৰুচকৰ খাদ্য প্ৰস্তুত কৰাত তেওঁলোক সিদ্ধহস্ত।

বড়ো তিৰোতাই বুকুত দখনা মাৰি বা মেখেলা-চাদৰ পিন্ধি, গাত ফাছৰা লৈ ঘিলাখোপা বান্ধি, কোপাত কাকৈ গুজি লৈ সাজি-কাচি ভাল পায়। তেওঁলোকৰ মাজত প্ৰিয়জনৰ লগত ঘৰ সংসাৰ কৰিব নোৱাৰাৰ দুখত দিয়া ‘হাংমা-হাংচানি ফালি’ নামৰ ৰুমালৰ ব্যৱহাৰ অতিশয় চিত্তাকৰ্ষক। আনহাতে বড়ো পুৰুষৰ সাজ-পাৰ অতি সাধাৰণ বিধৰ।

কঁকালত আঠু মূৰীয়া বা আঁঠুচেৰা ফখৰা-চিতৰা গামচা, গাত গছলা (চোলা) আৰি ডিঙিত ফুলাম ফালি (আৰ’নাই) এই তিনিবিধেই বড়ো পুৰুষৰ উমৈহতীয়া সাজপাৰ।

বড়োসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত বিভিন্ন আচাৰ-অনুষ্ঠান আছে। তাৰ ভিতৰত সন্তানৰ নাই এঁৰাসূতাৰে বান্ধি বাঁহৰ চেঁচুৰে কটা, নাই কটাৰ পাছত শান্তি পানী ছটিয়াই প্ৰায়শ্চিত কৰা (জাতত তোলা), এবছৰৰ ভিতৰত ধাইক মান ধৰা, পাঁচ বছৰত মোমায়েকৰ দ্বাৰা চূড়াকৰণ কৰা পৰ্ব আদি উল্লেখযোগ্য। আদিম ধৰ্মী বড়োসকলে ‘হাথাছুনি’ প্ৰথাৰে আৰু ব্ৰহ্ম ধৰ্মীয় বড়োসকলে হিন্দুৰ বৈদিক প্ৰথাৰে (বড়ো ভাষাৰ মন্ত্ৰৰে) বিয়া বাৰু কৰে। বড়ো সমাজত প্ৰচলিত বিয়া ছয় প্ৰকাৰৰ-- হাবা গৌলাও (চাই মেলি কৰা), খাৰছনায় (ঘৰ সোমোৱা), গৌৰজিয়া লাখিনায় (ঘৰ জোঁৱাই ৰখা), দংখা হাবনায় (ঢোকা ৰখা), বৌনানৈ হাৱা খালামনায় (জোৰ পূৰ্বক হৰণ), দৌনখাৰ লাংনায় (পলুৱাই নিয়া)।

বড়োৰ হাথাছুনি প্ৰথা ৰাইজে স্বামী-স্ত্ৰী হিচাপে স্বীকৃতি দিয়া পৰ্ববিশেষ। সকলো প্ৰকাৰৰ বিয়াতে ভোজন পৰ্বৰ সময়ত এই নিয়ম পালন কৰিবলগীয়া হয়। বড়োৰ বিয়াৰ বাবে দুগৰাকী বৈৰাথী (ব্ৰতী) আৰু দুগৰাকী আয়থা (আয়তী) আৰু এজন বা দুজন বাৰ-লামফা (ভাৰী) অতি আৱশ্যক। বিয়াৰ জোৰণ দিয়া, অভ্যাগতক মান ধৰা, নানা ধৰণৰ মাংগলিক কাৰ্যত সহায় কৰা আৰু নৃত্য-গীতৰ মাজেদি গোটেই অনুষ্ঠানটোকে সতেজ কৰি ৰখাত এওঁলোকৰ ভূমিকা আছে। বাৰ-লামফাই বোকোচাত মাটিৰ চপৰা বান্ধি নাচি দৰাক আগবঢ়াই নিয়া দৃশ্য অতি অপূৰ্ব আৰু তাৎপৰ্যপূৰ্ণ। বড়োসকলৰ মাজত মৃত্যুৰ লগত জড়িত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস আছে। মৰাশ সৎকাৰ কৰাৰ পাছত শৱযাত্ৰীক গোবৰ-পানীৰে শুচি কৰা আৰু শোকোতা চোবাই মৃতকৰ সৈতে সকলো পাৰ্থিৱ সম্বন্ধ ছেদ কৰাৰ বিধান আছে। মৃত্যুৰ দহ দিনৰ দিনাখন ‘দহা গৰানায়’ (দহা পেলোৱা) পৰ্ব আৰু বাৰ দিনত শ্ৰাদ্ধ পাতে।

বড়োসকলৰ মাজত তন্ত্ৰ-মন্ত্ৰ, ভেল্কি বাজি, ডাকিনী-যোগিনী (ডায়না), বীৰ-ভূত-প্ৰেতৰ বিশ্বাস অতি প্ৰৱল। আনকি মন্ত্ৰৰ দ্বাৰা ভালুকৰ সৈতে সখী পতা, বীৰা পোহা আৰু মেলি দিয়া আদি কাৰ্যও কৰিব পাৰে বুলি এওঁলোকৰ মাজত বিশ্বাস প্ৰচলিত; কিন্তু আজিকালি এনে অন্ধবিশ্বাস নাইয়ে বুলিব পাৰি। বড়োসকলৰ মাজত প্ৰচলিত ছুথি দায়নায় (নজৰ কাটা), খুগা দায়নায় (মুখ ভঙা), সময় (শপত খোৱা), শপত মোচন, বধ শপত দিয়া, বৰ লোৱা প্ৰখ্যাত কিঠু স্বকীয়তা থাকিলেও অন্যান্য সমাজৰ সৈতে প্ৰায় একেই।

খাম-ছিফুং-জখা-ছেৰজা এই চাৰিবিধ লোকবাদ্য বিভিন্ন উৎসৱত অপৰিহাৰ্য। বাগুৰুম্বা, বৈছাগ মৈছানায় আদি বসন্তকালীন মন উৰিঙা নৃত্য-গীতৰ লগতে জাৰআফাগ্লা, খেন্থামালি, খফ্লিমৌছানায় (জাপি নৃত্য), ৰৌনচণ্ডী আদি ধৰ্মীয় নৃত্য-গাত আৰু দাওহা (যুদ্ধ), না (মাছমৰা) আদি বিভিন্ন শ্ৰমবিষয়ক নৃত্য-গীত বড়ো সমাজত বিদ্যমান। ৰাওনা-ৰাওনী, ছন্দ্ৰামালি-খৌথিয়া বুদাং, আছাগি বৈচাগি, জাৰা ফাগ্লা আদি সাধুকথা; কছিৰাং-জৌহৌলাও, জাওলিয়াছৌন দেওৱান আদি কাহিনী গীত আৰু হাৰা মেখায় (বিহু গীত) আদি নানা প্ৰকাৰৰ লোকগীত, মন্ত্ৰ-স্তোত্ৰ, ফঁকৰা-যোজনা, প্ৰৱচন এওঁলোকৰ লোকসাহিত্য উভৈনদী।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে বড়ো সকলেও প্ৰজনন আৰু উৰ্বৰাৰ প্ৰতীকৰূপত খেৰাই উৎসৱ পালন কৰে। এই খেৰাই উৎসৱ বহাগ বিহুৰ দৰে বসন্তকালীন উৎসৱ। এই উৎসৱৰ লগত জড়িত খেৰাই নৃত্য এক ঋতুধৰ্মী নৃত্য। সিজু গছক বাথৌ দেৱতা হিচাপে গণ্য কৰি বড়োসকলে পৰম্পৰাগতভাৱে এই পূজা পাতে। খেৰাইৰ ব্যুৎপত্তিগত অৰ্থ এচাম পণ্ডিতে এইদৰে দিছে, খেৰাই হ’ল খাৰ আই, অৰ্থাৎ খাৰ মানে হ’ল দৌৰা বা গতি কৰা আৰু আই মানে গোঁসানী। আইমাতৃক সন্তুষ্ট কৰিবৰ বাবে কৰা নৃত্যই হ’ল খেৰাই নৃত্য। কোনো কোনোৰ মতে খ-ৰ অৰ্থ হ’ল আঠু কঢ়া, ৰা-মানে সম্বোধন কৰা আৰু ই-ৰ অৰ্ত হ’ল ঈশ্বৰৰ উদ্দেশ্যে কৰা নৃত্য। বাথৌ দেৱতাৰ সন্মুখত বিভিন্ন উপাচাৰ, বলিৰ জীৱ-জন্তু, পশু-পক্ষী থৈ দেওধনীয়ে পূবফালে মুখ কৰি গমাৰি কাঠৰ পীৰাত বহে। ওজাই পিছত বহি আঠুলৈ মন্ত্ৰ মাতে। ওজাৰ পিছত বুঢ়া--মেথাসকল বহে। দেউৰীয়ে দেওধনীৰ বাওপিনে কিছু আঁতৰত বহে। সেইসময়তে খেৰাই নৃত্য চলি থাকে। পূজা শেষ হৈ যোৱাৰ পিছতো নৃত্য চলি থাকে। খাম, চিফুং, ৰিঙি, ৰামতাল, ওৱা, খোৱাং, বংগনা আদি এই নৃত্যত ব্যৱ হাৰ হোৱা বাদ্যযন্ত্ৰ। বড়োসকলে বছৰেকত সমজুৱাকৈ এবাৰ গাৰজা, এবাৰ খেৰাই (বাথৌ) আৰু সময় সুবিধা অনুযায়ী ব্যক্তিগতভাৱে মায়নাওৰী (লক্ষ্মী), বুল্লিৰী (কামাখ্যা), মাৰাই (মনসা) ৰ উদ্দেশ্যে বিশেষ ৰীতি-নাতি আৰু বলি বাহনেৰে পূজা দিয়ে। খেৰাই উৎসৱ অতি জাক-জমকতাৰে কৰে। আমথিচুৱা (অম্বুবাচী), কাতিগাছা (কাতিবিহু), দোমাছি (ভোগালী বিহু), ফুছলহাবা (পুতলী বিয়া), বৈচাগু বা বাইছাগু (বহাগ বিহু) আদিৰো বড়ো সমাজত প্ৰচলন আছে।

উৎসৱ-পাৰ্বণত পুৰুষৰ লগতে বড়ো ছিখলা (গাভৰু), আয়থা (আয়তী), বৈৰাথী (নামতী) আৰু বয়োবৃদ্ধা বিশেষ ভূমিকা আছে। খেৰাই পূজাৰ দৈদিনী (দেওধানী) আৰু বাগৰুম্বা আদি নৃত্য-গীত নাৰীকেন্দ্ৰিক।

**বড়োসকলৰ মাজত চাংঘৰ, ঝমখেতি আদিৰ প্ৰচলন নাই। তেওঁলোকে ঘৰ-বাৰী মুকলিমূৰীয়াকৈ সোঁমাজত এখন চোতাল ৰাখি চাৰিওফালে সাজে। চোতালখনৰ উত্তৰ-পূব চুকত সিজু গছ এজুপি ৰুই তাত পাঁচোটা বাঁহৰ টাটী-চকোৱাৰে ঘেৰি ‘বাকৌশালী’ প্ৰতিষ্ঠা কৰা থাকে। আদৰ্স বড়ো বৰঘৰৰ কুঠৰি তিনিটাঃ ইছিং, ওখং আৰু খফ্ৰা।বড়ো তিৰোতাসকলৰ প্ৰত্যেকেই একোগৰাকী পাকৈত দাৱনী, ৰোৱনী, মাছুৱৈ আৰু ৰান্ধনী। এড়ী পালন আৰু এড়ী সূতা কটাতো নাৰী অতিশয় সুদশ। কাপোৰ বব নজনা ‘আলুৰি’ ছোৱালী বিয়াৰ বজাৰত মূল্যহীন। তেওঁলোক ভাল শিপিনী আৰু নাচনীও।**



# গীতি কবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ ৬২ সংখ্যক স্মৃতি দিৱস



**গুৱাহাটী,৮জুনঃ** নুনমাটি সাহিত্য সভাই নুনমাটি অঞ্চলৰ গোপাল নগৰস্থিত পূব গুৱাহাটী ভূমি সংস্কাৰ সমিতিৰ কাৰ্যালয়ত দেওবাৰে নুনমাটি সাহিত্য সভাই গীতি কবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ ৬২ সংখ্যক স্মৃতি দিৱস উদযাপন কৰে। সভাৰ সভাপতি অশোক কুমাৰ তালুকদাৰে গীতি কবিগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জনাই আৰম্ভ কৰা অনুষ্ঠানটিত শিল্পী মুনীন্দ্ৰ ডেকাই গীতিকবি গৰাকীৰ গীত পৰিৱেশন কৰাৰ উপৰিও অনাতাঁৰ শিল্পী বিনোদ চন্দ্ৰ দাস আৰু হৰমোহন কলিতাই গীত পৰিৱেশন কৰে। সভাপতি অশোক কুমাৰ তালুকদাৰ, সভাৰ উপদেষ্টা নৰেন ৰয়,ড° বংশীধৰ কলিতা, লোকনাথ বৰুৱা আৰু প্ৰফুল্ল বড়োই গীতি কবি গৰাকীৰ কৰ্মৰাজিৰ বিষয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানটিৰ আঁত ধৰে সম্পাদক ভূপেন ভাগৱতীয়ে। স্মৰ্তব্য যে অহা ২০জুনত দিনজোৰা কাৰ্যসূচীৰে চুণচালি প্ৰাথমিক বিদ্যালয়ত বিদ্যালয়ৰ সৌজন্যত আৰু নুনমাটি সাহিত্য সভাৰ উদ্যোগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদযাপন কৰা হ'ব।


# গুৱাহাটী প্ৰেছক্লাবত দিলীপ বৰ্মনৰ গ্ৰন্থ জ্ঞানজ্যোতি উন্মোচন
## দিলীপ বৰ্মন এগৰাকী কষ্টসহিষ্ণু লেখকঃ ড° যতীন্দ্ৰনাথ ডেকা

**গুৱাহাটী, ৮ জুনঃ** সমন্বয় শিল্পী সাহিত্য পৰিষদ,অসমৰ উদ্যোগত আৰু পদ্মা লাইব্ৰেৰীৰ সহযোগত গুৱাহাটী প্ৰেছ ক্লাবত৭জুন এখন গ্ৰন্থ উন্মোচনী সভাৰ লগতে বঁটা প্ৰদান আৰু শ্ৰদ্ধাঞ্জলি অনষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটো সঞ্চালন কৰে কবি ,সাহিত্যিক তথা সমন্বয় শিল্পী সাহিত্য পৰিষদ অসমৰ কাৰ্যকৰী সভাপতি চাইফ উদ্দিন আহমেদে। সামগ্ৰিক অনুষ্ঠানৰ আঁত ধৰাৰ লগতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাহিত্যিক, সাংবাদিক তথা সমন্বয় শিল্পী সাহিত্য পৰিষদ অসমৰ সম্পাদক দিলীপ বৰ্মনে। সভাৰ আৰম্ভণীতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, নাগাৰা নামৰ প্ৰসিদ্ধ পাঠক ৰামচৰণ ভৰালী, আন্তঃৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মা, বিশিষ্ট সাহিত্যিক ড°বসন্ত কুমাৰ ভট্টাচাৰ্য, সমন্বয় শিল্পী সাহিত্য পৰিষদ অসমৰ প্ৰতিষ্ঠাপক



সভাপতি ফণীন্দ্ৰ নাথ কলিতা, প্ৰতিষ্ঠাপক কাৰ্যকৰী সভাপতি অচ্যুত গোস্বামী, উপদেষ্টা বীৰেন্দ্ৰ কুমাৰ নাথ, লীলাবাঈ কলিতা, বিপিন চন্দ্ৰ কলিতা আদিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপিকা ৰুণু দাস, অৱসৰপ্ৰাপ্ত অধ্যাপক দীনেশ কলিতা, ড° মুনীন দাস, ড°জ্যোতিৰ্ময়ী দেৱী, বিষয় শিক্ষক জয়ন্ত কলিতা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল চন্দ্ৰ শৰ্মা, শিৱ শংকৰ ডেকা, অৰ্জুন সেন ডেকা, সাংবাদিক কৃষ্ণকান্ত বৈশ্য, সাহিত্যিক নৰেন্দ্ৰ বৰ্মন, বীৰেন্দ্ৰ কুমাৰ হাজৰিকাসহ আৰু কেইবাজনো ব্যক্তিয়ে বন্তিপ্ৰজ্বলন কাৰ্যসূচী ৰূপায়ন কৰে। ইয়াৰ পিছত কবি সাহিত্যিক তথা সমন্বয় শিল্পী - সাহিত্য পৰিষদ অসমৰ কাৰ্যকৰী সভাপতি চাইফ উদ্দিন আহমেদৰ সভাপতিত্বত গ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। উন্মোচনী সভাখনত সাহিত্যিক, সাংবাদিক, অসম চৰকাৰৰ পৰা লেখক সম্বৰ্ধনা লাভ কৰা, নলবাৰী জিলা প্ৰশাসনৰ পৰা ৭২সংখ্যক স্বাধীনতা দিৱসত এগৰাকী নিষ্ঠাবান লেখক হিচাপে সম্বৰ্ধনা লাভ কৰা, ৰাইটাৰ্চ ফৰাম অসমৰ পৰা বৰ্ষশ্ৰেষ্ঠ গল্পকাৰৰ বঁটা লাভ কৰা, ৰাষ্ট্ৰীয় আৰু আন্ত:ৰাষ্ট্ৰীয় সন্মিলনত হিন্দী ভাষাত প্ৰণয়ন কৰা কবিতা পাঠেৰে অসমলৈ গৌৰৱ কঢ়িয়াই অনা,একাধিক গ্ৰন্থৰ প্ৰণেতা দিলীপ বৰ্মনৰ 'জ্ঞানজ্যোতি' শীৰ্ষক জীৱনী গ্ৰন্থখন বিশিষ্ট সাহিত্যিক ড° যতীন্দ্ৰ নাথ ডেকাই উন্মোচন কৰে। উন্মোচনী ভাষণত ড° ডেকাই দিলীপ বৰ্মনক কষ্টসাধ্য শ্ৰম সাৰ্থক হোৱা বুলি দোহাৰে। ডেকাই কয় যে, দিলীপ বৰ্মন এগৰাকী কষ্টসহিষ্ণু লেখক। ডেকাই আকৌ কয়, বৰ্মন সাহিত্য ক্ষেত্ৰৰ এগৰাকী পুৰোধা সাহিত্যিক। ইয়াৰ পিছত কবি ,সাহিত্যিক নৰেন্দ্ৰ বৰ্মনৰ উপন্যাস 'এটোপাল তেজৰ মূল্য' শীৰ্ষক উপন্যাসখন উন্মোচন কৰে চাপটগ্ৰাম মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা সুলেখক দীনেশ কলিতাই। সভাখনত লেখিকা নিজৰা ডেকাৰ প্ৰবন্ধ সংকলন 'জ্ঞান মল্লিকা' উন্মোচন কৰে বাপুজী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা অনাতাঁৰ শিল্পী ৰুণু দাসে। সভাখনত বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰে বিশিষ্ট সমাজসেৱক তাহেৰুদ্দিন আহমেদ, শৰাইঘাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° জ্যোতিৰ্ময়ী দেৱী আদিয়ে। ইয়াৰ পিছত সমন্বয় শিল্পী সাহিত্য পৰিষদ অসমৰ তৰফৰ পৰা বিশিষ্ট শিল্পী তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ড° মুনীন দাসক জীৱনজোৰা সাধনা বঁটা, চাপটগ্ৰাম মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা সুলেখক দীনেশ কলিতাক শিক্ষাৰত্ন বঁটা, বিশিষ্ট অভিনেতা ধীৰেণ কুমাৰ বৰ্মনক অভিনয় জ্যোতি বঁটা , অৰ্জুন সেন ডেকা , শিৱ শংকৰ ডেকা, কমল চন্দ্ৰ শৰ্মাক কৃতী শিক্ষক বঁটা , হৰমোহন ডেকাক সমাজসেৱা বঁটা, নৱেন্দ্ৰ বৰ্মন আৰু বিমলা বৰ্মনক সাহিত্য সাধনা বঁটা প্ৰদান কৰা হয়। সভাত কণ্ঠশিল্পী ৰেণু দাসে এটি ভক্তিমূলক গীত পৰিৱেশন কৰি সকলোকে মোহিত কৰে।

# 'মাই নেম ইজ...'ৰ মুক্তি লাভ
## সামাজিক মাধ্যমত খলকনি



**গুৱাহাটী,৮জুনঃ** আৰ্যা প্ৰডাকশ্যনছৰ বেনাৰত নিৰ্মিত নতুন চুটি ছবি 'মাই নেম ইজ...'এ শেহতীয়াকৈ মুক্তি লাভ কৰিছে। ইংৰাজী আৰু হিন্দী ভাষাত নিৰ্মিত এই মনস্তাত্ত্বিক থ্ৰিলাৰধৰ্মী ছবিখনে ইয়াৰ ব্যতিক্ৰমী ধাৰণা আৰু উপস্থাপনৰ বাবে ইতিমধ্যে সামাজিক মাধ্যমত ব্যাপক চৰ্চা লাভ কৰিবলৈ সক্ষম হৈছে। ছবিখনৰ কাহিনী, চিত্ৰনাট্য, পৰিকল্পনা আৰু পৰিচালনা কৰিছে বিশিষ্ট কথক নৃত্যশিল্পী, অভিনেত্ৰী বি পাল্কীয়ে। এইখন তেওঁৰ তৃতীয় পৰিচালনা। ইয়াৰ পূৰ্বে তেওঁ বহুল প্ৰশংসিত মঞ্চনাট 'পকৰান'ৰ জৰিয়তে পৰিচালক হিচাপে আত্মপ্ৰকাশ কৰিছিল। ছবিখনত মুখ্য চৰিত্ৰত অভিনয় কৰিছে আকাশ শইকীয়া আৰু বি পাল্কীয়ে। উল্লেখযোগ্য যে, সমগ্ৰ ছবিখনৰ চিত্ৰগ্ৰহণ এটা এণ্ড্ৰইড মোবাইল ফোন ব্যৱহাৰ কৰি সম্পন্ন কৰা হৈছে, যিয়ে স্বাধীন চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এক সৃষ্টিশীল আৰু অভিনৱ প্ৰয়াসৰ পৰিচয় দিছে। ৰহস্য, উত্তেজনা আৰু মনস্তাত্ত্বিক সংঘাতেৰে ভৰা 'মাই নেম ইজ...'এ দৰ্শকৰ মাজত কৌতূহলৰ সৃষ্টি কৰিছে। ছবিখন বৰ্তমান আৰ্যা প্ৰডাকশ্যনছৰ অফিচিয়েল ইউটিউব চেনেলত উপলব্ধ।

# ফ্লিপকাৰ্টে মুকলি কৰিছে ই ভি এছিষ্ট

**গুৱাহাটী,৮ জুনঃ** ভাৰতৰ ঘৰুৱা ই-কমাৰ্চ মাৰ্কেটপ্লেচ ফ্লিপকাৰ্টে শেহতীয়াকৈ মুকলি কৰিছে ই ভি এছিষ্ট। ই হৈছে এক ডিজিটেল মাৰ্কেটপ্লেচ, যাক ফ্লিপকাৰ্টৰ ডেলিভাৰী কাৰ্যবাহী, উইচমাষ্টাৰসকলৰ মাজত বৈদ্যুতিক বাহনৰ গ্ৰহণযোগ্যতা সহজ কৰিবলৈ ডিজাইন কৰা হৈছে। সম্প্ৰতি এই সেৱা ২০ ৰো অধিক চহৰত ফ্লিপকাৰ্ট মিনিটছ ৰাইডাৰসকলৰ বাবে উপলব্ধ। এই মুকলিয়ে ইভি১০০ পদক্ষেপৰ অধীনত ইয়াৰ লাষ্ট মাইলৰ ডেলিভাৰী বাহনসমূহক বিদ্যুৎ চালিত কৰাৰ ক্ষেত্ৰত ফ্লিপকাৰ্টৰ প্ৰতিশ্ৰুতিৰ দিশত আন এক পদক্ষেপ চিহ্নিত কৰিছে। যোৱা এটা বছৰত ফ্লিপকাৰ্টত ইভি বাহনৰ ব্যৱহাৰ দুগুণ বৃদ্ধি পাইছে আৰু ২০২৫ৰ উৎসৱৰ বতৰত এই সংখ্যা ২০,০০০ৰ সীমা অতিক্ৰম কৰে। ভাৰতে বৈদ্যুতিক ম'বিলিটিৰ দিশে দ্ৰুতগতিত পৰিৱৰ্তন হৈ থকাৰ লগে লগে ইভি এছিষ্টে সেই পৰিৱৰ্তনক ডেলিভাৰী সহযোগীসকলৰ বাবে অধিক ব্যৱহাৰিক আৰু সুলভ কৰি তোলাৰ লক্ষ্য লৈছে। ইয়াৰ প্ৰযুক্তি ক্ষমতা ব্যৱহাৰ কৰি ফ্লিপকাৰ্টে ইভি এছিষ্টৰ জৰিয়তে একক প্লেটফৰ্মত বিশ্বাসযোগ্য ইভি বাহন আৰু ভাড়া প্ৰদানকাৰীসকলক একত্ৰিত কৰিছে। এইপদক্ষেপে ডেলিভাৰী সহযোগীসকলক ব্যয়সাধ্যতা, বাহনৰ মালিকীস্বত্ব আৰু ভাড়াৰ বিকল্পসমূহৰ সীমিত প্ৰৱেশৰ দৰে ইভি গ্ৰহণৰ ক্ষেত্ৰত দেখা দিয়া সাধাৰণ বাধাসমূহ অতিক্ৰম কৰাত সহায় কৰে। ইভি এছিষ্ট মুকলি কৰাৰ পিছতে সমগ্ৰ ভাৰতৰ উইচমাষ্টাৰসকলৰ মাজত ইয়াৰ প্ৰতি প্ৰবল আগ্ৰহ দেখা গৈছে। দিল্লী এনচিআৰ, পাটনা আৰু বেংগালুৰুৰে আগশাৰীৰ বজাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। ৬০০০ৰো অধিক ডেলিভাৰী সহযোগীৰ পৰা লাভ কৰা তথ্যৰ ওপৰত ভিত্তি কৰি ফ্লিপকাৰ্টৰ শেহতীয়া সমীক্ষাত দেখা গৈছে যে প্ৰায় ৪৬শতাংশ লোকে বৈদ্যুতিক ম'বিলিটি গ্ৰহণৰ প্ৰতি ইচ্ছুক, কিন্তু এতিয়াও এইক্ষেত্ৰত প্ৰধান বাধা হৈ আছে বিত্তীয় প্ৰৱেশ, চাৰ্জিং আন্তঃগাঁথনি আৰু পৰিৱেশ তন্ত্ৰৰ ওপৰত আস্থাৰ অভাৱ। সমীক্ষাত এই কথাও দেখা গৈছে যে ইয়াৰ প্ৰতি সঁহাৰি জনোৱা প্ৰায় ৯০শতাংশ ডেলিভাৰী সহযোগীয়ে পেট্ৰ'লৰ বাবে প্ৰতিমাহে ২,০০০ৰ পৰা ৫,০০০ টকাৰ ভিতৰত খৰচ কৰে। একে সময়তে উদ্যোগৰ অনুমান অনুসৰি দুচকীয়া বৈদ্যুতিক বাহনে ইন্ধন আৰু শক্তিৰ খৰচ ৭০-৮০শতাংশ পৰ্যন্ত হ্ৰাস কৰিব পাৰে। বিভিন্ন এলেকাত সেৱাৰ প্ৰৱেশ উন্নত কৰিবলৈ এই প্লেটফৰ্ম একাধিক ভাষাত উপলব্ধ, য'ত ইংৰাজী, হিন্দী, বাংলা, আৰু কানাড়া অন্তৰ্ভুক্ত । ফ্লিপকাৰ্ট গ্ৰুপৰ মুখ্য কৰ্পৰেট পৰিক্ৰমা বিষয়া ৰজনীশ কুমাৰে কয়, 'বৈদ্যুতিক ম'বিলিটিৰ দিশে ভাৰতৰ পৰিৱৰ্তন অৱশেষত এই কথাত নিৰ্ভৰ কৰিব যে আমি লাখ লাখ লোকৰ বাবে ইয়াৰ গ্ৰহণযোগ্যতা কিমান সহজ আৰু সুলভ কৰি তুলিব পাৰো। দেশৰ অন্যতম বৃহৎ লাষ্ট মাইল ডেলিভাৰী নেটৱৰ্ক থকা ফ্লিপকাৰ্ট বৰ্তমান এই পৰিৱৰ্তনক সমৰ্থন কৰিবলৈ উত্তম স্থানত আছে আৰু ইয়াক অৰ্থপূৰ্ণভাৱে সমৰ্থন কৰাৰ অৰ্থ হ'ল ইভি গ্ৰহণক ব্যৱহাৰিক আৰু সুলভ কৰি তোলা তৃণমূল পৰ্যায়ৰ ব্যৱস্থাসমূহ নিৰ্মাণ কৰা। যেতিয়া লাখ লাখ ডেলিভাৰী সহযোগীৰ হাতত বৈদ্যুতিক বাহনৰ বাবে সহজ, অধিক সুলভ পথ থাকে, তেতিয়া ইয়াৰ প্ৰভাৱ আমাৰ নিজৰ কাম-কাজতকৈ অধিক হোৱা যেন অনুভৱ হয়। এনে ধৰণৰ দীৰ্ঘম্যাদী, দায়িত্বশীল পৰিৱৰ্তন সাধন কৰিবলৈকে প্ৰতিশ্ৰুতিবদ্ধ ফ্লিপকাৰ্ট।' ব্যাপক ইভি পৰিৱেশতন্ত্ৰ গঢ়ি তোলাইভি এছিষ্ট প্লেটফৰ্ম হৈছে বৃহৎ পৰিসৰৰ ইভি গ্ৰহণৰ বাবে পৰিৱেশতন্ত্ৰ শক্তিশালী কৰাৰ বাবে কৰা এক বহল প্ৰচেষ্টাৰ অংশ। ভাৰতৰ অন্যতম বৃহৎ ডিজিটেল কমাৰ্চ প্লেটফৰ্ম হিচাপে ফ্লিপকাৰ্টে ইয়াৰ যোগান শৃংখল, বিক্ৰেতা পৰিৱেশ তন্ত্ৰ, আৰু ই সেৱা আগবঢ়োৱা সম্প্ৰদায়সমূহৰ মাজেৰে ইয়াৰ পৰিসৰ যাতে ইতিবাচক পৰিৱৰ্তনৰ বাবে এক শক্তি হৈ পৰে, এই কথা নিশ্চিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

# প্ৰিমিয়াম বেচপোক এক্সপেৰিয়েন্স চেনেল - টিভিএছ পেডক ঘোষণা টিভিএছএমৰ

**গুৱাহাটী, ৮ জুনঃ** দুই আৰু তিনিচকীয়া বাহনৰ ক্ষেত্ৰত এক বিশ্বব্যাপী অগ্ৰণী আৰু টিভিএছ ভেনুৰ অংশ টিভিএছ মটৰ কোম্পানী-এ নিজৰ প্ৰিমিয়াম পৰ্টফলিঅ'ৰ বাবে সমৰ্পিত এক সুকীয়া ৰিটেইল চেনেল হিচাপে টিভিএছ পেডক মুকলি কৰাৰ কথা ঘোষণা কৰিছে। এই কৌশলগত পদক্ষেপে কোম্পানীটোৰ প্ৰিমিয়াম পৰিবহণ যাত্ৰাত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি চিহ্নিত কৰিছে। টিভিএছ মটৰে চাৰি দশকতকৈও অধিক সময় ধৰি ৰেচিঙৰ সৈতে জড়িত হৈ আহিছে আৰু দীৰ্ঘদিন ধৰি বিশ্বাস কৰি আহিছে যে মটৰস্পৰ্ট হ'ল অভিযান্ত্ৰিক উৎকৃষ্টতা আৰু প্ৰদৰ্শনৰ উদ্ভাৱনৰ উৎকৃষ্ট পৰীক্ষাগাৰ। এই দৰ্শনেই নিজৰ প্ৰিমিয়াম পৰ্টফলিঅ'ক গঢ় দিয়া কাৰ্য অব্যাহত ৰাখিছে। ভাৰত হৈছে বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰিমিয়াম পৰিবহণ বজাৰসমূহৰ অন্যতম, যাৰ চালিকাশক্তি হৈছে ক্ৰমান্বয়ে বৰ্ধিত সমৃদ্ধ গ্ৰাহক আৰু বিকশিত বিলাসী জীৱনশৈলী। আজিৰ উচ্চাকাংক্ষী গ্ৰাহকসকলে কেৱল এটা সামগ্ৰীতকৈ উৰ্ধত বিচাৰে- ব্যৱহাৰকাৰীয়ে আত্ম-প্ৰকাশ, ব্যক্তিগতকৰণ, সমাজ বা সম্প্ৰদায় আৰু নিমজ্জিত ব্ৰেণ্ডৰ আদান-প্ৰদান বিচাৰে। টিভিএছ মটৰে সামগ্ৰীৰ উৰ্দ্ধলৈ গৈ সম্প্ৰদায়, অভিজ্ঞতা, মাৰ্চেণ্ডাইজ, এক্সেচৰীজ আৰু একাধিক সহযোগিতাৰ জৰিয়তে চমকপ্ৰদ আৰু আকৰ্ষণীয় ব্ৰেণ্ড বিশ্ব সৃষ্টি কৰিছে। লণ্ডনৰ সংস্কৃতি-নিৰ্ধাৰণকাৰী ৰিটেইল অভিজ্ঞতাৰ ক্ষেত্ৰত অভিজ্ঞ বুটিক ৰিটেইল ডিজাইন এজেন্সী চেকলেণ্ড কিণ্ডলছাইডছৰ দ্বাৰা ডিজাইন কৰা টিভিএছ পেডকে প্ৰিমিয়াম মটৰচাইকেল প্ৰেমীসকলৰ বিকশিত প্ৰয়োজন আৰু আকাংক্ষাসমূহ পূৰণ কৰে। টিভিএছ মটৰ কোম্পানীৰ অধ্যক্ষ সুদৰ্শন ভেনুৱে এই বিষয়ে সদৰি কৰি কয় যে, 'টিভিএছ পেডক হৈছে গভীৰ গ্ৰাহক সংযোগ গঢ়ি তুলিবলৈ উদ্ভাৱন, ব্যক্তিগতকৰণ আৰু নিমজ্জিত জড়িতকৰণক একগোট কৰি প্ৰিমিয়াম মালিকীস্বত্বক ন ৰূপত সংজ্ঞায়িত কৰাৰ বাবে আমাৰ কৌশলগত প্ৰতিশ্ৰুতি।' টিভিএছ পেডক প্ৰেচিচন পাৰফৰ্মেন্স আৰু অভিযান্ত্ৰিক দক্ষতাৰ দৰ্শনৰ ওপৰত আধাৰিত। ইয়াৰ বৈশিষ্ট্যসমূহ হ'ল- টিভিএছএমৰ ইঞ্জিনিয়াৰিং দক্ষতাৰ দ্বাৰা অনুপ্ৰাণিত ডিজাইন থিম, এক মূৰৰ পৰা আনটো মূৰলৈ নিৰৱচ্ছিন্ন ডিজিটেল ৰিটেইল অভিজ্ঞতা, প্ৰিমিয়াম কমিউনিটী স্পেছ, সমৰ্পিত পৰামৰ্শ আৰু কাষ্টমাইজেচন জ'ন, উদ্যোগৰ প্ৰথম চুইম লেন ভিত্তিক সেৱাৰ অভিজ্ঞতা, নিমজ্জিত মাৰ্চেণ্ডাইজ আৰু এক্সেচৰীজৰ অভিজ্ঞতা, বিশেষ সেৱা সুবিধা আদি। টিভিএছ পেডক ২০২৭ বিত্তীয় বৰ্ষৰ দ্বিতীয় ত্ৰৈমাসিকত মুকলিৰ সম্ভাৱনা আছে।

# গায়ানাৰ পৰা ভাৰতত ৰ'বটিক প্ৰযুক্তিৰ জৰিয়তে বিশ্বৰ আটাইতকৈ দীঘলীয়া হৃদযন্ত্ৰ টেলি-চাৰ্জাৰী

**গুৱাহাটী, ৮জুনঃ** ভাৰতৰ উন্নত ৰ'বটিক প্ৰযুক্তি আৰু ভাৰতীয় চিকিৎসকসকলৰ অসাধাৰণ দক্ষতাই পুনৰ এবাৰ সমগ্ৰ বিশ্বক বিস্মিত কৰিছে। খ্যাতনামা কাৰ্ডিয়াক শল্যচিকিৎসক ডাঃ সুধীৰ শ্ৰীবাস্তৱে গায়ানাত বহি ভাৰতৰ ইন্দোৰস্থিত এজন ৰোগীৰ হৃদযন্ত্ৰত সফলভাৱে ৰ'বটিক টেলি-চাৰ্জাৰী সম্পন্ন কৰি চিকিৎসা ইতিহাসত এক নতুন বিশ্ব অভিলেখ স্থাপন কৰিছে। প্ৰায় ২০,০০০ কিলোমিটাৰ দূৰত্বৰ পৰা সম্পন্ন কৰা এই অস্ত্ৰোপচাৰক এতিয়ালৈকে বিশ্বৰ আটাইতকৈ দীঘলীয়া দূৰত্বৰ ৰ'বট-সহায়ক কাৰ্ডিয়াক টেলি-চাৰ্জাৰী বুলি গণ্য কৰা হৈছে। এই ঐতিহাসিক প্ৰক্ৰিয়াটো গায়ানাৰ Georgetown Public Hospital Corporation আৰু ভাৰতৰ IRCAD India, Indore-ৰ মাজত সফলভাৱে সম্পন্ন কৰা হয়।এই সাফল্যৰ আটাইতকৈ বিশেষ দিশটো হৈছে যে সম্পূৰ্ণ অস্ত্ৰোপচাৰটো ভাৰতত বিকশিত এছএছআই মন্ত্ৰ চাৰ্জিকেল ৰ'বটিক চিষ্টেমৰ সহায়ত সম্পন্ন কৰা হয়। ডাঃ সুধীৰ শ্ৰীবাস্তৱে গায়ানাত অৱস্থিত SSI Mantra SANA Tele-Surgeon Console-ত বহি অস্ত্ৰোপচাৰটো নিয়ন্ত্ৰণ কৰিছিল। আনহাতে ৰোগীজন ইন্দোৰস্থিত IRCAD Indiaত উপস্থিত আছিল। ৰ'বটিক বাহুসকলে চিকিৎসকৰ হাতৰ গতিবিধিক বাস্তৱ সময়ত অনুসৰণ কৰি হৃদযন্ত্ৰৰ জটিল Left Internal Mammary Artery Takedown প্ৰক্ৰিয়াটো সফলতাৰে সম্পন্ন কৰে। প্ৰায় ২৯০-৩০০ মিলিছেকেণ্ড নেটৱৰ্ক লেটেন্সি থকাৰ পিছতো সমগ্ৰ অস্ত্ৰোপচাৰটো অত্যন্ত নিখুঁততা আৰু স্থিৰতাৰে সম্পন্ন হয়। ভাৰতত এই প্ৰক্ৰিয়াৰ সময়ত জয়পুৰৰ মণিপাল হাস্পতালৰ মুখ্য কাৰ্ডিয়াক শল্যচিকিৎসক ডাঃ ললিত মালিকে টেবুল-ছাইড শল্যচিকিৎসক হিচাপে উপস্থিত আছিল। গায়ানাৰ ৰাষ্ট্ৰপতি ডাঃ মোহাম্মদ ইৰফান আলীয়ে এই সাফল্যক দেশখনৰ স্বাস্থ্যখণ্ডৰ বাবে এক ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰি কয় যে এই কৃতিত্বই দেখুৱাইছে যে আধুনিক প্ৰযুক্তিয়ে কেনেকৈ ভৌগোলিক সীমাবদ্ধতাক অতিক্ৰম কৰিব পাৰে। তেখেতে কয় যে এছএছআই মন্ত্ৰ আৰু ইয়াৰ সৈতে জড়িত প্ৰশিক্ষণ কাৰ্যসূচীৰ সহায়ত গায়ানাত ৰ'বটিক শল্যচিকিৎসা বিশেষজ্ঞৰ নতুন প্ৰজন্ম গঢ়ি উঠিব আৰু দেশখন কেৰিবিয়ান অঞ্চলত চিকিৎসা উদ্ভাৱনৰ এক কেন্দ্ৰ হিচাপে বিকশিত হ'ব। ডাঃ সুধীৰ শ্ৰীবাস্তৱে কয়, '২০,০০০ কিলোমিটাৰৰ এই অভিলেখ সৃষ্টিকাৰী সফল কাৰ্ডিয়াক টেলি-চাৰ্জাৰীয়ে প্ৰমাণ কৰিছে যে ভৱিষ্যতে বিশ্বৰ যিকোনো প্ৰান্তত থকা ৰোগীৰ ওচৰলৈ শ্ৰেষ্ঠ শল্যচিকিৎসা বিশেষজ্ঞতা পৌঁছোৱা সম্ভৱ। আমাৰ লক্ষ্য হৈছে বিশ্বমানৰ অস্ত্ৰোপচাৰ প্ৰতিজন ব্যক্তিৰ ওচৰলৈ লৈ যোৱা।' তেখেতে গায়ানা চৰকাৰ, বিশেষকৈ ৰাষ্ট্ৰপতি ডাঃ মোহাম্মদ ইৰফান আলী, আৰু ভাৰত তথা গায়ানাৰ প্ৰযুক্তিগত আৰু চিকিৎসা দলসমূহক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। গায়ানাত আৰম্ভ হ'ল ৰাষ্ট্ৰীয় ৰ'বটিক শল্যচিকিৎসা কাৰ্যসূচীএই সাফল্য গায়ানাৰ নেচনেল ৰ'বটিক চাৰ্জাৰী প্ৰগ্ৰেমৰ শুভাৰম্ভৰ সৈতে একেলগে লাভ কৰা হয়। উদ্বোধনী দিনটোত তিনিটা সফল ৰ'বটিক অস্ত্ৰোপচাৰো সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে, এই কৃতিত্ব গায়ানাৰ ৬০তম স্বাধীনতা বাৰ্ষিকী উদযাপনৰ সময়ত লাভ কৰা হয়। এছএছআই মন্ত্ৰই ইতিমধ্যে ১৭৩ ৰো অধিক টেলি-চাৰ্জাৰী সম্পন্ন কৰিছে এছএছআই মন্ত্ৰৰ টেলি-চাৰ্জাৰী প্ৰযুক্তি বিশেষভাৱে দীঘলীয়া দূৰত্ব আৰু উচ্চ নেটৱৰ্ক লেটেন্সি থকা পৰিৱেশতো নিখুঁততা বজাই ৰাখিবলৈ বিকশিত কৰা হৈছে। এতিয়ালৈকে এই প্লেটফৰ্মৰ জৰিয়তে বিশ্বজুৰি ১৭৩ ৰো অধিক টেলি-চাৰ্জাৰী সফলভাৱে সম্পন্ন কৰা হৈছে।ভাৰতৰ প্ৰযুক্তি, বিশ্বৰ আস্থা এছএছ আই মন্ত্ৰই এতিয়ালৈকে ভাৰতকে ধৰি ১৪খন দেশত নিয়ামক অনুমোদন লাভ কৰিছে। এই দেশসমূহৰ ভিতৰত আছে ভাৰত, ইউএই, ইণ্ডোনেছিয়া, কেনিয়া, ওমান, শ্ৰীলংকা, ফিলিপাইনছ, কলম্বিয়া, ইকুৱেডৰ, গুৱাটেমালা, ইউক্ৰেইন, গায়ানা, নেপাল আৰু ইৰাক।

# উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ড্ৰিম স্পেছ 'দ্য আৰ্চ'ৰ' উদ্বোধন



**গুৱাহাটী, ৮জুনঃ** উত্তৰ-পূৰ্বাঞ্চলৰ নিৰ্মাণ সামগ্ৰী, ফাৰ্নিচাৰ আৰু গৃহসজ্জা উদ্যোগত এক নতুন যুগৰ সূচনা কৰি দেওবাৰে যোৱাবাটস্থিত দ্য আৰ্চ'ত সানি ষ্টীলছ প্ৰাইভেট লিমিটেড, ড্ৰিমহাউছ ফাৰ্নিচাৰ আৰু হাউছ অৱ হোমছৰ ঐতিহাসিক যৌথ উদ্বোধন সম্পন্ন হয়। এই অত্যাধুনিক কমপ্লেক্স দ্য আৰ্চ'ক উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ আৰু সৰ্বাধিক সমন্বিত 'ড্ৰিম স্পেছ' হিচাপে গঢ়ি তোলা হৈছে। একেটা ছাদৰ তলত উদ্যোগটোৰ তিনিখন অগ্ৰণী প্ৰতিষ্ঠানক একত্ৰিত কৰি গঢ়ি তোলা এই অনন্য গন্তব্যস্থলত গ্ৰাহকে ঘৰ বা বাণিজ্যিক স্থানৰ পৰিকল্পনা, নিৰ্মাণ, সজ্জা আৰু সৌন্দৰ্যবৃদ্ধিৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী আৰু সমাধান লাভ কৰিব। আনহাতে, ড্ৰিমহাউছ ফাৰ্নিচাৰ-এ আধুনিক, প্ৰিমিয়াম আৰু বিশেষভাৱে প্ৰস্তুত কৰা ফাৰ্নিচাৰৰ সমৃদ্ধ সম্ভাৰ উপস্থাপন কৰে। হাউছ অৱ হোমছ-এ বাছনি কৰা গৃহসজ্জা সামগ্ৰী, ডেক'ৰ আৰু জীৱনশৈলীভিত্তিক সমাধানৰ জৰিয়তে সাধাৰণ ঘৰক এক সঁচা 'হোম'লৈ ৰূপান্তৰিত কৰাৰ লক্ষ্য লৈ কাম কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে গ্ৰাহকে এনে এক গন্তব্যস্থল লাভ কৰিব। দ্য আৰ্চ'ক নিৰ্মাতা, স্থপতিবিদ, ইন্টেৰিয়ৰ ডিজাইনাৰ, ঠিকাদাৰ, ডেভেলপাৰ আৰু সাধাৰণ গ্ৰাহকৰ বাবে এক 'ৱান-ষ্টপ ডেষ্টিনেচন' হিচাপে গঢ়ি তোলা হৈছে। নতুন ঘৰ নিৰ্মাণ, পুৰণি স্থান সংস্কাৰ অথবা কোনো বাণিজ্যিক প্ৰকল্পৰ ডিজাইন-যিয়েই নহওক কিয়, দৰ্শনাৰ্থীয়ে বিশ্ববিখ্যাত ব্ৰেণ্ডসমূহৰ সামগ্ৰী আৰু বিশেষজ্ঞ পৰামৰ্শৰ সহায়ত সম্পূৰ্ণ সমাধান লাভ কৰিব ।এই উপলক্ষে ব্যৱস্থাপনা কৰ্তৃপক্ষই কয়, 'আমাৰ লক্ষ্য অতি স্পষ্ট-প্ৰত্যেক ব্যক্তিয়ে যাতে নিজৰ সপোনৰ স্থান বাস্তৱায়িত কৰিব পাৰে, তাৰ বাবে এক সম্পূৰ্ণ গন্তব্যস্থল সৃষ্টি কৰা। সানি ষ্টীলছ, ড্ৰিমহাউছ ফাৰ্নিচাৰ আৰু হাউছ অৱ হোমছক একেটা ছাদৰ তলত একত্ৰিত কৰি আমি আধুনিক জীৱনশৈলী আৰু ডিজাইনৰ প্ৰতিটো প্ৰয়োজন পূৰণ কৰিব পৰা এক বিস্তৃত পৰিৱেশ গঢ়ি তুলিছোঁ।'এই উদ্বোধনে উত্তৰ-পূৰ্বাঞ্চলৰ নিৰ্মাণ, স্থাপত্য আৰু ইণ্টেৰিয়ৰ ডিজাইন উদ্যোগৰ বিকাশত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। ইয়াৰ জৰিয়তে যোৱাবাট অঞ্চলটো স্থাপত্য, ইণ্টেৰিয়ৰ ডিজাইন আৰু জীৱনশৈলীভিত্তিক সমাধানৰ এক অন্যতম কেন্দ্ৰবিন্দু হিচাপে আত্মপ্ৰকাশ কৰিব বুলিও বিশ্বাস প্ৰকাশ কৰা হৈছে।

# ডাঃ আনোৱাৰ হুছেইন চৌধুৰীলৈ ড° বিআৰ আম্বেদকাৰ নেচনেল এৱাৰ্ড প্ৰদান



**গুৱাহাটী,৮জুনঃ** ভাৰতৰ প্ৰায় বিভিন্ন ৰাজ্যৰ সামাজিক -সাংস্কৃতিক অনুষ্ঠানৰ মাজত জিএইচআৰ পি এফ ৰিচাৰ্ড ইনষ্টিটিউটৰ সহযোগত আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ বিশেষ অনুষ্ঠানত ২৩ মে'ত নতুন দিল্লীৰ দ্বাৰকা চেক্টৰ ৭ ত অসমৰ কামৰূপ হোজাই জিলাৰ অন্তৰ্গত ডবকাৰ এগৰাকী জনপ্ৰিয় চিকিৎসক, স্বাস্থ্য সেৱক তথা মানৱ সেৱাৰ জৰিয়তে পৰিচিত ডাঃ আনোৱাৰা হুছেইন চৌধুৰীক এছিয়া ডিজিটেল ইউনিভাৰ্চিটিয়ে সন্মানীয় ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। সুদীৰ্ঘ বছৰ স্বাস্থ্য আৰু সমাজ আৰু মানৱ সেৱা জগতৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থকাৰ ভিত্তিত ডাঃ আনোৱাৰ হুছেইন চৌধুৰীয়ে এই সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। নতুন দিল্লীত অৱস্থিত ক্ৰিড়েটিভ আনলক প্ৰেক্ষাগৃহত সমাজ- সাংস্কৃতিক কৰ্মী মহানন্দ চৰকাৰ দত্তই পৰিচালনা কৰা অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা অৱসৰী অধ্যক্ষ ড° সঞ্জয় প্ৰভাকৰ হৰসে, অৱসৰী প্ৰশাসনিক বিষয়া ড° কাশীৰাম গোবিন্দ পাইথান আৰু অৱসৰী সেনা বিষয়া জীৱন গোবিন্দ বিশ্ব কৰ্মৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, হোজাই জিলাৰ ডবকাৰ ডাঃ আনোৱাৰা হুছেইন চৌধুৰীয়ে ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰি জিলাখনলৈ এক বিশেষ গৌৰৱ কঢ়িয়াই আনিছে লগতে অঞ্চলটোৰ দল- সংগঠন আৰু বিশেষ কিছু ব্যক্তিৰ উপৰিও ব্যক্তিগতভাৱে তেওঁক শুভাকাংক্ষীসকলে শুভেচ্ছা জ্ঞাপন কৰে।

# 'Samsung Solve for Tomorrow'ৰ পঞ্চম সংস্কৰণ আৰম্ভ



**গুৱাহাটী, ৮জুনঃ** চেমচাঙে ঘোষণা কৰিছে যে তেওঁলোকৰ মুখ্য উদ্ভাৱন আৰু শিক্ষা কাৰ্যসূচী 'Samsung Solve for Tomorrow'ৰ পঞ্চম সংস্কৰণ আৰম্ভ কৰা হৈছে। এই কাৰ্যসূচী ভাৰতৰ পৰৱৰ্তী প্ৰজন্মৰ যুৱ উদ্ভাৱকসকলক বাস্তৱ জগতৰ সমস্যাসমূহৰ বাবে প্ৰযুক্তি-ভিত্তিক সমাধান সৃষ্টি কৰিবলৈ সক্ষম কৰাৰ উদ্দেশ্যেৰে ডিজাইন কৰা হৈছে। ভাৰতত চেমচাঙে ৩০ বছৰ সম্পূৰ্ণ কৰাৰ উপলক্ষে কোম্পানীয়ে এই কাৰ্যসূচীৰ পৰিসৰ আৰু উচ্চাকাংক্ষা যথেষ্ট বৃদ্ধি কৰিছে। এই লক্ষ্য অনুসৰি, ২০২৬ সংস্কৰণত শীৰ্ষ চাৰিটা বিজয়ী দলক মুঠ ২ কোটি টকাৰ ইনকিউবেচন অনুদান দিয়া হ'ব, যাৰ জৰিয়তে তেওঁলোকে আইআইটি দিল্লীত ইনকিউবেচন সহায়তাৰে নিজৰ ধাৰণাসমূহ অধিক বিকাশ আৰু বিস্তাৰ কৰিব পাৰিব। ইয়াৰ উপৰিও, শীৰ্ষ ২০টা দলক ২০লাখ টকা আৰু শীৰ্ষ ৪০টা দলক ৮ লাখ টকাসহ চেমচাং ডিভাইচ আৰু মেন্টৰশিপ সহায়তা প্ৰদান কৰা হ'ব। চেমচাং চাউথৱেষ্ট এছিয়াৰ সভাপতি আৰু মুখ্য কাৰ্যবাহী বিষয়া জেবি পাৰ্কে কয়, 'বিগত ৩০ বছৰত দেশৰ ডিজিটেল আৰু উদ্ভাৱন যাত্ৰাত এক বিশ্বাসযোগ্য অংশীদাৰ হ'বলৈ পোৱা আমাৰ বাবে গৌৰৱৰ কথা। Samsung Solve for Tomorrow যুৱ উদ্ভাৱকসকলক গঢ়ি তোলা আৰু বাস্তৱ সমস্যাৰ সমাধান দিয়া ষ্টাৰ্টআপৰ এক শক্তিশালী প্লেটফৰ্মত পৰিণত হৈছে। ২০২৬ সংস্কৰণৰ সৈতে আমি উদ্ভাৱনক ভাৰতৰ অধিক গভীৰ অংশলৈ লৈ যাম-স্কুলসমূহলৈ আমাৰ বিস্তৃতি দুগুণ কৰি যুৱ পৰিৱৰ্তনকাৰীসকলৰ বাবে সুযোগ বৃদ্ধি কৰিছোঁ। এই কাৰ্যসূচীয়ে ডিজিটেল ইণ্ডিয়া ভিজনৰ সৈতে সংগতি ৰাখি ডিজাইন থিংকিং, দক্ষতা বিকাশ, উদ্যোগিক অভিজ্ঞতা আৰু ষ্টাৰ্টআপ সহায়তাৰ জৰিয়তে ভাৰতৰ উদ্ভাৱন যাত্ৰাৰ প্ৰতি আমাৰ অবিচল প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে' তেওঁ কয়। প্ৰফেছৰ অজয় কুমাৰ সুদে কয়, 'ভাৰতক নতুন প্ৰজন্মৰ যুৱ উদ্ভাৱকসকলে গঢ়ি তুলিছে, যিসকলে বিশ্ব সমস্যাৰো সমাধান বিচাৰি উলিয়াইছে। Samsung Solve for Tomorrowৰ জৰিয়তে প্ৰাৰম্ভিক ধাৰণাসমূহ বাস্তৱ সমাধানলৈ ৰূপান্তৰিত হোৱা দেখা যায়।'

# আৰ্তনাদ

*নিৰঞ্জনৰ বিয়া আয়োজন চলিছে। ছোৱালীজনী সি নিজে পচন্দ কৰিছে, অতি দুখীয়া পৰিয়ালৰ স্নাতক ডিগ্ৰীধাৰী। ঘৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত, তাতে আকৌ ছোৱালীজনী সিহঁতকৈ নিম্ন জাতিৰ। নিৰঞ্জনৰ মাক সন্মত হৈছে যদিও দেউতাক আৰু বিবাহিতা দুই ভনীয়েকৰ ঘোৰ আপত্তি, এই ক্ষেত্ৰত নিৰঞ্জনেও অকৰা মৈত উঠা দিছে। সেইজনী ছোৱালীক নিৰঞ্জনে কোনোপধ্যে নেৰে। নিৰঞ্জনৰ ভাৱ, সি নিজৰ উপাৰ্জনেৰে যিখিনি পাৰে সেই খিনিৰেহে বিয়াখন চলাব, দেউতাকৰ টকা বিয়াত নখটুৱাই। হয়তো কোনোবা এটি মন্দিৰতে বিয়াখন পাতিব।*



ব'হাগ মাহৰ পোন্ধৰ তাৰিখ। পুৱাৰে পৰাই ধাৰাসাৰ বৰষুণ। সেই দিনটোতে ৰংজুলি গাঁৱৰ নিৰঞ্জনৰ বিয়া। নেৰা-নেপেৰা বৰষুণৰ বাবে আলহী-অতিথি যেনে ধৰণে আহিব লাগিছিল তেনে ধৰণে পৰা নাই। এৰিব নোৱাৰা কেইঘৰহে আহিছে। প্ৰায় সকলোৰে বৰুণ দেৱতালৈ কাতৰ প্ৰাৰ্থনা, যাতে বৰষুণ এৰে। মাজে মাজে ঢেৰেকণি। অৱশ্যে ৰভা আদি এসপ্তাহ পূৰ্বৰে পৰাই সজাইছে। ৰভাথলীত পানী সোমোৱা নাই যদিও চাৰিওফালে পানীয়ে কৃত্ৰিম বানৰ সৃষ্টি কৰিছে। দৰাৰ মাক-দেউতাকৰ মুখৰ ৰং নাইকীয়া হৈছে। অহংকাৰী মানুহৰ বিয়া কিয় তেনে নহ'ব, শুনা-নুশুনাকৈ দুই এজনীয়ে তেনেকৈ কোৱা-কুই কৰিছে। প্ৰতিবেশীক ভালদৰে নিমন্ত্ৰণ নজনোৱাৰ অভিযোগ উঠিছে। দৰাৰ বাপেক মহা অহংকাৰী বুলি অঞ্চলটোতে চৰ্তিত। দৰাজনক কিন্তু সকলোৰে বখানে, নিৰহংকাৰী। মাকৰ টোপে টোপে চকুপানী সৰিছে। হাজাৰে হওঁক বিয়া অন্য কিবা কাজ-কৰ্মত বৰষুণ হ'লে এচামে নানা ধৰণৰ অশান্তিদায়ক কথা ক'বলৈ ধৰে। নিৰঞ্জনৰ বিয়াখনতো সেই একেই অৱস্থা হৈছে। ছাতি লৈ কেনেবাকৈ নদীৰ ঘাটৰ পৰা পানী তুলি আনিছে। ঠিক তেনেকৈ সুৱাগো জাৰিছে। বেণ্ডপাৰ্টিয়ে বাদ্য বজাইছে যদিও বৰষুণৰ শব্দৰ বাবে ভালদৰে শুনিব পৰা নাই। দৰাৰ দেউতাক জনাৰ্দন। তেওঁ মহাজন হিচাপে পৰিচিত। ব্যৱসায়েৰে ধন উপাৰ্জন কৰি গাঁওখনতে প্ৰভাৱশালী হৈ পৰিছে। গাঁওখনৰ শীৰ্ষৰ ধনী ব্যক্তি জনাৰ্দন। ধনগৰ্বত মত্ত জনাৰ্দন। নিৰ্ধনী তথা সাধাৰণ মানুহক ভৰিৰ গছকত ৰাখিব বিচাৰে। এইফালে ব্যৱসায়ত দুৰ্নীতি কৰা বুলিও চৰ্চিত। দুৰ্নীতিৰে ধন নঘটালে ই মানখিনি আগবাঢ়ি বও নোৱাৰিলেহেঁতেন। সুলভ মূল্যৰ দোকানখনৰ অন্তৰালত নিশ্চিয় কিবা আছে। গৰিবৰ মুখৰ ভাত কাঢ়ি, অন্যায়েৰে ধন উপাৰ্জন কৰি জনাৰ্দনে শিল, বালি, চিমেণ্ট আদিৰ ব্যৱসায় আৰম্ভ কৰি তাতো প্ৰতিষ্ঠা লাভ কৰিছে। তাতে আকৌ ধানৰ ব্যৱসায়, সূতলৈ টকা দিয়া আদি ব্যৱসায়ো আছে। মুঠৰ ওপৰত এতিয়া জনাৰ্দনৰ ধনৰ উভৈনদী। সকলোবিধ ব্যৱসায়তে কম-বেছি পৰিমাণে দুৰ্নীতি আছে। সাধাৰণ মানুহক তুচ্ছ-তাৎচিল্ল কৰি কথা কোৱাটো জৰ্নাদনৰ অভ্যাসত পৰিণত। কোনোবাজন দুখীয়া গ্ৰাহকে যদি বিপদে-আপদে এশ-দুইশ বাকীও কৰে, এমাহ পাৰ হোৱাৰ লগে লগে সূদ ধৰে, ইয়াৰ পিছতো যদি বাকী নিদিয়ে সুদৰো সুদ ধৰি চক্ৰবৃদ্ধিলৈ লৈ যায়। সিমানতো দিব নোৱাৰিলে গৰু-ছাগলী আদি ঘৰৰ পৰা লৈ আহে। মুঠৰ ওপৰত এটকা দুটকা বাকী দিব থাকিলেও জনাৰ্দনৰ পৰা সাৰিব নোৱাৰে। কেইবাজনো গ্ৰাহকে বাকী দিব নোৱাৰি মাটিকে মহাজনৰ নামত দলিল কৰি দিছে। কেইবাজনীও দুখীয়া তিৰোতাই কাণৰ-হাতৰ সোণ আদি দিও বাকী সোধাইছে। আকৌ মহাজনৰ দুশ্চৰিত্ৰ যে গাঁওখনৰ যাতে কোনোঘৰ মানুহ তৈওঁতকৈ ওপৰত যাব নোৱাৰে, তাৰ বাবে প্ৰতি দিনে চকু দি থাকে। কোনোবা ঘৰ বা কোনোবাজন ওপৰমুৱা বা সচ্ছল হ'বলৈ ধৰিলে যিকোনো প্ৰকাৰে নহ'ক অৱনমিত কৰায়। তাৰ ওচৰত শৰণাপন্ন হ'বলৈ বাধ্য কৰায়। জনাৰ্দনে পাঁচ-ছয়জন গুণ্ডাবাহিনীও পুহি ৰাখিছে। সেইকেইজনৰ হতুৱাই বেয়া কাৰ্যবোৰ সংঘটিত কৰে। দোকানলৈ কাৰোবাৰ জীয়ৰী- বোৱাৰী গ'লে শেন চকু নিক্ষেপ কৰে। দুই এজনী জনাৰ্দনৰ জীয়ৰী সদৃশ দুখীয়া পৰিয়ালৰ বোৱাৰীৰ সৈতে অবৈধ সম্পৰ্ক কৰি থকা বুলিও চৰ্চিত।

জনাৰ্দনৰ একমাত্ৰ পুত্ৰ নিৰঞ্জন, জীয়ৰী দুজনী, বিয়া দিছে। নিৰঞ্জন কিন্তু বাপেকৰ লেখিয়া নহয়। বাপেকৰ গৰ্ব অহংকাৰক সি মুঠেও সহাৰি নজনায়। তাৰ কথা হ'ল আনে বেয়া নোপোৱাকৈ আগবাঢ়ি যাব লাগে। বাপেকৰ উপাৰ্জনৰ ফালেও সি বেছি চকু-কাণ নিদিয়ে। নিৰঞ্জন পঢ়াত উত্তম নহয় যদিও কোনোটো পৰীক্ষাতে ফেল নপৰাকৈ উত্তীৰ্ণ হৈছে। সি স্নাতক ডিগ্ৰীধাৰী। বাপেকৰ উত্তৰাধিকাৰী হিচাপে তাক সুলভ মূল্যৰ দোকানখনতে বহিব দিছিল যদিও সি সন্মতি নহ'ল। চহৰত সি এখন কিতাপৰ দোকানহে আৰম্ভ কৰিছে। বাপেকৰ অনিচ্ছাৰ বিৰুদ্ধে আগবাঢ়ি যোৱাত কেইবাদিনো বাপেকৰ ককৰ্থনাৰ সন্মুখীন হ'বলগা হৈছিল। তথাপিও নিৰঞ্জন হতাশ নহৈ নিজৰ সু-সিদ্ধান্তৰে আগবাঢ়িছে। নিৰঞ্জনৰ মতে কিতাপৰ ব্যৱসায়ত দুৰ্নীতিৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। আৰু সি অন্যায় বা দুৰ্নীতি নকৰে। গ্ৰাহকে মূল্য চাই নিব পাৰিব। তেনে উদ্দেশ্য আগত ৰাখিয়ে নিৰঞ্জনে কিতাপৰ দোকানখন দিছে। তাৰ ভাৱ, মাজে মাজে ভাল ভাল গ্ৰন্থ সমূহো অধ্যয়ন কৰিব পাৰিব। মুঠৰ ওপৰত নিৰঞ্জন বাপেকৰ সম্পূৰ্ণ বিপৰীত। বাপেকৰো নিৰঞ্জনক লৈ মহা চিন্তা। জনাৰ্দনৰ ব্যৱসায়ৰ উত্তৰাধিকাৰী কোন হ'ব? চাৰি-পাঁচটা ব্যৱসায়। নিৰঞ্জনে যদি কিতাপৰ দোকানখনতে সোমাই থাকে সেইবোৰ কোনো চম্ভালিব। সি কিতাপৰ ব্যৱসায়েৰে কেনেকৈ আগবাঢ়িব পাৰিব। ব্যৱসায় সন্দৰ্ভত বাপেকৰ লগত তাৰ কেতিয়াবা সৰুসুৰা তৰ্কাতৰ্কিও নোহোৱা নহয়। চাৰি চকীয়া গাড়ী দুখন, মটৰ চাইকেল দুখন কিন্তু নিৰঞ্জনে চাইকেলেৰেহে অহা-যোৱা কৰে। ইয়াৰ বাবেও বাপেকৰ ভীষণ খং। নিৰঞ্জনৰ কথা হ'ল স্বোপাৰ্জিত ধনেৰে পাৰিলে সি মটৰ চাইকেল বা চাৰিচকীয়া বাহন কিনিব, নোৱাৰিলে নাই। চাইকেলখন কিন্তু সি স্বোপাৰ্জিত ধনেৰে কিনিছে। আনহাতে নিৰঞ্জনে কিতাপৰ দোকানখন দিয়াৰ আগতে ডি. আই. চি.ৰ পৰা দুইলাখ টকাৰ ঋণ লৈছে। কিতাপৰ দোকান দিব বুলি জানি বাপেকে পাঁচ লাখ টকা তাৰ হাতত দিছিল যদিও সি গ্ৰহণ নকৰিলে। ঋণ লোৱা দুই লাখ টকাৰে কিতাপৰ ব্যৱসায় আৰম্ভ কৰি স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিছে। খোৱা-লোৱা কিন্তু বাপেকৰ উপাৰ্জনেৰে কৰি আছে। কেতিয়াবা কেতিয়াবা শাক-পাচলি বজাৰ নকৰা নহয়। তাতো বাকেৰ খং, সেইবোৰ সি কিয় আনিব লাগে। বাপেকৰ আকৌ মহা চিন্তা, প্ৰায় দুই কোটিৰ ঘৰত ৰাহি হোৱা নগদ ধন সমূহ যদি নিৰঞ্জনে গ্ৰহণ নকৰে তেতিয়া কি হ'ব। নিৰঞ্জনৰ ভৱিষ্যতৰ ফালে চায়েতো বাপেকে ইমানবোৰ ধন উপাৰ্জন কৰে। সি একো নকৰাকৈয়ে তাৰ জীৱন কালেই নহয়, তাৰ ল'ৰা-ছোৱালী অৰ্থাৎ নাতি-পুতিয়েও চলিব পাৰিব। আজিৰ দিনত কোন এনেকুৱা ব্যক্তি আছে, ধনক



পিঠি দিয়া, এক মাত্ৰ নিৰঞ্জনৰ বাহিৰে যেন আন কোনোৰে নাই। এইভাৱ বাপেকৰ!

"কিয় বাৰু মই উপাৰ্জন কৰা ধনৰ প্ৰতি সি আসক্ত নহয়। বহুতে আতিয়েকৰ সম্পত্তিত নাতিয়েক উত্তৰাধিকাৰী হৈছে। অথচ ই বাপেকৰ সম্পত্তিৰ উত্তৰাধিকাৰী হ'বলৈ কুণ্ঠাবোধ কৰিছে। আজিৰ দিনত মানুহক ধন লাগে, ধনৰ উৎস বিচৰাৰ কোনো প্ৰয়োজন নাই, কেৱল সমাজত প্ৰভাৱ বিস্তাৰ কৰিব লাগে, ধনেৰে ক্ষমতা কিনিব লাগে। কথাতে আছে 'ধনেই ধৰ্মৰ মূল, ধন নহ'লে যায় জাতি কূল।' আমাৰ মূৰ্খই এইবোৰ কথা অলপো উপলব্ধি নকৰে। সি এতিয়া যুধিষ্ঠিৰ হৈ বনবাসী হ'বলৈ ওলাইছে। অ'ত ধন সম্পত্তি অৰ্জন কৰিলো তাৰ বাবে, কিন্তু সি অকণো চকু-কাণ নিদিয়ে, বাপেকে কিনা গাড়ীত নুঠে, বাপেকে দিয়া টকা নলয়। বাপ্পেকে কিবা খং উঠিলে ছোৱালী দুজনীকে ধন সম্পত্তিসমূহ লিখি দিম।"

নিৰঞ্জনৰ বাবে মাকৰো মহা চিন্তা, বাপেকৰ স'তে মাকৰো কেতিয়াবা তৰ্কা-তৰ্কি হয়। মাকে কেতিয়াবা বাপেকক কয়- আপোনাৰ অন্যায় অনীতি সমূহ যি দেখিব নোৱাৰা হৈছে হয়তো, সি এতিয়া সৰু ল'ৰা হৈ থকা নাই, তাৰ মন ঘূৰাব বিচাৰিছে যদি সেইবোৰ বন্ধ কৰক। ইমানবোৰ ধন সম্পত্তি কৰি কি লাভ হ'ল? যি মোক বহুদিনে কৈছে- "মা দেউতাই ইমান অন্যায় অনীতিৰে কিয় ধন উপাৰ্জন কৰি আহিছে, সিহঁতৰ হতুৱাই কিয় তেনে কাৰ্যসমূহ সংঘটিত কৰি আহিছে, দেউতাৰ বিষয়ে বহুতে বেয়া ধৰণে সমালোচনাও কৰে, দেউতা যে সমাজৰ এজন মুখাপিন্ধা ভদ্ৰলোক সেই কথা সকলোৰে জনা হৈছে। দেউতাৰ কাণ্ড-কাৰখানা আদি দেখি মই লাজ পোৱা হৈছো। জনাৰ্দন মহাজনৰ পুতেক বুলি ক'লে দুই-এজনে মোক কেৰাহিকৈ চাই। দুই এজনে কয় দেউতেৰে আগৰ দৰেই আছেনে, কিবা পৰিবৰ্তন হৈছে? তেতিয়া মই তল মুৱাৰ পৰা ওপৰ মুৱা হ'বলৈ সাহস নেপাও, দুই এজনে মোক দেউতাৰ চৰিত্ৰৰ প্ৰভাৱ থকা বুলি তাৎচিল্ল সুৰত দুই এষাৰ কথাও কয়। দেউতাক মা বুজাবা।"

আপুনি এতিয়া কিছু হ'লেও পৰিবৰ্তন হওক। সিহঁতৰ লগত মদ পানী খাই এতিয়াও আপুনি বেহুচ হৈ থাকে, সি লাজ পায়, অপমানবোধ কৰে, আৰু সেইবোৰ কথাও সি গম পাই আহিছে। দুজনীকৈ জীয়ৰী সদৃশ অইনৰ বোৱাৰীৰ সৈতে যি কাণ্ড-কাৰখানা কৰিলে, অইন ঘৈণীয়েক হ'লে........। দুদিন পিছে তাৰ বিয়া পাতিব লাগিব, আপোনাৰ এনে কাণ্ডৰ কথা শুনিলে কোনে ছোৱালী দিব বা কোন ছোৱালী আহিব? এই পয়ষ্ঠি বছৰ বয়সতো আপুনি কামনাৰ ভোক সামৰিব পৰা নাই। এতিয়াও পৰস্ত্ৰীৰ ওপৰত শেন চকু।

ঘৈণীয়েকৰ কথায়ো যেন জনাৰ্দনক সেও মনাব পৰা নাই। ধনবলত মদমত্ত হৈ গুৰু গোসাই নমনা বিধৰ। ঘৈণীয়েক জনীক একপ্ৰকাৰ সতী সাবিত্ৰীৰ দৰেই বুলি ক'ব পাৰি।

নিৰঞ্জনৰ বিয়া আয়োজন চলিছে। ছোৱালীজনী সি নিজে পচন্দ কৰিছে, অতি দুখীয়া পৰিয়ালৰ স্নাতক ডিগ্ৰীধাৰী। ঘৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত, তাতে আকৌ ছোৱালীজনী সিহঁতকৈ নিম্ন জাতিৰ। নিৰঞ্জনৰ মাক সন্মত হৈছে যদিও দেউতাক আৰু বিবাহিতা দুই ভনীয়েকৰ ঘোৰ আপত্তি, এই ক্ষেত্ৰত নিৰঞ্জনেও অকৰা মৈত উঠা দিছে। সেইজনী ছোৱালীক নিৰঞ্জনে কোনোপধ্যে নেৰে। নিৰঞ্জনৰ ভাৱ, সি নিজৰ উপাৰ্জনেৰে যিখিনি পাৰে সেই খিনিৰেহে বিয়াখন চলাব, দেউতাকৰ টকা বিয়াত নখটুৱাই। হয়তো কোনোবা এটি মন্দিৰতে বিয়াখন পাতিব।

এদিনাখন বিয়া সন্দৰ্ভত নিৰঞ্জনে মাক-দেউতাকৰ আগত তাৰ মনৰ ভাৱ প্ৰকাশ কৰিলে. বাপেকৰ কথা হ'ল বিয়াখনত বাপেকে সমস্ত খৰচ কৰিব আৰু যদি নিৰঞ্জনে নেমানে তেতিয়াহ'লে চিৰদিনৰ বাবে বাপেকে গৃহ ত্যাগ কৰিব। এনে দৃঢ় সিদ্ধান্তৰ কথা শুনি নিৰঞ্জন কিছু নমনীয় হ'ল। মাকেও নিৰঞ্জনক বুজালে। মাকে ক'লে- "তই ছোৱালী নিজে ঠিক কৰিছ, দেউতাৰাই প্ৰথমে আপত্তি কৰিছিল যদিও পিছত সন্মতি দিলে, কিন্তু বিয়াখন দেউতাৰাৰ মতে হ'বলৈ দি, সকলো কথাতে তই আপত্তি কৰি নাথাকিব।"

বিয়াৰ বাজেট সন্দৰ্ভত এদিনাখন আকৌ বাপেক-মাকৰ সৈতে নিৰঞ্জনৰ আলোচনা চলিল। বাপেকৰ মতে কইনাক দুযোৰকৈ সোণৰ গহনা দিব, ঠিক তেনেদৰে পাট-মুগাৰ কাপোৰো দুযোৰকৈ দিব, নিৰঞ্জনৰ বাবে একলাখ টকাৰ এডাল সোণৰ চেইন গঢ়াব, আপ্যায়নত মাছ-মাংস দুয়োবিধৰ লগতে পণিৰ, দৈ-মিঠাইকে ধৰি প্ৰায় বিশটা সামগ্ৰী থাকিব। ৰাতিপুৱাৰ পৰা দৰা যোৱা লৈকে চাহৰ পৰিবৰ্তে কফি দিব। তাৰে লগত চাৰি-পাঁচবিধ নাস্তা থাকিব। কলিকতাৰ পৰা ৰভা বনোৱা সুদক্ষ কাৰিকৰ আনিব, বহা চকী আদি দামি হ'ব। পাণ-তামোলৰ বাবে দুজন দোকানীক ঠিক কৰিব। ইয়াৰ উপৰিও শীতল পনীয়া থাকিব। বাপেকৰ মতে এইখন শেষ বিয়া। সেয়ে যিমান পাৰে সিমানে ভাল কৰিব। বিয়াখনলৈ মন্ত্ৰী-বিধায়কৰ লগতে প্ৰভাৱশালী বিষয়া ব্যক্তিসকলকো নিমন্ত্ৰণ জনাব। অৱশ্যে দুই-এজন মন্ত্ৰী-বিধায়কক নিৰ্বাচনৰ সময়ত নগদ ধনেৰে সহায় নকৰাও নহয়। পেণ্ডেল দুটা বনাব, এটা বিশেষ ব্যক্তিৰ বাবে আৰু আনটো সাধাৰণ ব্যক্তিৰ বাবে।

নিৰঞ্জনে বাপেকৰ কথা শুনি অতিষ্ঠ হৈ ক'লে-

দেউতা,

তুমি ভৱা ধৰণে বিয়াখন নহ'ব, আৰু তেনে বিয়াত মই সন্মতি জনাব নোৱাৰিম, তেনে ৰাজসিক বিয়াই মোক শোভা নাপাব, তুমিয়ে খৰচ কৰা কিন্তু সাধাৰণভাৱে, তাত বিশেষ ব্যক্তি বা সাধাৰণ ব্যক্তি বুলি কোনো কথা নাই, সকলোকে একেলগে বহুৱাব লাগিব। একেখন ৰভাথলীতে সকলোকে খুৱাব লাগিব। শেৱালি এগৰাকী অতি দুখীয়া পৰিয়ালৰ জীয়ৰী, তেওঁক ইমানবোৰ প্ৰসাধনে শোভাবৰ্ধন নকৰিব। তেওঁক দামী কাপোৰ গহনা আদি পিন্ধাই আনি তুমিয়ে হয়তো এদিন কবা 'আমিয়ে বোৱাৰীজনীক সজাই আনিছো, বিকট হাঁহি মাৰিবা, তেতিয়া তেওঁ বৰকৈ দুখ পাব। তেওঁৰ মুখ বোবা কৰি দিবা, তেওঁ মুখ খুলি কথা ক'ব নোৱাৰা হ'ব, মই তেওঁক ৰূপৰ আঙঠি পিন্ধাম বুলিহে ভাবিছো, ইমানবোৰ কাপোৰ নেলাগে। এযোৰ কাপোৰ দিলে হ'ব, তাকো সাধাৰণ। দামী টেণ্টৰ কথা পৰিহাৰ কৰি আমাৰ গাঁৱৰ নন্দকাৰ টেণ্ট ঠিক কৰা, ৰান্ধনি আদিও আমাৰ গাঁৱৰে যদুকাহঁতকে ঠিক কৰা, খানা সাধাৰণ হ'লেই হ'ব, যদি মোক এইখিনি কথাত সহাৰি দিয়া তেতিয়া হ'লে মই বিয়াত সন্মতি দিম আৰু যদি নিদিয়া তেতিয়া হ'লে মই শেৱালিক মন্দিৰলৈ নি মালা পিন্ধাই লৈ আহিম, আৰু শুনা দেউতা- গাঁৱৰ প্ৰতিঘৰ মানুহকে সুন্দৰ ব্যৱহাৰ কৰিব লাগিব, সকলোকে সমভাৱে চাব লাগিব।

পুতেকৰ আঁকোৰগোজ তথা যুক্তিবাদী কথাত বাপেক সৈমত হ'ল যদিও পেটে পেটে মনোকষ্টত ভূগিছে। পুতেকে ইমানবোৰ কোৱাৰ পিছতো কিন্তু বাপেকৰ দম্ভ অহংকাৰ সমূলি মষিমূৰ হোৱা নাই।

ধাৰাসাৰ বৰষুণৰ মাজেৰে দিনটো পাৰ হ'ল। দৰা যাবৰ সময় হৈছে। ধাৰাসাৰ বৰষুণ হ'লেও নিৰঞ্জনক এৰিব নোৱাৰা ইষ্ট কুটুমৰ লগতে বন্ধু সহ প্ৰায় সত্তৰজন যাব ওলাইছে। অৱশ্যে পদুলি মুখতে বাছখন ৰৈ আছে।

যথা সময়ত মহা আনন্দৰে যাত্ৰা আৰম্ভ কৰিলে। নিৰঞ্জনক দৰাৰ সাজে ধুনীয়াকৈ শুৱাইছে। ব্ৰহ্মপুত্ৰৰ ঘাটতত পানী জাহাজখন ৰৈ আছে। জাহাজেৰে দক্ষিণ পাৰলৈ গৈ আকৌ বাছেৰে যাত্ৰা আৰম্ভ কৰিলে। কিছু সময়ৰ পিছত কইনাৰ ঘৰ পালে। তাত বৰষুণৰ প্ৰকোপ কম। কইনাৰ ঘৰে গাঁওবাসীৰ সহযোগত ৰভা মজবুটকৈ বনাইছে। এটুপিও পানী নপৰা কৰিছে। শেৱালিৰ বিয়া বুলি গাঁৱৰ প্ৰায় সকলোৰে হাত জোকাৰিছে। বৰযাত্ৰীক সুন্দৰভাৱে আতিথ্যও কৰিছে। গাঁওবাসীৰ পূৰ্ণ সহযোগে সঁচাকৈয়ে শেৱালিৰ বিয়াখন সুন্দৰ কৰি তুলিছে।

বিয়াৰ পৰ্বৰ সামৰণি পৰিল। পুৱা প্ৰায় চাৰি বজাত কইনাসহ বৰযাত্ৰী উভতিল। আকৌ পানী জাহাজত কইনাসহ বৰযাত্ৰী। কোনো কোনোজনৰ চকুত টোপনি, কোনো কোনোজনৰ মুখত বিয়াগীত, কোনো কোনোজনৰ মুখত খিলখিলিয়া হাঁহি যেন সাংস্কৃতিক অনুষ্ঠানহে অনুষ্ঠিত হৈ আছে। দুই এজনে বিয়াগীতৰ তালে তালে নাচিচেও। বৰ আমোদজনক পৰিৱেশ।

জাহাজখন ঠিক ব্ৰহ্মপুত্ৰৰ মাজভাগ পাইছে। ঠিক তেনেতে জাহাজ চালক এজনে কাৰুণ্যৰে ক'লে- আপোনালোক সাৱধান হওঁক। জাহাজখনৰ দুয়োটা ইঞ্জিনেই বিকল হৈছে। আমি চেষ্টা কৰিও ভাল কৰিব পৰা নাই, চেষ্টা কৰিয়েই আছোঁ। কিন্তু আপোনালোকক সাৱধান কৰি থ'লো।

আটাইৰে মাজত হুৱাদুৱা, কান্দোনৰ ৰোল বাজি উঠিল। আটাইয়ে জলদেৱতাক ৰক্ষা কৰাৰ বাবে প্ৰণাম কৰিব ধৰিলে, কাতৰ প্ৰাৰ্থনা। ক্ৰমান্বয়ে জাহাজখন পশ্চিমলৈ গৈ গৈ বহুদূৰ পালে। এতিয়াও ইঞ্জিন ভাল হোৱা নাই।

আকৌ কিছুদূৰ যোৱাৰ পিছত চালক এজনে ক'লে- ইঞ্জিন ভাল হোৱা নাই। আমি বিপদৰ ফালেহে আগবাঢ়ি আছো আৰু বিশ মিনিটমান গ'লেই বিপদৰ সন্মুখীন হ'ব লাগিব। হয়তো জাহাজখন দুভাগ হৈ যাব পাৰে, গতিকে আপোনালোকক আকৌ সাৱধান কৰি দিলো। যদি দহ মিনিটমানৰ ভিতৰত ইঞ্জিন ভাল নহয় তেতিয়াহ'লে আপোনালোকে নিজে নিজৰ জীৱন ৰক্ষাৰ বাবে ব্যৱস্থা কৰিব। জীৱন ৰক্ষাৰ সজুঁলিবোৰ ইয়াতেই আছে, আপোনালোকে ব্যৱহাৰ কৰিব। উপায় নাই, আমি নেৰানেপেৰা চেষ্টা কৰিয়েই আছো।

দৰা-কইনাসহ সকলোৰে আৰ্তনাদ হৈ চিঞৰি উঠিল, আমি মৰিলো ঐ, মৰিলো, আমাক ৰক্ষা কৰা।

**দিলীপ বৰ্মন**

**আপুনি এতিয়া কিছু হ'লেও পৰিবৰ্তন হওক। সিহঁতৰ লগত মদ পানী খাই এতিয়াও আপুনি বেহুচ হৈ থাকে, সি লাজ পায়, অপমানবোধ কৰে, আৰু সেইবোৰ কথাও সি গম পাই আহিছে। দুজনীকৈ জীয়ৰী সদৃশ অইনৰ বোৱাৰীৰ সৈতে যি কাণ্ড-কাৰখানা কৰিলে, অইন ঘৈণীয়েক হ'লে........। দুদিন পিছে তাৰ বিয়া পাতিব লাগিব, আপোনাৰ এনে কাণ্ডৰ কথা শুনিলে কোনে ছোৱালী দিব বা কোন ছোৱালী আহিব? এই পয়ষ্ঠি বছৰ বয়সতো আপুনি কামনাৰ ভোক সামৰিব পৰা নাই। এতিয়াও পৰস্ত্ৰীৰ ওপৰত শেন চকু।**

কবিতা

## নাৰী

নাৰী মানে মাতৃ, জগতৰ সৃষ্টিকাৰী নাৰী!
তোমাৰ চেনেহী কোলাতেই
জন্ম লভিলো এটি দিনৰ এটি ক্ষণত
সুন্দৰ পৃথিৱীখন দেখিলো তোমাৰেই কৃপাত।

তুমি দুৰ্গাৰূপিনী, শক্তিদায়িনী
তুমিয়েই আকৌ ৰুদ্ৰমূৰ্ত্তি সংহাৰিণী কালী
তুমি ৰামায়ণৰ যুগৰ সীতা, মহাভাৰতৰ যুগৰ দ্ৰৌপদী,
আধুনিক যুগৰ কল্পনা চাওলা।।

তুমি বিদ্যাদায়িনী দেবী সৰস্বতী, ধনদাত্ৰী দেবী লক্ষ্মী
স্বাধীনতা আন্দোলনৰ বৰ জীয়ৰী কনকলতা
তুমি সতী জয়মতী, মুলাগাভৰু ৰাণী।।
অপূৰ্ব্ব সত্য সাধনাৰে বিৰাজমান কৰিছে বিশালতা প্ৰসাৰি।।
যুগে যুগে দেখি অহা নাৰী শক্তিৰ অপাৰ মহিমাৰ চানেকী।

হে পাৰী মহিমাময়ী!!
তুমি ঈশ্বৰৰ অপূৰ্ব্ব সৃষ্টি, নাৰী প্ৰকৃতিৰ অপূৰ্ব্ব
সৃষ্টি,—সুন্দৰৰ প্ৰতিমূৰ্তি
তোমাক পূজাৰ বেদীত স্থাপন কৰি জনাওঁ প্ৰণাম
তুমি হৃদয় আলোকিত কৰি আহিছা তোমাৰ
জ্যোতিৰে, উদাৰতাৰে,—তোমাৰ যাত্ৰাৰ শেষ নাই।।

বৰ্তমান যুগৰ বিজ্ঞান প্ৰযুক্তিত
তোমাৰ অৱদানো অসীম,
ৰাজনীতিত অগ্ৰসৰ বহু নাৰী
হৈছে সমাজৰ উজ্বল জ্যোতি।
নাৰী হ'ল সবল এপাট তীক্ষ্ণ অস্ত্ৰ
সমাজ গঢ়াৰ পাৰে নাৰীয়েয
অমানুহক মানুহ কৰিব পাৰে নাৰীয়ে,
সৃষ্টি কৰিব পাৰে বসুন্ধৰা।।

সেয়েহে দৃঢ়তাৰে কওঁ—
সচাঁকৈয়ে নাৰী তুমি অনন্যা,
নাৰী মাতৃ নমস্য ৰূপে প্ৰতিষ্ঠিত
আমাৰ এই সুন্দৰ ধৰাত,
মন প্ৰাণ জয় কৰিব পৰা নাৰী
হল সুন্দৰৰ প্ৰতীক, চিৰবিৰাজমান
সকলোৰে অন্তৰত।।

— **কৰবী তালুকদাৰ**

# তেজপুৰৰ সুস্বাদু লিচুৰ সমাদৰ ৰাইজৰ



**তৰুণ বৰা, তেজপুৰ৮জুনঃ** ৰাজ্যৰ ভিতৰত সৰ্বাধিক লিচু গছ থকা লিচু বাগিচাখন আছে তেজপুৰৰ পৰোৱাৰ পৰমাইঘূলিৰ এগৰাকী লিচু খেতিয়ক ৰাম নাৰায়ণ সিঙৰ এইখন লিচুবাগিচাত জিআইটেগ প্ৰাপ্ত সুস্বাদু লিচুৰ লগতে বিভিন্ন প্ৰকাৰৰ লিচু পোৱা যায়। পৰোৱা-তেজপুৰ বিশ্ববিদ্যালয় সংযোগী পথৰ দাঁতিত পকী দেৱালৰে আবৃত্ত এইখন বাগিচাত মুঠ ছশ জোপা লিচু গছ আছে ।উল্লেখযোগ্য যে,পিয়াজী,মুম্বাই,চাইনা,চাহী,ইলাচিকে ধৰি প্ৰায় ১০বিধ লিচু আছে বাগিচাখনত ।ইয়াৰ ভিতৰৰ পৰাই গ্ৰাহকে সংগ্ৰহ কৰিব পাৰে লিচু ।তেজপুৰৰ লিচু বুলি বাহিৰা লিচু বিক্ৰীয়ে বহু সময়ত তেজপুৰৰ লিচুৰ প্ৰকৃত সোৱাদৰ পৰা বহুতকে বঞ্চিত কৰাৰ বিপৰীতে জৈৱিক সাৰৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰি সোৱাদ,মানদণ্ডৰ লগতে মানুহৰ স্বাস্থ্যৰ প্ৰতিও গুৰুত্ব আৰোপ কৰা লিচু খেতিয়ক ৰাম নাৰায়ণ সিঙে কয় যে,এতিয়া তেজপুৰৰ লিচুৰ ক্ষেত্ৰত এয়া এক ডাঙৰ সমস্যা হৈ দেখা দিছে।২৫বিঘাত প্ৰথমে আৰম্ভ কৰি পাছত আৰু সম্প্ৰসাৰণ কৰা এইখন লিচু বাগিচাৰ আলোকচিত্ৰ ব্যৱহাৰ কৰি আন স্থানৰ লিচু একাংশ মধ্যভোগীয়ে ব্যৱসায় কৰাৰ বিষয়েও উল্লেখ কৰি সিঙে কয় যে তেজপুৰৰ পৰমাইঘূলিত আন লিচু কৃষকৰ উন্নত মানদণ্ডৰ লিচু বাগিচা কে'বাখনো আছে।ইয়াৰে এখনত আছে ১৮০ জোপা লিচু গছ।তেওঁ কয় যে ১৯২৩ সাহিত্য কাণ্ডাৰী পদ্মনাথ গোঁহাঞিবৰুৱাই তেজপুৰত মুম্বাই লিচু বাগিচা আৰম্ভ কৰাৰ পিচত ইয়াৰে সঁচৰ পৰা পৰমাইঘূলিত ১৯৩০ত স্থাপন কৰা হৈছিল ।তেজপুৰক প্ৰকৃতিয়েই আশীৰ্বাদ হিচাপে লিচু প্ৰদান কৰাৰ বিষয়ে উল্লেখ কৰি তেওঁ উল্লেখ কৰে যে,এই প্ৰকৃতিপদত্ত সম্পদ সংৰক্ষণ কৰাই এতিয়া ডাঙৰ বিষয় ।তেওঁ লগতে কয় যে,পৰৱৰ্তী সময়ত তেজপুৰৰ লিচুৱে জিআই টেগ লাভ কৰাৰ পাছৰে পৰাই লিচু খেতিৰ প্ৰতি যথেষ্ট আগ্ৰহী হৈ পৰে একাংশ লোক ।উল্লেখযোগ্য যে,ইয়াৰ উপৰিও তেজপুৰৰ ডিপোটা,মাজগাঁও,বেছেৰীয়া আৰু পৰ্বতীয়াতো আছে উন্নতজাতৰ লিচুৰ ব্যক্তিগত বাগিচা ।প্ৰণিধানযোগ্য যে,বতৰৰ লগতে তেজপুৰৰ মাটিয়ে ইয়াৰ লিচুক দিছে সুকীয়া সোৱাদ ।আনহাতে লিচুৰ প্ৰজাতি বিশেষে দাম অধিক হোৱাৰ প্ৰসংগত সিঙে কয় যে তেওঁৰ বাগিচাৰ পৰা গ্ৰাহকে পাঁচ-১০টকাত উন্নত লিচু নিছে ।কিন্তু কোনো ঋতুত বিশেষ লিচুৰ উৎপাদন হ্ৰাস পাই আৰু তেতিয়া কিছুমান লিচুৰ মূল্যও বাঢ়ে যদিও প্ৰতিবিধ লিচুৰ ক্ষেত্ৰত সেয়া প্ৰযোজ্য নহয় ।তেওঁ আৰু কয় যে,এইখন বাগিচাৰ লিচু ব্যক্তিগত ভাবে আমেৰিকালৈও ক্ৰয় কৰি নিয়া হৈছে যদিও ইয়াৰ বাবে পৰিবহন ব্যয় যথেষ্ট হোৱাত তেওঁ বিদেশলৈ লিচু প্ৰেৰণ কৰাৰ পৰা বিৰত আছে ।কিন্তু বৰ্তমন ৰাজ্যৰ বাহিৰৰ পৰা লিচু আনি একাংশই তেজপুৰত আনকি স্থানীয় লিচু বাগিচাৰ সন্মুখতে তেজপুৰৰ লিচু বুলি বিক্ৰী কৰাৰ বিপৰীতে তেজপুৰত গঢ়ি উঠা এনে লিচু ছিণ্ডিকেটৰ বাবেই সমস্যাৰ সন্মুখীন হৈছে প্ৰকৃত লিচু ব্যৱসায়ী সকল।

# ছাত্ৰীৰ বদনাম কৰা কথা উঠাই ল'ব লাগিব লাভ জেহাদীৰ পিতৃয়ে

**ষ্টাফ ৰিপৰ্টাৰ, নলবাৰী,৮জুনঃ** নলবাৰীৰ গংগাপুৰত সংঘটিত চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনাক লৈ উদ্বিগ্ন হৈ আছে সমগ্ৰ ৰাজ্যবাসী । ছাত্ৰ নেতা মাধুৰ্য বৰ্মন সহিতে তেওঁৰ সম্বন্ধীয় ভগ্নীক নৃশংস, বৰ্বৰোচিতভাৱে আক্ৰমণ কৰি পলায়ন কৰিছিল লাভ জেহাদী আচিফ আলী ওৰফে ৰোজ আলীয়ে । এই ভয়াবহ ঘটনাৰ পিছদিনা আৰক্ষীয়ে মুকালমুৱা অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰে লাভ জেহাদী আচিফ আলীক । পৰৱৰ্তী সময়ত আৰক্ষীৰ স'তে সংঘটিত এনকাউণ্টাৰত হত্যাকাণ্ডৰ অভিযুক্ত আচিফ আলীৰ মৃত্যু ঘটে । এই ঘটনাৰ পিছত লাভ জেহাদীৰ পিতৃয়ে এগৰাকী ছাত্ৰীৰ স'তে তেওঁৰ অভিযুক্ত পুত্ৰৰ প্ৰেমৰ সম্পৰ্ক থকাৰ কথা একাংশ সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছিল । ছাত্ৰী গৰাকীৰ স'তে প্ৰেমৰ সম্পৰ্ক থকা বুলি একাংশ সংবাদ মাধ্যমৰ জৰিয়তে বদনাম কৰা কাৰ্যত ক্ষুণ্ণ হৈ পৰিছে বিশ্ব হিন্দু পৰিষদ । সংগঠনটোৰ সদস্য সকলে নলবাৰী সদৰ থানাত এজাহাৰ দাখিল কৰি এক তদন্তৰ দাবী জনাই । বিশ্ব হিন্দু পৰিষদৰ নলবাৰী জিলা সমিতিৰ সম্পাদক ভাস্কৰ ডেকাই, লাভ জেহাদীৰ পিতৃয়ে এগৰাকী ছাত্ৰীৰ বদনাম কৰা কাৰ্যক গৰিহণা দি তেওঁৰ মন্তব্য শীঘ্ৰেই উঠাই লোৱাৰ দাবী জনাই ।

# বিধায়ক অখিল গগৈৰ মাতৃৰ মৃত্যুত শিৱসাগৰত শোক

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ,৮জুনঃ** শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈৰ ৯৬ বছৰ বয়সত মৃত্যু হয়। বিধায়ক গৰাকীৰ মাতৃৰ বিয়োগত খবৰ লাভ কৰাৰ পিছত শোকস্তব্ধ হৈ পৰে শিৱসাগৰ। এসময়ৰ কৃষক আন্দোলনৰ নেতা অখিল গগৈৰ মাতৃৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতে শিৱসাগৰৰ কেইবাশতাধিক ৰাইজৰ লগতে কেইবাটাও জাতীয় জনগোষ্ঠীয় সংগঠনৰ নেতৃত্ব অখিল গগৈৰ মৰিয়নিৰ চেলেংহাটৰ বাসভৱনত উপস্থিত হয় বিধায়ক অখিল গগৈ আৰু পৰিয়াল বৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। এক মৌন সমদলেৰে মাতৃ প্ৰিয়দা গগৈৰ নশ্বৰ দেহ গুৱাহাটীৰ পৰা চেলেংহাটৰ বাসভৱনত উপস্থিত হোৱাৰ পাছত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। ধৰ্মীয় ৰীতি-নীতি অনুসৰি মাংগলিক নিয়মৰ পাছতেই অনুষ্ঠিত হয় ৰাজহুৱা শ্ৰদ্ধাঞ্জলি। শিৱসাগৰ পৰা যোৱা বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় প্ৰশাসনিক সচিব শৃংখল চলিহা, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়া, অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰশ জ্যোতি দাস, অসম ছাত্ৰ যুৱ সন্মিলনৰ সভাপতি জিন্টু মেচ, জাগৃত নাৰী সমাজৰ পদ্মা চেতিয়া, কংগ্ৰেছ নেত্ৰী পল্লবী শইকীয়া, ভাৰতী শইকীয়া , শিৱসাগৰ জিলা কংগ্ৰেছ কমিটী , অসম জাতীয় পৰিষদ,কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় আৰু জিলা সমিতি, ৰাইজৰ দলৰ কেন্দ্ৰীয় আৰু শিৱসাগৰ তথা যোৰহাট জিলা সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, নাৰী মুক্তি সংগ্ৰাম সমিতি ৰ বিষয়ববীয়াৰ উপৰিও অৰ্ধশতাধিক দল সংগঠনৰ প্ৰতিনিধিয়ে প্ৰিয়দা গগৈৰ নশ্বৰ দেহত চাদৰ, গামোচা আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পিছতে চেলেংহাটত শ্মশানত পুত্ৰ অখিল গগৈয়ে মুখাগ্নি কৰি নিজৰ মাতৃৰ শেষকৃত্য সম্পন্ন কৰে। অখিল গগৈৰ মাতৃ প্ৰিয়দা গগৈৰ মৃত্যুত ৰাইজৰ দলৰ শিৱসাগৰ আৰু নগৰ সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি, শিৱসাগৰ প্ৰেছ ক্লাৱ, শিৱসাগৰ জিলা বাৰ্তাজীৱি সংঘ, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, ই মেডিয়া এছ'চিয়েচন, তাই আহোম ছাত্ৰ সন্থা, অসমীয়া যুৱ মঞ্চ, ৰংপুৰ জ্যোতি ক্লাব, শিৱসাগৰ হজ কমিটীকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।।

# ছিপাঝাৰত পঞ্চদশ বিত্তীয় আয়োগৰ অনুদানেৰে শ্ৰেণীকোঠা মেৰামতিক লৈ অভিযোগৰ আঙুলি

**বাতৰি কাকত, ছিপাঝাৰ৮জুনঃ** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত ৰূপায়িত পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণত পালমাৰি কৰাৰ উঠিছে অভিযোগ। অভিযোগ অনুসৰি ২০২৪-২৫ বৰ্ষত চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰেণীকোঠা এটি মেৰামতিৰ নামত পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনিৰ অধীনত ১০৭,২৫০.০০ টকাৰ এক আঁচনি গ্ৰহণ কৰি ৱাৰ্ড সদস্যই ৰূপায়ণ কাম কৰে।যাৰ পিছত শ্ৰেণীকোঠাৰ পূৰ্বতে কৰা মজিয়া ভাগি মেৰামতি কৰে। কোঠাটোৰ কেইখনমান ফলচ চিলিঙৰ খলপ, চাৰিখন লোৰ ফ্ৰেম খিৰিকীৰ ভগা গ্লাছ সলাই টিন খুৱাই ৰং দিয়ে। শ্ৰেণীকোঠাৰ পকীবেৰত গুৱা ৰং মাৰি দিয়ে যদিও আশ্চৰ্যজনক কথা যে শ্ৰেণীকোঠাৰ পিছ ফালৰ বেৰত ৰং কৰা নহ'ল। বেৰখনৰ এৰি যোৱা ঠাইবোৰত চিমেণ্ট-বালিৰ মছলাৰে মেৰামতি কৰা হ'ল যদিও বেৰখনত ৰং নকৰাত অসুন্দৰ হৈ পৰিছে ।আনহাতে শ্ৰেণীকোঠাটোৰ বাৰাণ্ডাখন খলপ - খলপে এৰি থকাৰ পিছতো মেৰামতি কৰা নহক্ল। অভিযোগ অনুসৰি মজিয়া খন মেৰামতি কৰা হ'ল যদিও মজিয়াৰ ঢালাই ডাঠ নোহোৱাত ডেক্স -বেঞ্চৰ খুঁটাৰ হেঁচাত পুনৰ কিছুদিন পিছত বখল - বখলে এৰি যোৱাৰ সম্ভাৱনাই অধিক হৈ পৰা বুলি অভিযোগ উত্থাপন হৈছে। আশ্বৰ্যজনক কথা যে আঁচনিৰ ইষ্টিমেডত ঠিকাদাৰে বাৰাণ্ডা নাই নকৰো ,কাম শেষ বুলি জানিব দিয়ে যদিও বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ স্বাৰ্থত শ্ৰেণীকোঠাত থকা চুটি বাৰাণ্ডাখনৰ বখল বখলে এৰা ঠাই মেৰামতি কৰি শ্ৰেণীকোঠাতো দেখিবলৈ ভাললগা কৰিব পাৰিলেহেঁতেন। কিন্তু হিচাপে অমিল হ'ব বুলি ঠিকাদাৰ গৰাকী এই লৈ অপৰাগ। একাংশ লোকৰ শ্ৰেণীকোঠাটোৰ মেৰামতিৰ নামত আঁচনিৰ কিমান টকা খৰচ হ'ল তাকলৈ সন্দেহৰ বুৰবুৰণি উঠিছে ।এই ক্ষেত্ৰত ছিপাঝাৰ উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তাই কি ভূমিকা লয় তাৰ ওপৰত দৃষ্টি থাকিব। ইফালে আঁচনি ৰূপায়ণ কাম আৰম্ভ হোৱাৰ আগতেই তথ্য ফলক আঁৰি দিব লাগে যদিও নিৰ্মাণ কামৰ দিনাৰ পৰা আঁচনিত দেখা নগ'ল তথ্য ফলক ।যিটো ৰাইজক অন্ধকাৰত ৰাখি কৰা বুলি অভিযোগ উঠিছে । অৱশ্যে কাম শেষ কৰাৰ পিছত বেৰত তথ্য ফলক লিখি দিয়া হৈছে ।পৰিতাপৰ কথা যে পঞ্চায়ত কৰ্মচাৰীক এইলৈ বাৰম্বাৰ জনাই অহাৰ পাছতো তেওঁলোকে কোনো ধৰণৰ গুৰুত্বই নিদিয়াৰ উঠিছে অভিযোগ ।আঁচনিৰ কাম চলি থকা সময়ত কিস্তিৰ ধন পাবলৈ ফটো লোৱা সময়ত ঠিকাদাৰে কৰবাৰ পৰা আনি আঁচনিৰ আগত লৈ ফটো তোলাৰো উঠিছে অভিযোগ ।ফটো তুলি নিয়াৰ পিছতে যাদু সদৃশ ভাবে নোহোৱা হৈ পৰে আঁচনিৰ তথ্য ফলক ।একেদৰে একে আঁচনি আৰু একেটা বৰ্ষত কৰা দুৰদুৰীয়া প্ৰাথমিক বিদ্যালয়ৰ পকী বেৰ নিৰ্মাণ আঁচনিতো ৰূপায়ণ কাম চলি থকা সময়ত দেখা নগ'ল নাম ফলক ।ইয়াৰ বিপৰীতে দিমীলাপাৰ প্ৰাথমিক বিদ্যালয়ত আঁচনি ৰূপায়ণ কামৰ আৰম্ভণিতে তথ্য ফলক আঁৰি দিয়া দেখা গৈছে। ইফালে ভয়াৱহ কথা যে চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যিটো শ্ৰেণীকোঠা মেৰামতি কৰা হ'ল কোঠাটোৰ পকীবেৰৰ কেইবা ঠাইতো ছিঁৱাল ফাট মেলি থকাত কোন মুহূৰ্তত খহি ছাত্ৰ-ছাত্ৰীৰ মূৰৰ ওপৰত পৰে তাৰ কোনো নিশ্চয়তা নোহোৱাত সচেতন লোক সকল চিন্তিত হৈ পৰা বুলি প্ৰকাশ ।সময় থাকোতে বিষয়টো বিদ্যালয়ৰ লগত জড়িত সকলে গুৰুত্ব সহকাৰে লোৱা অতি প্ৰয়োজনীয়। পৰৱৰ্তী প্ৰতিবেদন আগলৈ।

# সৰুপেটা হাইস্কুলত উত্তেজনাময় পৰিস্থিতি প্ৰধান শিক্ষকৰ প্ৰহাৰত গুৰুতৰভাৱে আহত ছাত্ৰ



**সঞ্জীৱ দাস, ভৱানীপুৰ, ৮জুনঃ** প্ৰায় দুমাহ পূৰ্বে সৰুপেটা হাইস্কুলত প্ৰধান শিক্ষকৰূপে যোগদান কৰা সঞ্জীৱ তালুকদাৰ নামৰ প্ৰধান শিক্ষক গৰাকীৰ কাৰ্যকলাপৰ বিৰুদ্ধে বিদ্যালয়খনত এক উত্তেজনাময় পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। উল্লেখ্য, বিদ্যালয়খন দশম শ্ৰেণীৰ ৰাতুল ৰাজবংশী নামৰ ছাত্ৰগৰাকীয়ে প্ৰধান শিক্ষক গৰাকীৰ হাতত গুৰুতৰভাৱে প্ৰহৃত হৈ সৰুপেটা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসাধীন হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পিছতে ঘটনাৰ বিষয়ে বুজ ল'বলৈ গুৰুতৰভাৱে আহত পিতৃহাৰা ছাত্ৰগৰাকীৰ অভিভাৱকস্বৰূপ মোমায়েক কমল দাস আৰু জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য বাবুল আলী আহমেদৰ সৈতে যুৱ-ছাত্ৰ পৰিষদৰ বজালী জিলা সমিতিৰ উপদেষ্টা নিপল ডেকা, যুটীয়া সম্পাদক নিতুল কলিতা, সৰুপেটা আঞ্চলিক সমিতিৰ সভাপতি অভিজিৎ তালুকদাৰ, সৰুপেটা গাঁও পঞ্চায়তৰ সভাপতি সুৰজিৎ তালুকদাৰ আৰু স্থানীয় বজৰংগ দলৰ বিশাল শৰ্মাৰে সৈতে এটা দল সৰুপেটা হাইস্কুলত উপস্থিত হয়। প্ৰতিনিধি দলটোৱে নদিন আগেয়ে অভিযুক্ত প্ৰধান শিক্ষক গৰাকীৰ হাতত গুৰুতৰভাৱে প্ৰহৃত হৈ বৰ্তমান ঘৰতে চিকিৎসাধীন হৈ থাকিবলগীয়া হোৱা অষ্টম শ্ৰেণীৰ আয়ুষ ৰহমান নামৰ ছাত্ৰগৰাকীৰ শাৰীৰিক অৱস্থাৰ কোনোধৰণৰ বুজ নোলোৱা বুলি প্ৰধান শিক্ষকগৰাকীৰ বিৰুদ্ধে উত্থাপিত কেতবোৰ অভিযোগৰ চৰ্চা চলি থকাৰ মাজতে প্ৰধান শিক্ষকগৰাকীয়ে সংঘটিত কৰা অনুৰূপ কৰ্মকাণ্ডই প্ৰতিনিধি দলটোক অধিক বিক্ষুব্ধ কৰি তোলে। ঠিক তেনে সময়তে প্ৰতিনিধি দলটোৱে বিদ্যালয়খনিৰ চৌহদৰ চাৰিডালকৈ পুৰণি চেগুণ গছ বিদ্যালয় পৰিচালনা সমিতিৰ কোনোধৰণৰ অনুমতি অবিহনে ক্ৰয় কৰিবলৈ বিদ্যালয়খনত উপস্থিত হোৱা কাঠ ব্যৱসায়ী এগৰাকীৰ উপস্থিতি প্ৰত্যক্ষ কৰি বিদ্যালয় পৰিচালনা সমিতিৰ শিক্ষক সদস্যগৰাকীৰ পৰা এই বিষয়ে জানিব পাৰি প্ৰতিনিধি দলটো অধিক খড়গহস্ত হৈ উঠে। এনে এক উত্তপ্ত পৰিস্থিতিৰ মাজতে অভিযুক্ত প্ৰধান শিক্ষকগৰাকীৰ সৈতে প্ৰতিনিধি দলটোৰ উত্তপ্ত বাক্য-বিনিময় হয়। প্ৰধান শিক্ষকগৰাকীয়ে বিভিন্ন যুক্তি প্ৰদৰ্শন কৰি নিজৰ দোষ ঢাকিবলৈ চেষ্টা কৰিলেও অৱশেষত প্ৰতিনিধি দলটোৰ অকাট্য যুক্তিত সেও মানি ভৱিষ্যতলৈ ছাত্ৰ-ছাত্ৰীক এনেধৰণৰ শাস্তি প্ৰদানৰ পৰা বিৰত থাকিব বুলি প্ৰতিনিধি দলটোক লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰে ।উল্লেখ্য, সাংবাদিকৰ আগত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰধান শিক্ষক গৰাকীৰ নীতি বিৰুদ্ধ কেতবোৰ শৈক্ষিক কাৰ্যকলাপক লৈয়ো প্ৰশ্ন উত্থাপন কৰে। আনহাতে সাংবাদিকৰ আগত দিয়া মন্তব্যত যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য বাবুল আলী আহমেদে প্ৰধান শিক্ষকগৰাকীৰ অমানুষিক নিৰ্যাতনৰ ফলত আহত হৈ বৰ্তমান ঘৰতে চিকিৎসাধীন হৈ থাকিবলগীয়া হোৱা দুখীয়া পৰিয়ালৰ আয়ুষ ৰহমান নামৰ ছাত্ৰ গৰাকীৰ স্বাস্থ্যৰ বুজ লোৱাটো উচিত আছিল যদিও, অভিযুক্ত প্ৰধান শিক্ষকগৰাকীয়ে আহত ছাত্ৰগৰাকীৰ এবাৰলৈও স্বাস্থ্যৰ বুজ নোলোৱাৰ অভিযোগ উত্থাপন কৰিছে। আনহাতে ছাত্ৰ-ছাত্ৰীৰ ওপৰত অমানুষিক নিৰ্যাতন চলোৱা অভিযুক্ত প্ৰধান শিক্ষক গৰাকীক অতি সোনকালেই সংশ্লিষ্ট বিদ্যালয়খনৰ পৰা বদলিকৰণৰ লগতে গুৰুতৰভাৱে আহত ছাত্ৰ দুগৰাকীৰ দুয়োটা পৰিয়ালকে ন্যায় প্ৰদান আৰু চিকিৎসা ব্যয় বহন কৰিবলৈ দাবী জনাইছে।

# জুৰীয়াৰ ৰিহাব চেন্টাৰতৰ নিচামুক্ত হ'বলৈ গৈ যুৱকে পালে 'তালিবানি' শাস্তি ঃ আৰক্ষীয়ে আটক কৰিলে এজক

**বাতৰি কাকত, ৰূপহীহাট,৮জুনঃ** নিচামুক্ত কৰাৰ নামত এতিয়া একাংশ ৰিহাব চেন্টাৰ পৰিণত হৈছে একো একোটা পৈশাচিক নিৰ্যাতন চেললৈ! য'ত সুস্থ জীৱন ঘূৰাই পোৱাৰ আশাৰে অহা যুৱ প্ৰজন্মক সেৱা কৰাৰ সলনি দিয়া হৈছে চৰম তালিবানি শাস্তি। এই জঘন্য আৰু চাঞ্চল্যকৰ ঘটনাটো সংঘটিত হৈছে নগাঁও জিলাৰ জুৰীয়াৰ 'Wish Welfare Foundation' নামৰ এটা তথাকথিত নিচামুক্তিকৰণ কেন্দ্ৰত। ড্ৰাগছৰ কবলৰ পৰা মুক্ত হ'বলৈ অহা একাংশ দুৰ্ভগীয়া যুৱকৰ ওপৰত এই কেন্দ্ৰটোৰ ভিতৰচ'ৰাত চলিছে চৰম অৰাজকতা ।মালিক পক্ষই গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰি ভাঙিলে ৰিহাব চেন্টাৰৰ এজন যুৱকৰ সোঁ ভৰি। ইমানেই নহয় কোনো সু-চিকিৎসা নকৰি যুৱকজনক তেনেদৰেই পেলাই থোৱাৰ পিছতে ক্ষোভত ফাটি পৰে স্থানীয় ৰাইজ। এই সমগ্ৰ ঘটনা ফাদিল হোৱাৰ পিছতে কেন্দ্ৰটোৰ চৌহদত সৃষ্টি হয় এক উত্তপ্ত পৰিস্থিতিৰ। অভিযোগ অনুসৰি, প্ৰতিগৰাকী ড্ৰাগছ আসক্ত যুৱকৰ অভিভাৱকৰ পৰা মাহে মাহে পৰ্যাপ্ত পৰিমাণৰ ধন সংগ্ৰহ কৰে এই 'উইচ ৱেলফেয়াৰ ফাউণ্ডেচনে'। কিন্তু বিনিময়ত যুৱকসকলক দিয়া নহয় কোনো সুস্থ খাদ্য, নহয় কোনো উপযুক্ত চিকিৎসা। তাৰ বিপৰীতে, প্ৰতি নিশাই কেৱল তালিবানি শাস্তিৰ বলি হ'বলগীয়া হয় আৱাসীসকল। অভিযোগ উঠিছে যে, কোনো কাৰণ নোহোৱাকৈয়ে প্ৰতি নিশাই মালিকপক্ষই যুৱকসকলক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে। এতিয়া প্ৰশ্ন উঠিছে, নিচামুক্ত কৰাৰ নামত অনুজ্ঞাপত্ৰ লৈ এইদৰে যুৱ প্ৰজন্মক পংগু কৰাৰ অধিকাৰ কোনে দিলে এই 'Wish Welfare Foundation'ক? সেৱাৰ নামত লুণ্ঠন আৰু গুণ্ডাগিৰি চলোৱা এই কেন্দ্ৰটোৰ বিৰুদ্ধে এতিয়া সৰৱ হৈ পৰিছে জুৰীয়াৰ সচেতন ৰাইজ। স্থানীয় ৰাইজে আৰক্ষী প্ৰশাসনক এই সমগ্ৰ ঘটনাৰ এক তদন্ত কৰাৰ দাবী জনাইছে। কেৱল তদন্তই নহয়, নিৰ্যাতনৰ ঘাটিস্বৰূপ ৰিহাব চেন্টাৰখন তাৎক্ষণিকভাৱে বন্ধ কৰাৰ বাবেও দাবী উত্থাপন কৰিছে ৰাইজে। এতিয়া লক্ষণীয় হ'ব প্ৰশাসনে এই 'তালিবানি' শাস্তি প্ৰদান কৰা এই ৰিহাব চেন্টাৰ খনৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে।

# টিহু আৰক্ষী থানা নাগৰিক সমিতিৰ সভাঃ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ




**কুমুদ বৰ্মন টিহু ৮ জুন ঃ** টিহু আৰক্ষী থানা নাগৰিক সমিতিৰ এখন সভা টিহু আম্বেদকাৰ ভৱনত অনুষ্ঠিত হয়। সমাজকৰ্মী তথা সদস্য হৰেকৃষ্ণ মেধিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্যে ব্যাখ্যা কৰে টিহু আৰক্ষী থানাৰ উপ পৰিদৰ্শক মিনাক্ষী বৰুৱাই ।আজিৰ এই সভাখনত টিহু নাথকুছি চ'কত মানুহৰ সহায় হ'বলৈ এখন ফলক টিহু নগৰলৈ আৰি দিয়াৰ ব্যৱস্থা কৰা , টিহু দৈনিক বজাৰত যান জঁট নিয়ন্ত্ৰণৰ খাতিৰত আৰক্ষী মোতায়ন কৰা, টিহু আৰক্ষী থানা চৌহদৰ মৃতপ্ৰায় তথা মৃত গছ কেইডাল ৰাজহ চক্ৰ বিষয়া আৰু বন বিভাগৰ জড়িয়তে কটাৰ ব্যৱস্থা কৰা , নাগৰিক সমিতিৰ সকলো সদস্যই পাব লগা পাৰিতোষিক পোৱাৰ ব্যৱস্থা কৰা, টিহু এলেকাত ই- ৰিক্সা, অটো' ৰিক্সাকে ধৰি চাৰিচকীয়া বাহন যাতে য'তে ত'তে ৰখাই যান জঁটৰ সৃষ্টি নকৰে, টিহু অঞ্চলত সঘনে ঘটি থকা দুৰ্ঘটনা ৰোধত টিহু আৰক্ষীয়ে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ ব্যৱস্থাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয় । সভাত সন্মানীয় সদস্য ধৰণীধৰ ডেকা,ভৱানন্দ শৰ্মা, মঞ্জুশ্ৰী দত্ত কলিতা আৰু কুমুদ বৰ্মন উপস্থিত থাকে।

# বজালীৰ পহুমাৰা নৈত গা ধুবলৈ গৈ সলিল সমাধি এগৰাকী যুৱকৰ ঃ দুগৰাকীক উদ্ধাৰ

**বাতৰি কাকত, পাঠশালা,৮জুনঃ** তীব্ৰ গ্ৰীষ্ম দহনত অতীষ্ঠ বজালীৰ ভকুৱামাৰীৰ পহুমাৰা নৈত গা ধুবলৈ যোৱা তিনিগৰাকী যুৱকৰ সলিল সমাধি ঘটা এগৰাকী যুৱকৰ মৃতদেহ নৈখনৰ বুকুৰ পৰা উদ্ধাৰ কৰাৰ লগতে আন দুগৰাকী যুৱকক কথমপি নৈৰ বুকুৰ পৰা উদ্ধাৰ কৰা হয় ।জানিব পৰা মতে, দুপৰীয়া ভকুৱামাৰী অঞ্চলৰ নিতুল তালুকদাৰ ,কিংকৰ কাকতি আৰু অবিনাশ ৰাজবংশী নামৰ তিনিগৰাকী যুৱকে পহুমাৰা নৈত গা ধুবলৈ গৈছিল যদিও গা ধোৱাৰ সময়তে নৈখনৰ প্ৰবল সোঁতত তিনিওগৰাকী যুৱক উটি যোৱাৰ উপক্ৰম হয় ।তেনে সময়তে ওচৰতে থকা আন এগৰাকী সাহসী যুৱতীয়ে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি নিতুল তালুকদাৰ আৰু কিংকৰ কাকতি নামৰ দুগৰাকী যুৱকক নৈৰ বুকুৰ পৰা উদ্ধাৰ কৰিবলৈ সমৰ্থ হয় ।কিন্তু অবিনাশ ৰাজবংশী নামৰ যুৱক গৰাকী নৈখনৰ বুকুত সন্ধানহীন হৈ পৰে ।ঘটনাৰ খবৰ পোৱাৰ পিছতে পাঠশালা আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় ।ইয়াৰ পিছতে এছ ডি আৰ এফৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে আৰু যুৱকজনৰ মৃতদেহ নৈখনৰ বুকুৰ পৰা উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়।

# ড° আতোৱাৰ ৰহমানৰ ‘এক বিৰামহীন যাত্ৰাঃঅসম্পূৰ্ণ আত্মজীৱনী’উন্মোচন



**গুৱাহাটী, ৮জুনঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° আতোৱাৰ ৰহমানৰ ‘এক বিৰামহীন যাত্ৰাঃ অসম্পূৰ্ণ আত্মজীৱনী’ শীৰ্ষক গ্ৰন্থখন দেওবাৰে আনুষ্ঠানিকভাৱে উন্মোচন হয়। খ্ৰীষ্টানবস্তিস্থিত এন ই এফ ল কলেজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ গ্ৰন্থ উন্মোচনী সভাত ড° আতোৱাৰ ৰহমানৰ আত্মজীৱনীখন উন্মোচন কৰে প্ৰাগ নিউজৰ মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰুৱে। এন ই এফ গ্ৰুপ অফ কলেজেছৰ সঞ্চালক ড° জাকিৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত আদৰণি ভাষণ আগবঢ়াই আত্মজীৱনীখনৰ প্ৰকাশক ছাহজাহান তালুকদাৰে। ইফালে সন্মানীয় অতিথিৰ ভাষণ আগবঢ়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ড° অখিল ৰঞ্জন দত্তই। আনহাতে, এই অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে অধ্যাপক যোগেন কলিতা। ড° আতোৱাৰ ৰহমানে আত্মজীৱনীখনৰ সন্দৰ্ভত কয় যে, মোৰ জীৱনৰ অভিজ্ঞতা বিষয়ে পঢ়িব পাৰিব। মই আত্মজীৱনী লিখাৰ কথা জীৱনত ভবাই নাছিলোঁ। মই ভাবিছিলোঁ ডাঙৰ মানুহে লিখে আত্মজীৱনী। সেইটোৱে মোৰ এটা চিন্তাধাৰা আছিল। কিন্তু সময় পৰিৱৰ্তশীল। সহায়ৰ গতিত বহু লোকৰ উৎসাহ আৰু পৰিয়ালৰ তাগিদাত মই আত্মজীৱনীখন লিখিবলৈ সাহস গোটালো। যিহেতুকে মই দিনলিপি লিখা নাছিলোঁ সেয়ে জীৱনত লাভ অভিজ্ঞতাৰ ভিত্তিত লিখিছোঁ। মোৰ জীৱনৰ অভিজ্ঞতাত লাভ তিতা-মিঠা, কৰ্মজীৱন, বৈবাহিক জীৱনৰ কথা জীৱনৰ বিয়লি বেলাত আত্মজীৱনীখনত লিখিছোঁ। গ্ৰন্থখন পঢ়ি মই যাত্ৰা পথত কৰা ভুলসমূহ নিজে শুধৰণি কৰিবলৈ উৎসাহ পাব। তেওঁ এই বুলিও কয় যে জীৱনত মই যিমানবাৰ কবৰস্থানলৈ গৈছোঁ তাতোকৈ অধিকবাৰ শ্মশানলৈ গৈছোঁ। প্ৰশান্ত ৰাজগুৰুৱে গ্ৰন্থখন উন্মোচন কৰি কয় যে, ড° আতোৱাৰ ৰহমান এগৰাকী লিবাৰেল ব্যক্তি। তেওঁ পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ থকাৰ পিছতো ঐশ্বৰিক শক্তিৰ সন্ধান কৰিছিল। এই আত্মজীৱনীখন পঢ়ি ঐশ্বৰিক শক্তি আৰু সত্যৰ সন্ধানৰ কথা অনুভৱ হৈছে। তেওঁ আজি প্ৰকাশ কৰি যে জীৱনত তেওঁ যিমানবাৰ কবৰস্থানলৈ গৈছে তাতোকৈ অধিকবাৰ শ্মশানলৈ গৈছে। এইটো এটা ডাঙৰ কথা। ইয়াৰ দ্বাৰা এইটো স্পষ্ট হৈছে তেওঁ কিমান স্বাধীনচেতীয়া ব্যক্তি। মই মাদ্ৰাছাৰ বিৰোধী নাছিলোঁ। মাদ্ৰাছাক লৈ চৰকাৰে যি কৰিব লাগিছিল, তাকে নকৰি সকলো চৰকাৰী মাদ্ৰাছা বন্ধ কৰি দিলে কিন্তু ব্যক্তিখন মাদ্ৰাছা চলি থাকিব দিলে। এতিয়া ৰাজ্যত হয় হিন্দুৰ সমাৰেশ নহয় মুছলমানৰ সমাৰেশ হ’বলৈ ধৰিছে। পূৰ্ব বংগীয় মুছলমান সমাজত শিক্ষা এটা ডাঙৰ সমস্যা। বান খনীয়া এটাও তেওঁলোকৰ ডাঙৰ সমস্যা। দৰিদ্ৰতা, অসুৰক্ষিত, নিৰক্ষৰতা এই তিনিটা চৰ্ত এখন সমাজে যেতিয়া পূৰণ নকৰে সেই সমাজখন সদায় পিছ পৰি থাকিব আৰু সমাজখন উৎকণ্ঠাত বৰ্তি থাকিব। এই আত্মজীৱনীখনক মুছলমান সমাজৰ সকলোৱে পঢ়িব লাগে। এই আত্মজীৱনীখন প্ৰেৰণাৰ উৎস হৈ ৰ’ব বুলি উল্লেখ কৰে। ড° অখিল ৰঞ্জন দত্তই ভাষণ প্ৰসংগত কয় যে, পদাৰ্থ বিজ্ঞানৰ সমান্তৰালকৈ আতোৱাৰ ৰহমানে কোৰান গভীৰভাৱে অধ্যয়ন কৰিছে। পদাৰ্থ বিজ্ঞান আৰু কোৰানৰ মাজত কিবা বৈজ্ঞানিক যোগসূত্ৰ আছে নেকি তাৰ সন্ধান কৰিছে। মই এটা কথা কব বিচাৰোঁ ধৰ্মীয় গ্ৰন্থ ভালদৰে অধ্যয়ন কৰিব লাগে। যি সময়ত ইছলাম ধৰ্মক তালিবানী বুলি ভাৱে তেন্তে সময়ত তেওঁ পদাৰ্থ বিজ্ঞান আৰু কোৰানৰ মাজত বৈজ্ঞানিক যোগসূত্ৰ বিচাৰিছে। এই আত্মজীৱখন উত্তৰ প্ৰজন্মৰ বাবে সাহসৰ বাৰ্তা হ’ব। বিশেষকৈ যিসকল এই সমাজৰ লোক সেইসকল অধিক উপকৃত হ’ব। তেওঁ লগতে কয় যে আত্মজীনখনত পশ্চিম অসমৰ কথা সুন্দৰভাৱে উপস্থাপন কৰিছে। আমাৰ মাজত পশ্চিম অসমৰ বিশেষ চিন্তা ধাৰা নাই। অসমৰ অৰ্থনীতিত পশ্চিম অসমৰ কথা আলোচনা নহয়। আমাৰ মাজত এতিয়াও এটা ধাৰণা আছে যে পশ্চিম অসম মানে গোৱালপাৰা, ধুবুৰী আদি। কিন্তু এই আত্মজীনখনত পশ্চিম অসমৰ কথা বিস্তৃতভাৱে উল্লেখ কৰিছে। আতোৱাৰ ৰহমান খুব খঙাল ব্যক্তি। আত্মজীৱনীখনত খঙালৰ বিষয়ে সুন্দৰভাৱে তুলি ধৰিছে। ক্ৰোধৰ বিষয়ে ইমান সুন্দৰভাৱে লিখিছে যে মই আজিলৈকে আত্মজীৱনীত ক্ৰোধৰ বিষয়ে ইমান ধুনীয়া বাখ্যা পঢ়া নাই। এই আত্মজীৱনীখনে সমাজক বাঁটা দেখুৱাব। আমাৰ সমাজখনক পুনৰ লিবাৰেল হোৱাত সহায় কৰিব। অধ্যাপক যোগেন কলিতাই ভাষণ প্ৰসংগত কয় যে, আতোৱাৰ ৰহমান স্পষ্টবাদী ব্যক্তি। তেওঁ পানীৰ দৰে স্বচ্ছ। তেওঁ কবলগীয়া কথাখিনি মুকলিভাৱে কৈ দিয়ে। তেওঁ সদায় সময়ৰ প্ৰতি সজাগ সচেতন আছিল। আশা কৰিছো তেওঁ পৰা আৰু বহু সম্পদ লাভ কৰিম। অসম্পূৰ্ণ আত্মজীৱনীখন সম্পূৰ্ণ কৰিব বুলি আশা কৰিছোঁ। দৈনিক গণ অধিকাৰৰ মুখ্য সম্পাদক খবিৰ আহমেদে ভাষণ প্ৰসংগত কয় যে, ড° আতোৱাৰ ৰহমানে বহুকেইখন গ্ৰন্থ লিখিছে। সেই আটাইকেইখন গ্ৰন্থ তত্বগধুৰ। উন্মোচন হোৱা তেওঁৰ আত্মজীৱনী পঢ়ি অনুভৱ কৰিছোঁ তেওঁৰ জীৱনটো সামগ্ৰী। তেওঁৰ সংগ্ৰাম আজিও শেষ হোৱা নাই। তেওঁৰ অধ্যয়নৰ প্ৰতি তীব্ৰ অনুৰাগ আছিল। তেওঁ অত্যন্ত স্পষ্টবাদী ব্যক্তি । তেওঁ সময়ৰ প্ৰতি সদয় সজাগ আৰু সচেতন। তেওঁৰ গ্ৰন্থসমূহ সকলোকে পঢ়িবলৈ আহ্বান জনায় খবিৰ আহমেদে। এই অনুষ্ঠানত উপস্থিত থাকে সমাজকৰ্মী লুৎফুৰ ৰহমান, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তাদ্বয় হাচিবুৰ ৰহমান, মইনুল হক চৌধুৰী, বিশিষ্ট লেখক ডাঃ ৰেজাউল কৰিম, সমাজকৰ্মী চফিউৰ ৰহমান শইকীয়া, সমাজকৰ্মী মমতাজউদ্দিদ আহমেদ, সমাজকৰ্মী আব্দুৰ ৰহমান চিকদাৰ, অৱসৰপ্ৰাপ্ত চিকিৎসক ডাঃ তৌফিক ৰহমান বৰবৰা, সমাজকৰ্মী নুৰ আলম শ্বেখ আদি। এই অনুষ্ঠানতে ড° আতোৱাৰ ৰহমানক বিভিন্ন দল সংগঠনে সম্বৰ্ধনা জনায়। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু), অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ, ব্ৰহ্মপুত্ৰ ভেলী চিভিল ছ’চাইটি, আদৰ্শ মানৱ কল্যাণ পৰিষদ, অসমে।

# চেণ্টাৰফ্ৰুইটৰ ‘কেইছি জীভ লপলপায়ী’ অভিযান আৰম্ভ

**যোৰহাট, ৮জুনঃ** পাৰফেটি ভেন মেলে ইণ্ডিয়াৰ তৰফৰ পৰা চেণ্টাৰফ্ৰুইটয়ে নিজৰ আইকনিক ‘‘কেইছি জীভ লপলপায়ী’ প্লেটফৰ্মৰ নতুন অভিব্যক্তি লৈ একেবাৰে ফ্ৰেছ বিজ্ঞাপন ছবিৰে উভতি আহিছে। চেণ্টাৰফ্ৰুইটৰ অপ্ৰতিৰোধ্য ৰুচিক পুনৰ প্ৰতিষ্ঠা কৰি ৰখা যোৱা বছৰৰ অভিযানৰ গতি অব্যাহত ৰাখি ব্ৰেণ্ডটোৱে এতিয়া ‘কেইছি জীভ লপলপায়ী’ক ভাৰতীয় বিয়া এখনত পৰিৱেশিত এক হাস্যৰসময়ী নতুন কাহিনীৰে আগবঢ়াই দিছে। অভিযানটোৰ মূলতে আছে এখন ব্যস্ত ভাৰতীয় বিয়াৰ পটভূমিত নিৰ্মিত একেবাৰে নতুন বিজ্ঞাপন ছবি। উদযাপনৰ মাজতে যেতিয়া ডকাইতি সংঘটিত হয় তেতিয়া আৰক্ষীয়ে দোষীক চিনাক্ত কৰিবলৈ চিচিটিভিৰ ফুটেজ চায়। হাস্যৰস, বিসংগতি আৰু ক্লাচিক চেণ্টাৰফ্ৰুইট-ষ্টাইলৰ টুইষ্টেৰে ভৰপুৰ ছবিখনে এনেবোৰ মুহূৰ্ত সৃষ্টি কৰিবলৈ ব্ৰেণ্ডটোৰ স্বাক্ষৰকাৰী ক্ষমতাক জীৱন্ত কৰি তুলিছে যিবোৰক প্ৰতিৰোধ কৰাটো অসম্ভৱ। এই মুকলি অনুষ্ঠানটোত ভাষণ দি পাৰফেটি ভান মেলে ইণ্ডিয়াৰ মাৰ্কেটিং ডাইৰেক্টৰ গুঞ্জন খেটানে কয়, ‘যোৱা বছৰ ‘কেইছি জীভ লপলপায়ী’ৰ সফল প্ৰত্যাৱৰ্তনৰ ওপৰত ভিত্তি কৰি আমি চেণ্টাৰফ্ৰুইটৰ অপ্ৰতিৰোধ্য সোৱাদৰ ওপৰত পুনৰ জনসাধাৰণৰ দৃষ্টি ঘূৰাই আনিছোঁ। আমি প্লেটফৰ্মখনক এনেদৰে আগুৱাই লৈ গৈছোঁ যাতে ব্ৰেণ্ডটোৰ মূলৰ প্ৰতি সদায় সত্য হৈ থকাৰ লগতে মনোৰঞ্জনৰ নতুন স্তৰ এটাও প্ৰৱৰ্তন হয়। চেণ্টাৰফ্ৰুইটয়ে সদায় আনন্দময় আৰু অপ্ৰত্যাশিত মুহূৰ্তসমূহৰ সৃষ্টিৰ বিষয় হৈ আহিছে আৰু এই অভিযানটোৱে এটা কাহিনীৰ জৰিয়তে সেই সত্তাক নিখুঁতভাৱে ধৰি ৰাখিছেঁ।’ ডাইৰেক্টৰ প্ৰসুন পাণ্ডেই কয়, পাৰফেটি আৰু অগিল’ভী আৰু মই একেলগে সঁচাকৈয়ে বন্য, উন্মাদ আৰু পাগল কৰি দিব পৰা বিজ্ঞাপনৰ এক দীঘলীয়া ইতিহাস ভাগ বতৰা কৰিছোঁ। তেওঁলোকৰ সৈতে টিম আপ কৰাটো সদায় ৰোমাঞ্চকৰ, শিহৰণকাৰী আৰু আনন্দদায়ক। কিন্তু মই স্বীকাৰ কৰোঁ যে আমি একেলগে কৰা সকলোবোৰ কামৰ ভিতৰত নতুন চেণ্টাৰফ্ৰুইটৰ বিজ্ঞাপনটোৱেই আটাইতকৈ বন্য। আমি সঁচাকৈয়ে চিত্ৰনাট্যৰ আলোচনাৰ পৰা আৰম্ভ কৰি শ্যুট সম্পাদনা আৰু সংগীতলৈকে হাঁহি বন্ধ কৰি ৰাখিব পৰা নাই। কেৱল ছবিখন অন এয়াৰ চাবলৈ অপেক্ষা কৰিব নোৱাৰা হৈ পৰিছোঁ।’ চেণ্টাৰফ্ৰুইট ব্ৰিফত কাম কৰাটো আমাৰ বাবে সদায় এটা প্ৰধান বৈশিষ্ট্য। মিছনটো সহজঃ আইকনিক ‘লপলপ’ ব্যৱহাৰ কৰি সেই বিস্ফোৰক, জুতিলগা সোৱাদটো ধৰি ৰখাৰ আটাইতকৈ অতিশয় মনোৰঞ্জনমূলক উপায় বিচাৰি উলিওৱা। আমি এই শেহতীয়া ছবিখনত মজাৰ মাত্ৰা উৰ্ধমুখী কৰি তুলিছোঁ। ই হ’ল বিশুদ্ধ, অবিকৃত উন্মাদনা আৰু আমি এইখন বিশ্বই চোৱালৈকে অপেক্ষা কৰি থাকিব নোৱাৰা হৈ পৰিছো।’’ অগিলভী ইণ্ডিয়া (পশ্চিম)ৰ চীফ ক্ৰিয়েটিভ অফিচাৰ অনুৰাগ অগ্নিহোত্ৰীয়ে এইদৰে কয়। চেণ্টাৰফ্ৰুইটয়ে চঞ্চল, অপ্ৰতিৰোধ্য মুহূৰ্তসমূহ জগাই তোলাৰ লগতে ‘কেইছি জীভ লপলপায়ী’ৰ মজাক জীৱন্ত কৰি তুলিছে।

# নিউ আৰ্ট প্লেয়াৰ্ছৰ স্মৃতিচাৰণ সভা-ৰমেন বৰুৱাৰ জন্মদিন উদ্‌যাপন



**গুৱাহাটী, ৮ জুনঃ**অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান নিউ আৰ্ট প্লেয়াৰ্ছৰ প্ৰয়াত সদস্য সকলক স্মৃতিচাৰণ কৰাৰ অৰ্থে সংঘৰ প্ৰেক্ষাগৃহত ৪জুনত বিয়লি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। নৱজ্যোতি কলিতাই আঁত ধৰা এই অনুষ্ঠান সুনয়না গোস্বামী শৰ্মাৰ মংগলাচৰণেৰে আৰম্ভণি কৰা হয়। ইয়াৰ পিচতেই সংঘৰ সভাপতি অজয় দত্তই বন্তি প্ৰজ্বালন কৰে আৰু উপস্থিত সদস্যৰ লগতে প্ৰয়াত সদস্যৰ পৰিয়ালবৰ্গই পুষ্পাৰ্ঘ অৰ্পণ কৰে। সাধাৰণ সম্পাদক ৰথীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যই ইতিমধ্যে চিৰবিদায় লোৱা ৮৬ গৰাকী ব্যক্তিৰ নামৰ সৈতে স্মৃতিচাৰণ কৰে আৰু উপস্থিত সকলোৱে এই ব্যক্তিসকলৰ আত্মাৰ শান্তিৰ বাবে মৌন প্ৰাৰ্থনা জনায়। সদ্যপ্ৰয়াত সদস্য প্ৰগতি বৰাৰ স্মৃতিচাৰণ কৰে দ্বীপ বৰুৱাই। অনুষ্ঠানত শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ কেন্দ্ৰৰ শিক্ষাৰ্থী ক্ৰমে ভৰষা আগাৰৱাল, ধৃতিমান দাস, মিঠু মণ্ডল আৰু শ্ৰুতি কলিতাই বৰগীত পৰিবেশন কৰে। প্ৰয়াত সদস্যসকলৰ পৰিয়ালবৰ্গৰহৈ মিনাক্ষী ডেকা আৰু ড° ইন্দিৰা বৰঠাকুৰে দিয়া ভাষণত প্ৰতি বছৰতেই প্ৰয়াতসকলৰ স্মৃতি জীয়াই ৰখাৰ বাবে নিউ আৰ্ট প্লেয়াৰ্ছৰ এই পদক্ষেপক ভূয়সী প্ৰসংশা কৰে। সামৰণি ভাষণত সভাপতি অজয় দত্তই প্ৰয়াত সদস্যসকলে এই অনুষ্ঠানটোৰ প্ৰতি আগবঢ়োৱা অনবদ্য বৰঙনি শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে।শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিচত ৰমেন বৰুৱাৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কথা আৰু গুণগুণিৰে এক বিশেষ আড্ডা অনুষ্ঠান আয়োজন কৰা হয়। ইয়াত সংঘৰ সদস্যসকলৰ লগতে ৰমেন বৰুৱাৰ কেইগৰাকীমান নিকট গুণগ্ৰাহী ব্যক্তি আৰু তেখেতৰ পৰিয়ালৰ সদস্যই অংশ লয়। নিতুমণি শইকীয়াই আঁত ধৰে এই ব্যতিক্ৰমী আড্ডাৰ। আড্ডাৰ শেষৰ অনুষ্ঠানত নমিতা ভট্টাচাৰ্যৰ গীত আৰু তৰুণ কলিতাৰ সৰোদ বাদনে উপস্থিত সকলোকে আপ্লুত কৰে।৬ জুনত সন্ধিয়া নিউ আৰ্ট প্লেয়াৰ্ছৰ জ্যেষ্ঠ সদস্য, বিশিষ্ট সংগীত পৰিচালক- সুৰকাৰ ৰমেন বৰুৱাৰ ৮৬ সংখ্যক জন্মদিন অনুষ্ঠানৰ আঁত ধৰে হুমায়ুন চৌধুৰীয়ে। সংঘৰ ন-পুৰণি শিল্পীসকলে ৰমেন বৰুৱাৰ সুৰাৰোপিত আৰু সংগীত পৰিচালনা কৰা বিভিন্ন গীতমাত আৰু নৃত্য পৰিবেশন কৰে। অনুষ্ঠানত দ্বীপেন বৰুৱাই বিশেষভাৱে অংশলৈ ৰমেন বৰুৱাৰ সৈতে সংগীত যাত্ৰাৰ কেতবোৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে এটি গীত পৰিবেশন কৰে। সংগীতানুষ্ঠানৰ পিছত বৰুৱাৰ সংসাৰ তথ্যচিত্ৰখন আৰু ৪জুনত বাণীবন্ধন কৰা আড্ডা অনুষ্ঠানৰ ভিডিঅ’ প্ৰদৰ্শন কৰা হয়।

# শ্বাওমি ১৭টি স্মাৰ্টফোন মুকলি

**গুৱাহাটী, ৮ জুনঃ** শ্বাওমি ইণ্ডিয়াই বজাৰত মুকলি কৰিছে আকৰ্ষণীয় নতুন ধ্বজাবাহী স্মাৰ্টফোন শ্বাওমি ১৭টি। লাইকা কোম্পানীৰ সহযোগত যুটীয়াভাৱে প্ৰস্তুত কৰা এই ফোনটোত উন্নত ফটোগ্ৰাফী, নিমজ্জিত ডিচপ্লে প্ৰযুক্তি, শক্তিশালী প্ৰদৰ্শন আৰু দীৰ্ঘস্থায়ী বেটাৰী কাৰ্যকৰিতাৰ এক উৎকৃষ্ট সংমিশ্ৰণ ঘটোৱা হৈছে। শ্বাওমিৰ তৰফৰ পৰা জনোৱা অনুসৰি গ্ৰাহকৰ চকুৰ সুৰক্ষাৰ বাবে ইয়াত নতুন ভিজন কেয়াৰ প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে আৰু ইয়াক টিইউভি ৰিনলেণ্ড ইণ্টেলিজেণ্ট আই কেয়াৰ প্ৰমাণপত্ৰও প্ৰদান কৰা হৈছে।শ্বাওমি হাইপাৰঅ’এছ, শ্বাওমি হাইপাৰএআই, গুগল জেমিনি আৰু গুগল চাৰ্চৰ ছাৰ্কল টু চাৰ্চ প্ৰযুক্তিৰে চালিত এই শ্বাওমি ১৭টি ফোনটোত ৬৭ ৱাটৰ হাইপাৰ চাৰ্জ ছাপ’ৰ্ট থকা এটা ৬৫০০ এমএএইছ চিলিকন-কাৰ্বন বেটাৰী ব্যৱহাৰ কৰা হৈছে। এই মোবাইলটো বেঙুনীয়া, নীলা আৰু ক’লা ৰঙৰ বিকল্পত উপলব্ধ হ’ব। গুৱাহাটী মহানগৰীৰ বজাৰত এই ফোনটোৰ মুকলিয়ে প্ৰিমিয়াম স্মাৰ্টফোন খণ্ডত প্ৰতিযোগিতা আৰু অধিক তীব্ৰতৰ কৰি তুলিব বুলি আশা কৰা হৈছে। স্থানীয় খুচুৰা বিক্ৰেতাসকলৰ মতে, নিজৰ লাইকা ব্ৰেণ্ডিং, আকৰ্ষণীয় ফাইনেন্সিং সুবিধা আৰু এচিউৰ্ড বাইবেক আঁচনিয়ে উত্তৰ-পূবৰ যুৱ পেচাদাৰী, সমল সৃষ্টিকৰ্তা আৰু প্ৰযুক্তি প্ৰেমীসকলক বিশেষভাৱে আকৰ্ষিত কৰিব পাৰে।শ্বাওমি ১৭টিৰ ১২ জিবি ৰেম প্লাছ ২৫৬ জিবি ষ্টৰেজ ভেৰিয়েণ্টৰ মূল্য ৫৯,৯৯৯ টকা আৰু ১২ জিবি ৰেম প্লাছ ৫১২ জিবি ষ্টৰেজ মডেলৰ মূল্য ৬৪,৯৯৯ টকা ধাৰ্য কৰা হৈছে। গ্ৰাহকসকলে বেংকৰ জৰিয়তে ৫,০০০ টকাৰ ইনষ্টেণ্ট ডিচকাউণ্ট লাভ কৰিব পাৰিব, যাৰ ফলত ফোন দুটাৰ কাৰ্যকৰী মূল্য ক্ৰমে ৫৪,৯৯৯ টকা আৰু ৫৯,৯৯৯ টকালৈ হ্ৰাস পাব। ইয়াৰ উপৰিও ক্ৰেতাসকলে পুৰণি ফোন এক্সচেঞ্জৰ সুবিধা, এটা বিনামূলীয়া নিশ্চিত বাইবেক আৰু প্ৰিমিয়াম ডিজিটেল চাবস্ক্ৰিপচন লাভ কৰিব। এই স্মাৰ্টফোনটো ১০ জুনৰ পৰা আমাজন, শ্বাওমিৰ অফিচিয়েল ৱেবছাইট আৰু সমগ্ৰ ভাৰতৰে খুচুৰা প্ৰতিষ্ঠানসমূহত বিক্ৰীৰ বাবে উপলব্ধ হ’ব।

# চিচিইএএম এছিয়া- চিটিইএফ অসমৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ভাৰ্চুৱেল আলোচনাচক্ৰ সম্পন্ন

**গুৱাহাটী,৮জুনঃ** কমনৱেলথ কাউঞ্চিল ফৰ এডুকেশ্বন এডমিনিছট্ৰেচন এণ্ড মেনেজমেন্ট (চিচিইএএম) ৰ সৌজন্যত আৰু কাউঞ্চিল ফৰ টিচাৰ এডুকেশ্বন ফাউণ্ডেশ্যন (চিটিইএফ) অসমৰ সহযোগত ৬জুনত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এক ভাৰ্চুৱেল আলোচনাচক্ৰ অনুষ্ঠিত হয়। আনহাতে পৰৱৰ্তী প্ৰজন্মৰ বাবে যুৱ নেতৃত্ব বিষয়ক আলোচনা চক্ৰত চিচিইএএমক প্ৰতিনিধিত্ব কৰে ৰাজ্যৰ বিশিষ্ট শিক্ষাবিদ তথা চিচিইএএম এছিয়াৰ ভাৰতৰ কাৰ্যবাহী মুৰব্বী অধ্যাপিকা নীলিমা ভাগৱতীৰ লগতে চিচিইএএমৰ সভানেত্ৰী প্ৰফেছাৰ হাৰা ইমামে ভাৰ্চুৱেলী উদ্বোধন কৰি ভাষণ আগবঢ়ায়। এই আলোচনাচক্ৰত ভাৰ্চুৱেলী প্ৰায় ২০০জন লোকে অংশগ্ৰহণ কৰে। অধ্যাপিকা নীলিমা ভাগৱতীয়ে ব্যক্তব্যত কয় যে, ভাৰত চৰকাৰে যুৱ সমাজৰ কল্যাণৰ বাবে বহুতো কাম কৰিছে। যুৱ সমাজৰ জৰিয়তে ২০৪৭ চনত ভাৰত এখন শক্তিশালী, সমৃদ্ধিশালী ৰাষ্ট্ৰলৈ উন্নীত হ’ব পাৰে তাৰ বাবে কাম কৰিছে। ইয়াৰ বাবে ‘বিকশিত ভাৰত - ২০৪৭’ আঁচনি গ্ৰহণ কৰা হৈছে। দেশৰ সৰ্বাংগীন বিকাশ আৰু উন্নয়নত যুৱ সমাজে যাতে অধিক জড়িত হ’ব পাৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ড° ভেনেছেৰ ফাৰ্ণাণ্ডেজে আলোচনাচক্ৰত অংশগ্ৰহণ কৰি কয় যে, বিশ্বৰ অন্যতম যুৱ শক্তি থকা দেশসমূহৰ ভিতৰত ভাৰত হৈছে অন্যতম দেশ। যুৱ সমাজক সবলীকৰণ কৰাৰ বাবে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি- ২০২০ গ্ৰহণ কৰা হৈছে। আলোচনাচক্ৰত অংশগ্ৰহণ কৰি ড° হিথক্লিফে কয় যে যুৱ সমাজে দেশ আৰু সমাজৰ নেতৃত্ব লোৱাটো সময়ৰ আহ্বান। যুৱ সমাজে সময়ৰ পৰিৱৰ্তন কৰিব পাৰে। আলোচনা চক্ৰত ড° নিহাল ময়ুৰ আৰু ড° অৰ্চনা ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি কয় যে, ৰাষ্ট্ৰ নিৰ্মাণত যুৱ সমাজৰ বহু কৰণীয় আছে। চিভিল ছ’চাইটিকো যুৱ সমাজে নেতৃত্ব দিব পাৰে। উল্লেখ্য যে, আলোচনাচক্ৰত অংশগ্ৰহণ কৰা ২০০ জনৰ সৰহ সংখ্যকেই আছিল যুৱ সমাজ আৰু শিক্ষকতা বৃত্তিৰ লগত জড়িত লোক। সকলো অংশগ্ৰহণকাৰীৰ লগত সমল ব্যক্তিয়ে তেওঁলোকৰ প্ৰশ্ন সমূহৰ উত্তৰ দিয়ে।শেষত ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত পৰিবেশনৰে আলোচনাচক্ৰৰ সামৰণি পৰে।

# কমলপুৰত বিধায়ক দিগন্ত কলিতাক ৰাজহুৱা সম্বৰ্ধনা

## ছাত্ৰ- ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা




**বাতৰি কাকত,কমলপুৰ,৮জুনঃ** কামৰূপ জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান কমলপুৰ জনপ্ৰিয় ক্লাব আৰু কমলপুৰ প্ৰেছ ক্লাবৰ যুটীয়া উদ্যোগত দেওবাৰে কমলপুৰ বিধান সভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দিগন্ত কলিতাক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কমলপুৰ জনপ্ৰিয় ক্লাবৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সম্বৰ্ধনা সভাত বিধায়ক দিগন্ত কলিতাক গামোচা,চেলেং চাদৰ, জাপি, শৰাই, অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। শংকৰদেৱ সংগীত বিদ্যালয়ৰ ছাত্ৰীসকলে পৰিবেশন কৰা আৰম্ভণি গীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। কমলপুৰ প্ৰেছ ক্লাবৰ সভাপতি প্ৰদীপ কুমাৰ ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত এই সম্বৰ্ধনা সভাত বেদান্ত কাশ্যপ নামৰ ছাত্ৰগৰাকীয়ে চেক্সফোন বজাই সকলোকে মোহিত কৰে। উল্লেখ যে, অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিবেশ সম্পৰ্কত এখন চিত্ৰাংকন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। কমলপুৰত জনপ্ৰিয় ক্লাবৰ সভাপতি দীপক দাসে আঁতধৰা অনুষ্ঠানত বিধায়ক দিগন্ত কলিতাই অহংকাৰ শূন্যভাৱে সমষ্টিৰ উন্নয়নৰ হকে কাম কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। অনুষ্ঠানত প্ৰেছ ক্লাবৰ সভাপতি প্ৰদীপ কুমাৰ ভৰালীয়ে পাঁচ হাজাৰ টকাৰ গ্ৰন্থ বিধায়ক দিগন্ত কলিতাৰ হাতেৰে জনপ্ৰিয় ক্লাবৰ পুথিভঁৰাললৈ অৰ্পণ কৰে। এই সম্বৰ্ধনা সভাত বিধায়ক কলিতাক যুৱ ছাত্ৰ পৰিষদ, কমলপুৰ আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভা, কোচ চুবুৰী নামঘৰ, বৰদৈপখিয়া প্ৰাথমিক বিদ্যালয়, আলেকজাৰী প্ৰাথমিক বিদ্যালয়কে ধৰি বিভিন্ন দল সংগঠনে বিধায়ক গৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত কমলপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তুলসী ৰঞ্জন কলিতা, লোকনিৰ্মাণ বিভাগৰ কমলপুৰ ক্ষেত্ৰীয় উপ- সংমণ্ডল সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰাণজিত তালুকদাৰ, কমলপুৰ মণ্ডল বিজেপিৰ সভাপতি দুদুল কাকতি, কমলপুৰ আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি ব্ৰজেন্দ্ৰ মোহন দেৱ শৰ্মাকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# গুৱাহাটীত ‘এক্সপেৰিয়েন্স এলপিইউ-এ ডে’ অৱ লাইফটাইম ইন্সপিৰেচন’ৰ দ্বিতীয় সংস্কৰণ



**গুৱাহাটী, ৮জুনঃ** উচ্চশিক্ষা, কৰ্মজীৱনৰ সুযোগ আৰু মেধাবৃত্তি সংক্ৰান্তীয় তথ্য জনাৰ হেঁপাহেৰে শিক্ষাৰ্থী তথা অভিভাৱকসকলৰ উৎসাহী অংশগ্ৰহণৰ মাধ্যমেৰে শনিবাৰে লাভলী প্ৰফেচনেল ইউনিভাৰ্চিটি চমুকৈ এলপিইউৱে আয়োজন কৰে তেওঁলোকৰ অন্যতম প্ৰধান জনসংযোগ কাৰ্যসূচী ‘এক্সপেৰিয়েন্স এলপিইউ- এ ডে’ অৱ লাইফটাইম ইন্সপিৰেচন’-ৰ দ্বিতীয় সংস্কৰণ। এই কাৰ্যসূচীত অসম তথা পাশ্বৰৰ্তী বিভিন্ন ৰাজ্যৰ পৰা অহা শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ ব্যাপক সঁহাৰি প্ৰত্যক্ষ হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে গুৱাহাটী, শ্বিলং, তেজপুৰ, নগাঁও, বঙাইগাঁও, গোৱালপাৰা, বৰপেটা, ডিব্ৰুগড় আৰু ডিমাপুৰৰ পৰা অহা বহুসংখ্যক প্ৰাৰ্থীয়ে। বিশ্ববিদ্যালয়খনে আগবঢ়োৱা উচ্চশিক্ষাৰ বিভিন্ন সুযোগ, ভৱিষ্যত কৰ্মজীৱনৰ সম্ভাব্য দিশনিৰ্ণয় আৰু মেধাবৃত্তিৰ সম্ভাৱনা সম্পৰ্কে বিস্তাৰিত তথ্য তেওঁলোকে সৱিশেষ অন্বেষণ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট শিক্ষাবিদ, বিজ্ঞান আন্দোলনৰ কৰ্মী তথা লেখক তপন কুমাৰ শৰ্মা। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ তথা পদাৰ্থ বিজ্ঞানৰ সহযোগী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰা শৰ্মাই গণবিজ্ঞান আন্দোলনৰ জৰিয়তে বিজ্ঞানক সাধাৰণ ৰাইজৰ মাজত জনপ্ৰিয় কৰি তোলাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। বিজ্ঞান, ইতিহাস আৰু অসমীয়া প্ৰবাসী সমাজক কেন্দ্ৰ কৰি তেওঁ একাধিক সমাদৃত গ্ৰন্থও ৰচনা কৰিছে।শিক্ষাৰ্থী আৰু অভিভাৱকসকলক উচ্চশিক্ষাৰ বিভিন্ন সুযোগ-সুবিধা সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰাৰ লক্ষ্যৰেই আয়োজন কৰা হয় এই কাৰ্যসূচীৰ। অনুষ্ঠানত কৰ্মজীৱনমুখী শিক্ষা, শিক্ষাৰ্থীৰ বিকাশত বিশ্ববিদ্যালয়ৰ বিভিন্ন পদক্ষেপ, সংস্থাপনৰ সহায়-সহযোগিতা, আন্তঃৰাষ্ট্ৰীয় এক্সপ’জাৰ কাৰ্যসূচী আৰু লাভলী প্ৰফেচনেল ইউনিভাৰ্চিটীত উপলব্ধ বিস্তৃত মেধাবৃত্তিৰ সুযোগ সম্পৰ্কে সৱিশেষ তথ্য দাঙি ধৰা হয়। বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ প্ৰতিনিধিসকলৰ ভিতৰত ড° ৰাজেশ বাৰ্মা, ড° বিশাল শৰ্মা, ড° বৰুণ কুমাৰ আৰু ড° বলপ্ৰীত সিঙে অংশগ্ৰহণকাৰীসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁলোকে নামভৰ্তি, শিক্ষাব্যৱস্থা তথা শিক্ষাৰ্থীৰ জীৱন সংক্ৰান্তীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। এই সমাৰেশসমূহত এল পি ইউৰ শিক্ষাব্যৱস্থা, উদ্যোগক্ষেত্ৰৰ সৈতে অংশীদাৰিত্ব, ইণ্টাৰ্ণশ্বিপৰ সুযোগ, সংস্থাপন ব্যৱস্থা, দক্ষতা উন্নয়নমূলক পদক্ষেপ আৰু আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ অভিজ্ঞতা সম্পৰ্কে বিস্তাৰিত তথ্য দাঙি ধৰা হয়। ইয়াৰ সমান্তৰালভাৱে, এই সকলো সুবিধা-সুযোগে শিক্ষাৰ্থীসকলক বাস্তৱ কৰ্মজগতৰ চাহিদাৰ সৈতে খাপ খুৱাই ল’বলৈ আৰু ভৱিষ্যত কৰ্মজীৱনৰ বাবে প্ৰস্তুত হ’বলৈ কেনেকৈ সহায় কৰে, সেই বিষয়েও বিস্তাৰিতভাৱে আলোচনা কৰা হয় ।লক্ষ্যণীয় যে, এই কাৰ্যসূচীৰ অন্যতম প্ৰধান আকৰ্ষণ আছিল মেধাবী তথা যোগ্য শিক্ষাৰ্থীসকলক স্বীকৃতি প্ৰদান আৰু মেধাবৃত্তি বিতৰণ। শৈক্ষিক কৃতিত্ব, ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত লাভ কৰা সফলতা, লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অৰ্জিত ফলাফলৰ ভিত্তিত শিক্ষাৰ্থীসকলক এই মেধাবৃত্তি প্ৰদান কৰা হয়। এই পদক্ষেপে শিক্ষাৰ্থী আৰু অভিভাৱক- উভয় পক্ষৰ পৰাই উৎসাহজনক সঁহাৰি লাভ কৰে ।শিক্ষাৰ্থীসকলৰ সমান্তৰালভাৱে তেওঁলোকৰ অভিভাৱকসকলৰো সক্ৰিয় অংশগ্ৰহণেৰে সমগ্ৰ কাৰ্যসূচীটো প্ৰাণৱন্ত হৈ পৰে। এই অংশগ্ৰহণে অঞ্চলটোৰ তৰুণ প্ৰজন্মৰ মাজত মানসম্পন্ন উচ্চশিক্ষা আৰু ভৱিষ্যতমুখী কৰ্মজীৱনৰ সুযোগক লৈ গঢ়ি উঠা ক্ৰমবৰ্ধমান আগ্ৰহ তথা প্ৰত্যাশা সুন্দৰভাৱে প্ৰতিফলিত কৰে। কাৰ্যসূচীৰ পাৰস্পৰিক মত-বিনিময়মূলক বিন্যাসে অংশগ্ৰহণকাৰীসকলক এলপিইউৰ শিক্ষাব্যৱস্থা, শিক্ষাৰ্থী সহায়িকা ব্যৱস্থা আৰু কৰ্মজীৱনৰ সম্ভাৱনা সম্পৰ্কে অধিক গভীৰ তথা স্পষ্ট ধাৰণা লাভ কৰাৰ সুযোগ উলিয়াই দিয়ে। লাভলী প্ৰফেচনেল ইউনিভাৰ্চিটিৰ সহকাৰী সঞ্চালক তথা জ’নেল হেড (পূব আঞ্চলিক) ভূৱন সাৰিন আৰু সহকাৰী সঞ্চালক (যোগাযোগ, সম্পৃক্ততা আৰু অংশীদাৰিত্ব) জীতেন্দ্ৰ কুমাৰ দীক্ষিতৰ নেতৃত্বত এলপিইউৰ গুৱাহাটী কাৰ্যালয়ৰ দলটোৱে সফলভাৱে কাৰ্যসূচীটোৰ সমন্বয় আৰু ৰূপায়ণ কৰে। মন কৰিবলগীয়া যে, ‘এক্সপেৰিয়েন্স এলপিইউ- এ ডে’ অৱ লাইফটাইম ইন্সপিৰেচন’-ৰ সফল আয়োজনে শৈক্ষিক সচেতনতা, কৰ্মজীৱন সংক্ৰান্তীয় দিশনিৰ্ণয় আৰু ৰূপান্তৰণকাৰী শিক্ষাৰ সুযোগৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ সবলীকৰণৰ প্ৰতি থকা লাভলী প্ৰফেচনেল ইউনিভাৰ্চিটিৰ প্ৰতিশ্ৰুতিক পুনৰবাৰ দৃঢ়তাৰে প্ৰকাশ কৰিছে।

# বিশ্ব পৰিৱেশ দিৱসত ৰিজ’নিয়াৰ বৃক্ষৰোপণ অভিযান




**কাজলগাঁও, ৮জুনঃ** বিশ্ব পৰিৱেশ দিৱস-২০২৬ উপলক্ষে ৰিজ’নিয়াই নিজ প্ৰকল্প এলেকাসমূহত ব্যাপক হাৰত বৃক্ষৰোপণ অভিযান আৰম্ভ কৰিছে আৰু এসপ্তাহৰ ভিতৰত ৫০০ জোপা বৃক্ষৰোপণৰ লক্ষ্য স্থিৰ কৰিছে। এই উপলক্ষে ৫ জুনত ৰিজ’নিয়াৰ সহযোগী প্ৰতিষ্ঠান কেইচিৰ ৰাখলডুবিস্থিত কাৰ্যালয়ৰ বাকৰিত এই অভিযানৰ প্ৰাৰম্ভণি কৰা হয় আৰু পিছত কাজলগাঁও আৰক্ষী থানা আৰু ছিডলি ৰাজহ চক্ৰ কাৰ্যালয়ৰ চৌহদত বৃক্ষৰোপণ কৰা হয়। আজি আৰু অহা ৯ জুনলৈ এই অভিযান ৰিজ’নিয়াৰ প্ৰকল্প এলেকাৰ বিভিন্ন হস্পিতাল, বিদ্যালয়, মহাবিদ্যালয় আৰু চৰকাৰী কাৰ্যালয়সমূহত অব্যাহত থাকিব। ‘বৃক্ষৰোপণ কেৱল পৰিৱেশ সেউজীয়াকৰণ প্ৰয়াসে নহয়, ইয়াৰ অৰ্থ হৈছে আমাৰ সমাজৰ বাবে এখন সু-স্বাস্থ্যসন্মত আৰু পৰিৱেশ অনুকূল ভৱিষ্যত নিৰ্মাণৰ বাবে উদ্যোগ গ্ৰহণ কৰা। এই পদক্ষেপ পৰিৱেশ সংৰক্ষণত অৰ্থপূৰ্ণভাৱে অৱদান আগবঢ়োৱাৰ লগতে এক সেউজীয়া ভৱিষ্যতৰ বাবে সামূহীয়া পদক্ষেপ গ্ৰহণত সকলোকে উৎসাহিত কৰাৰ এক প্ৰয়াস’ বুলি ৰিজ’নিয়াৰ মুখপাত্ৰই জানিবলৈ দিয়ে। উল্লেখ্য যে, এই অভিযানৰ সফলতা সুনিশ্চিত কৰাৰ বাবে, ৰিজ’নিয়াই প্ৰতিমাহে ৰোপণ কৰা বৃক্ষৰ প্ৰয়োজনীয় যত্ন আৰু ব্যৱস্থাপনাৰ জৰিয়তে লগতে নিয়মীয়া পৰ্যবেক্ষণ আৰু ৰক্ষণাবেক্ষণ অব্যাহত ৰাখিব যাতে বৃক্ষসমূহ মৰহি নাযায়। উক্ত অভিযানত ৰিজ’নিয়া আৰু কেইচিৰ বিভিন্ন বিষয়া- কৰ্মচাৰীৰ লগতে কাজলগাঁও আৰক্ষী আৰু ছিডলি ৰাজহ চক্ৰ কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে।

## ইৰাণৰ পৰা আহিবলৈ ভাৰতীয়ক পৰামৰ্শ দূতাবাসৰ

ইজৰাইলৰ সংঘাতত উত্তপ্ত হৈ পৰিছে পশ্চিম এছিয়া। লেবাননত সংঘটিত হোৱা আগ্ৰাসনৰ প্ৰতিবাদত দেওবাৰে ইৰাণে ইজৰাইলৰ ওপৰত ক্ষেপণাস্ত্ৰ আক্ৰমণ চলায়। কমেও ১০টা ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা বুলি অভিযোগ উঠিছে। ইয়াৰ লগে লগে ইজৰাইলে ইয়াৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। দুয়োখন দেশে নিজৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থা সক্ৰিয় কৰিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুক ইৰাণক আক্ৰমণ নকৰিবলৈ অনুৰোধ জনাইছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। ইয়াৰ পিছতো সোমবাৰে ইজৰাইলৰ বাহিনীয়ে ইৰাণক আক্ৰমণ কৰে। ইৰাণৰ ৰাজধানী তেহৰাণত থকা ভাৰতীয় দূতাবাসে সোমবাৰে পুৱা এক বিবৃতি প্ৰকাশ কৰে। ইয়াত কোৱা হৈছে যে অঞ্চলটোত শেহতীয়া পৰিঘটনাৰ পোহৰত দূতাবাসে পূৰ্বৰ পৰামৰ্শ বজাই ৰাখিছে। এতিয়া সকলো ভাৰতীয় নাগৰিকক ইৰাণলৈ নাযাবলৈ পৰামৰ্শ দিয়া হৈছে। ইয়াৰ উপৰিও বৰ্তমান ইৰাণত থকা ভাৰতীয়সকলে যিকোনো প্ৰকাৰে দেশ এৰি যাব লাগে। ২৮ ফেব্ৰুৱাৰীত আমেৰিকা আৰু ইজৰাইলৰ যৌথ বাহিনীয়ে ইৰাণক আক্ৰমণ কৰাৰ পিছত পশ্চিম এছিয়াত সংঘাত তীব্ৰতৰ হৈ পৰে। তাৰ পিছৰে পৰা ভাৰতৰ দূতাবাসে কেইবাটাও বিবৃতি প্ৰকাশ কৰাৰ লগতে বিভিন্ন পৰামৰ্শও প্ৰদান কৰে। কোৱা হৈছে যে তেওঁলোকে পশ্চিম এছিয়াৰ পৰিস্থিতি নিৰীক্ষণ কৰি আছে। ভাৰতীয়ৰ সুৰক্ষা আৰু নিৰাপত্তাক অগ্ৰাধিকাৰ দিয়া হৈছে। শান্তি প্ৰতিষ্ঠাৰ বাবে আমেৰিকা আৰু ইৰাণৰ মাজত আলোচনা চলি আছে। ট্ৰাম্পে দাবী কৰে যে তেওঁলোক চুক্তিৰ অতি ওচৰ চাপিছে।

## কেইৰ্ণ-বেদান্ত অইলৰ গেছৰ দ্বাৰা দেশীয় গেছ যোগান বৃদ্ধি

ভাৰতৰ নিৰ্ভৰযোগ্য আৰু দেশীয় শক্তিৰ চাহিদা পূৰণত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। ভাৰতত তেল আৰু গেছ উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যৰে আগবঢ়া এই কোম্পানীটোৱে দেশৰ নিজস্ব শক্তি সম্পদৰ সম্ভাৱনাক অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰি অধিক শক্তিশালী, স্থিতিশীল আৰু আত্মনিৰ্ভৰ শক্তি ভৱিষ্যত গঢ়ি তোলাৰ ক্ষেত্ৰত নিজৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰিছে। উল্লেখ্য যে এই মাহত কোম্পানীটোৱে এক উল্লেখযোগ্য মাইলৰ খুঁটি অতিক্ৰম কৰে। হাজাৰিগাঁও সম্পদক্ষেত্ৰত সম্প্ৰসাৰিত কূপ পৰীক্ষণ (EWT) চলি থকা সময়ছোৱাত কেইৰ্ণৰ দৈনিক সৰ্বাধিক ১,৭৮,৩৬১ ষ্টেণ্ডাৰ্ড কিউবিক মিটাৰ (SCM) গেছ উৎপাদন বৰ্তমান সময়ৰ বাবে এক নতুন ইতিহাস। উক্ত উল্লেখযোগ্য সাফল্যই উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি সম্ভাৱনাৰ এক উজ্জ্বল প্ৰতিচ্ছবি দাঙি ধৰি দেশীয় শক্তি উৎপাদন বৃদ্ধিত হাজাৰিগাঁও ক্ষেত্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু সুদৃঢ় সক্ষমতাক স্পষ্টভাৱে প্ৰতিফলিত কৰিছে। ২০২৬ বিত্তীয় বৰ্ষত (EWT) এই ক্ষেত্ৰখনে গড়ে প্ৰতিদিনে প্ৰায় ১,০২,০০০ SCM গেছ উৎপাদন বজাই ৰাখি স্থিৰ আৰু ধাৰাবাহিক উৎপাদন ক্ষমতাৰ পৰিচয় দিছে। আনুমানিক ২০ মিলিয়ন BOE অথবা ১১.৭৬ BCF (Billion Cubic Feet) গেছ উদ্ধাৰৰ সম্ভাৱনাৰে এই ক্ষেত্ৰই ভাৰতৰ দেশীয় শক্তি ভাণ্ডাৰক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গ্ৰহণ কৰা হাইড্ৰ'কাৰ্বন ভিজন ২০৩০-এ অঞ্চলটোৰ অপাৰ শক্তি সম্ভাৱনাক বাস্তৱায়িত কৰাৰ লগতে আঞ্চলিক উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত কোম্পানীটোৰ পদক্ষেপসমূহক অব্যাহতভাৱে দিশ নিৰ্দেশনা দি আহিছে। Discovered Small Fields (DSF) ব্লকৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশমান শক্তি পৰিসৰত এক বিশ্বাসযোগ্য আৰু গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপে নিজৰ উপস্থিতি সুদৃঢ় কৰাৰ সফল হৈছে কেইৰ্ণ। বিশেষকৈ, অসম গেছ কোম্পানী লিমিটেড (AGCL)-ৰ সৈতে সুদৃঢ় সহযোগিতাৰ ভিত্তিত উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে বাণিজ্যিকভাৱে গেছ ব্যৱহাৰৰ সূচনা কৰি কোম্পানীটোৱে গেছ-ভিত্তিক এক নতুন শক্তি পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত পথ প্ৰশস্ত কৰিছে। ক্ষেত্ৰখনৰ পৰা উৎপাদিত গেছে ইতিমধ্যে বিভিন্ন খণ্ডত ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিছে। ২০২৩ চনৰ পৰা AGCL-ৰ জৰিয়তে চাহ বাগিচাসমূহলৈ গেছ যোগান ধৰি কয়লাভিত্তিক ব্যৱস্থাৰ পৰা অধিক পৰিষ্কাৰ, দক্ষ আৰু পৰিৱেশ-অনুকূল ইন্ধনৰ ব্যৱহাৰ কৰালৈ সকলো দিশতে এক তাৎপৰ্যপূৰ্ণ ৰূপান্তৰ আনিবলৈ সহায় কৰা হৈছে। একে সময়তে, গুৱাহাটীত চলি থকা ১০০খন CNG বাছ পৰিচালনাত এই গেছৰ ব্যৱহাৰে ৰাজ্যখনৰ পৰিষ্কাৰ, বহনক্ষম আৰু আধুনিক যাতায়াত ব্যৱস্থাক অধিক গতি আৰু শক্তি প্ৰদান কৰিছে। EWT চলি থকা সময়ছোৱাত কেইৰ্ণে AGCL-ৰ জৰিয়তে নুমলীগড় শোধনাগাৰ লিমিটেড (NRL)-লৈ গেছ যোগান অব্যাহত ৰাখি বিদ্যুৎ উৎপাদন আৰু ঔদ্যোগিক শক্তি ব্যৱস্থাক অধিক শক্তিশালী কৰি তুলিছে। দায়িত্বশীল আৰু বহনক্ষম শক্তি উৎপাদনৰ প্ৰতি অটল প্ৰতিশ্ৰুতিৰে কেইৰ্ণে Zero Routine Gas Flaring নিশ্চিত কৰাৰ লগতে সম্পদৰ সঠিক আৰু দক্ষ ব্যৱহাৰ অব্যাহত ৰাখিছে। চাহ বাগিচাসমূহলৈ পৰিষ্কাৰ ইন্ধনৰ যোগান, পৰিৱেশ-অনুকূল পৰিবহণ ব্যৱস্থাক গতি প্ৰদান আৰু উদ্যোগসমূহৰ শক্তি চাহিদা পূৰণৰ জৰিয়তে অসমৰ উন্নয়নৰ যাত্ৰাত কোম্পানীটোৱে এক ইতিবাচক আৰু ধাৰাবাহিক ভূমিকা পালন কৰি আহিছে। Protect, Preserve, Produce - এই মূল দৰ্শনক সৰোগত কৰি কেইৰ্ণে দায়িত্বশীলভাৱে শক্তি উৎপাদন অব্যাহত ৰাখি এক অন্তৰ্ভুক্তিমূলক, বহনক্ষম আৰু অধিক সুৰক্ষিত ভৱিষ্যত গঢ়ি তোলাৰ দিশত দৃঢ়তাৰে আগবাঢ়ি গৈছে।

## ১২ নতুন মন্ত্ৰীক দপ্তৰ বিতৰণ

আৰু সবলীকৰণ, ভূমি সংৰক্ষণ, সংখ্যালঘু উন্নয়ন। মন্ত্ৰী অশোক সিংহালৰ দপ্তৰসমূহ ক্ৰমে- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা, শিক্ষা আৰু গৱেষণা। মন্ত্ৰী বিমল বড়াৰ দপ্তৰসমূহ ক্ৰমে- সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান। মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ দপ্তৰসমূহ ক্ৰমে- হস্ততাঁত, ৰেচম শিল্প, ক্ৰীড়া আৰু যুৱ কল্যাণ, দক্ষতা, নিয়োগ আদি। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ দপ্তৰসমূহ- বিত্ত, পৰিৱেশ আৰু বন, খনি আৰু খনিজজাত সম্পদ। মন্ত্ৰী কৌশিক ৰায়ৰ দপ্তৰসমূহ- খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা, গৃহ আৰু নগৰ পৰিক্ৰমা নিগম। মন্ত্ৰী কেশৱ মহন্তৰ দপ্তৰসমূহ- ৰাজহ আৰু দুৰ্যোগ প্ৰশমন, বিজ্ঞান, তথ্য প্ৰযুক্তি, জলবায়ু পৰিৱৰ্তন, সাধাৰণ প্ৰশাসন। মন্ত্ৰী কৃষ্ণেন্দু পালৰ দপ্তৰসমূহ ক্ৰমে- জনস্বাস্থ্য কাৰিকৰী, পাৰ্বত্য ভূমি, বৰাক উপত্যকা উন্নয়ন। মন্ত্ৰী নীলিমা দেৱীৰ দপ্তৰসমূহ- পশু পালন, মীন। মন্ত্ৰী পীযুষ হাজৰিকাৰ দপ্তৰসমূহ- কৃষি, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা আৰু মন্ত্ৰী সুশান্ত বৰগোঁহাইৰ দপ্তৰ কেইটা হ'ল- জলসম্পদ আৰু ন্যায়িক বিভাগ।

## বৃদ্ধাৰ ডিঙিৰ পৰা কাঢ়িলে সোণৰ চেইন

সোণৰ চেইন থপিয়াই লৈ ঘটনাস্থলীৰ পৰা উধাও হয়। ঘটনাৰ পাছতে ভুক্তভোগী পৰিয়ালে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। বিশ্বনাথ আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা চি চি টিভি ফুটেজ সংগ্ৰহ কৰি পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰিছে আৰু তদন্ত অব্যাহত ৰাখিছে। ইফালে দিন-দুপৰতে সংঘটিত এই ঘটনাই সমগ্ৰ বিশ্বনাথ নগৰতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজে চোৰক শীঘ্ৰে কৰায়ত্ত কৰি কঠোৰ শাস্তিৰ দাবী জনাইছে।

## তেজপুৰৰ দোলাবাৰী বজাৰত প্ৰশাসনৰ উচ্ছেদ অভিযান

বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি অবৈধভাৱে পুনৰ বজাৰখন চলাই আছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে চৰকাৰী মাটিত নীতি-বহিৰ্ভূতভাৱে বজাৰখন চলাই থকাৰ তথ্য লাভ কৰাৰ পাছতেই আজি শোণিতপুৰ জিলা প্ৰশাসনে পুনৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰে। আজি পুৱাই আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত প্ৰশাসনৰ দলটো দোলাবাৰী বজাৰত উপস্থিত হয়। কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হ'বলৈ নিদিয়াকৈ প্ৰশাসনে জেচিবি আৰু বুলডজাৰ ব্যৱহাৰ কৰি অবৈধ বজাৰ গৃহসমূহ সম্পূৰ্ণৰূপে ভাঙি দিয়ে। আনফালে, চৰকাৰী উন্নয়নমূলক আঁচনিত বাধাৰ সৃষ্টি কৰা আৰু উচ্ছেদৰ পিছতো পুনৰ চৰকাৰী ভূমি দখল কৰা এনে কাৰ্যৰ বিৰুদ্ধে প্ৰশাসনে গ্ৰহণ কৰা এই কঠোৰ স্থিতিক একাংশ স্থানীয় সচেতন ৰাইজে আদৰণি জনাইছে। চৰকাৰী নিৰ্দেশনা অৱমাননা কৰা মহলদাৰজনৰ বিৰুদ্ধে অনাগত দিনত প্ৰশাসনে কি আইনী পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।

## গাঁওবুঢ়াৰ মানসিক নিৰ্যাতন সহিব নোৱাৰি দুই সন্তানৰ মাতৃৰ আত্মহনন

বাসগৃহত আত্মহননৰ পথ বাছি লোৱা বুলি অভিযোগ কৰে পাচিগাঁৱৰ ৰাইজে। ইপিনে এই ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে উত্তেজিত পাচিগাঁৱৰ শতাধিক ৰাইজ জামুগুৰি আৰক্ষী থানাত সমবেত হয়। প্ৰতিবাদকাৰী ৰাইজে থানা চৌহদতে ধৰ্না কাৰ্যসূচী ৰূপায়ন কৰি দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে এক গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰি তুলিছে। ঘটনা সংঘটিত হোৱাৰ পাছৰে পৰা মূল অভিযুক্ত ডেকাচুক গাঁৱৰ গাওঁবুঢ়া পৱন নাথ বৰ্তমান পলাতক অৱস্থাত আছে। আৰক্ষীয়ে পলাতক গাওঁবুঢ়াগৰাকীৰ বিচাৰি অভিযান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। আৰক্ষী প্ৰশাসনে উত্তেজিত ৰাইজক উচিত ন্যায় প্ৰদানৰ আশ্বাস দিয়াত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে।

## চাৰিদুৱাৰত বিদ্যালয় ভাঙি তহিলং বন্যহস্তীৰ

মাজতে যোৱানিশা বন্যহস্তীয়ে ভাঙি তহিলং কৰে বালিপৰা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ লোকা মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ চাৰিদুৱাৰ ঢাৰিকাটিস্থিত ঢাৰিকাটি মধ্য ইংৰাজী বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ দেৱাল আৰু ৰান্ধনি গৃহ। জানিব পৰা মতে যোৱানিশা বালিপৰা আৰু চেঙেলীমৰা সংৰক্ষিত বনাঞ্চলৰপৰা খাদ্যৰ সন্ধানত ঢাৰিকাটি গাঁৱত প্ৰৱেশ কৰা হাতীৰ জাক এটাই গঞা ৰাইজক সন্ত্ৰস্ত কৰি ৰখাৰ লগতে ঢাৰিকাটি মধ্য ইংৰাজী বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ পকী দেৱাল আৰু বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনিগৃহটোৰ দেৱাল ভাঙি তচনচ কৰে। লগতে ৰান্ধনিগৃহটোত মজুত ৰখা চাউল, বাচন-বৰ্তন আদিও খাই ভাঙি তহিলং কৰি বিস্তৰ ক্ষতিসাধন কৰে। আজি পুৱা বিদ্যালয়লৈ আহি বিদ্যালয়ৰ শিক্ষকে ঘটনাটো দেখি হতবাক হৈ পৰে। লগে লগে খবৰ দিয়ে স্থানীয় বনবিভাগক। বনবিভাগ ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। উল্লেখ্য যে উক্ত বিদ্যালয়খনে বন্যহস্তীয়ে বছৰেকত তিনিবাৰ চাৰিবাৰকৈ ভাঙি অনিষ্ট কৰি আহিছে। ইমানৰ পিছতো চৰকাৰী বিদ্যালয়খনক সুৰক্ষা দিবলৈ সক্ষম হোৱা নাই স্থানীয় বনবিভাগ।

## বিজেপি বিধায়ক ৰমাকান্তৰ বিপদ ঘণ্টা

তথা মৎস্য পালকৰ নাম লৈ কোটি কোটি টকা লুণ্ঠন কৰিছিল বৃহৎ চক্ৰটোৱে। বিশেষকৈ ঠিকাদাৰক ধন সৰকাই নিয়াত সহায় কৰিছিল অনুসূচীত জাতিৰ সংগঠনৰ একাংশ নেতা আৰু মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰীয়ে। শীঘ্ৰে অনুসূচীত জাতিৰ সংগঠনৰ নেতা আৰু মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী তদন্তৰ আওতালৈ আনিব লাগে। ২০১৯ চনৰ পৰা ২০২১ চনলৈ মীন উন্নয়ন নিগমৰ অধ্যক্ষ আছিল খোদ ৰমাকান্ত দেউৰী। দেউৰীৰ কাৰ্যকালতে এই দুৰ্নীতি সংঘটিত হৈছিল। ২০১৯ চনৰ পৰা ২০২১ চনলৈ বিল পৰিস্কাৰ, পাৰ বন্ধা আৰু মেটেকা আঁতৰোৱাৰ নামত সংঘটিত কৰা বৃহৎ কেলেংকাৰীত জড়িত খলনায়ক পদ্মকান্ত হাজৰিকা, মীন উন্নয়ন নিগমৰ প্ৰাক্তন পৰিচালন সঞ্চালক অনুৰাধা অধিকাৰী শৰ্মা, এচিএছ নৰেন চন্দ্ৰ বসুমতাৰী, প্ৰাক্তন কাৰ্যবাহী অভিযন্তা জ্যোতিষ শইকীয়া, প্ৰাক্তন কাৰ্যবাহী অভিযন্তা বিৰিঞ্চি অধিকাৰী, প্ৰাক্তন সহকাৰী কাৰ্যবাহী অভিযন্তা জ্যোতি প্ৰসাদ শইকীয়া, প্ৰাক্তন সহকাৰী অভিযন্তা চবুৰুদ্দিন আহমেদ, প্ৰাক্তন প্ৰকল্প প্ৰবন্ধক, ভগীৰথ দাস, প্ৰাক্তন সহকাৰী কাৰিকৰী বিষয়া ৰবীন্দ্ৰ নাৰায়ণ ডেকাক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰিছে। সংগঠনটোৰ সভাপতিগৰাকীয়ে লগতে কয়- মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী আৰু অনুসূচীত জাতিৰ সংগঠনৰ একাংশ নেতাক গ্ৰেপ্তাৰ কৰা হওক। ২০১৯ চনৰ পৰা ২০২১ চনলৈ ৰমাকান্ত দেউৰী মীন উন্নয়ন নিগমৰ অধ্যক্ষ হৈ থকা কালত বৃহৎ অবৈধ নিযুক্তি দিয়া হৈছিল। ৫১ পৰা ৬ লাখ টকা লৈ প্ৰায় চৰজ্জাৰাকী লোকক অবৈধভাৱে নিযুক্তি দিয়া হৈছিল। এই নিযুক্তি কেলেংকাৰী পোনে পোনে জড়িত আছিল অনুসূচিত জাতিৰ এটা পাবত গজা সংগঠনৰ এজন নেতা। নেতাজনে বহু প্ৰাৰ্থীৰ পৰা ছ লাখ টকা পৰ্যন্ত উপঢৌকন লৈছিল। নেতাজনৰ অঙহী-বঙহী আৰু অধ্যক্ষ ৰমাকান্ত দেউৰীৰ ঘনিষ্ঠ লোকক চাকৰিত মকৰল কৰিছিল। এটা নিয়োগ কেলেংকাৰী ২০২২ চনতে পোহৰলৈ আহিছিল যদিও গাপ দি ৰখা হৈছিল। এতিয়া যিহেতু মীন বিভাগৰ কেলেংকাৰীৰ তদন্ত কৰি থকা হৈছে সেয়েহে নিয়োগ কেলেংকাৰীৰ তদন্ত কৰি অনুসূচীত জাতিৰ পাবত গজা নেতাজন আৰু অধ্যক্ষ দেউৰীক তদন্তৰ আওতালৈ আনিব লাগে। যাতে নিয়োগ কেলেংকাৰীৰ ৰহস্য পোহৰলৈ আহে। তেওঁ লগতে কয়- এই নিযুক্তিৰ বাবে কোনো বিজ্ঞাপন দিয়া হোৱা নাছিল। অনুষ্ঠিত হোৱা নাছিল নিযুক্তি পৰীক্ষা। যাৰ বাবে এই নিযুক্তি আছিল অবৈধ বুলি কৈ বাতিল কৰা হৈছিল। কেৱল বিল পৰিস্কাৰ বা নিয়োগ কেলেংকাৰীয়ে সংঘটিত হোৱা নাছিল। ফীছফেডে মৎস্য পালকৰ বাবে ভ্ৰাম্যমান মাছ বিক্ৰী কেন্দ্ৰৰ বাবে বাহনৰ ব্যৱস্থা কৰিছিল। কিন্তু সেইবাহনসমূহ একাংশ ঘনিষ্ঠক অতি কম দৰতে ভাড়াত দিয়া হৈছিল। পিছত একেই কেইখন বাহন পানীৰ দৰত নিলাম কৰা হৈছিল। সমানে ফীছফেডত সংঘটিত হৈছিল নিয়োগ কেলেংকাৰী। সভাপতি সঞ্জীৱ দাসে আৰু কয়- এমডি ধ্ৰুৱজ্যোতি শৰ্মা থকা কালত ৰবগৰাকী নিবনুৱাক অস্থায়ীভাৱে নিযুক্তি দিয়া হৈছিল। নিবনুৱাসকলক ১৮ হাজাৰকৈ টকা দৰমহা দিয়াৰ কথা আছিল যদিও মাথোঁ মাহেকত ৯ হাজাৰ টকাকৈ আদায় দি বাকী ৯ হাজাৰকৈ টকা লুট কৰিছিল। পিছৰ পৰ্যায়ত ৰব নিবনুৱাই দৰমহা আদায় নোপোৱাকৈয়ে আছে। সঞ্জীৱ দাসে এই বিবৃতিযোগে মীন বিভাগৰ বিল পৰিস্কাৰৰ নামত সংঘটিত দুৰ্নীতিৰ তদন্তক আদৰণি জনাই তদ্ৰূপ অনুসূচীত জাতিৰ পাবত গজা নেতাজন আৰু তেতিয়াৰ অধ্যক্ষ ৰমাকান্ত দেউৰীকো তদন্তৰ আওতাত লৈ নিয়োগ কেলেংকাৰীৰ তদন্তৰ দাবী উত্থাপন কৰিছে।

## আজিৰে পৰা আৰম্ভ হৈছে জুবিন গাৰ্গ হত্যাৰ গোচৰৰ বিচাৰ

কাষ চাপিব পাৰে বুলি আইনী মহলত আলোচনা চলিছে। গোচৰটোৰ তদন্ত অব্যাহত থকাৰ মাজতে আদালতৰ এই সিদ্ধান্তক এক গুৰুত্বপূৰ্ণ বিকাশ হিচাপে গণ্য কৰা হৈছে। ইতিমধ্যে অধিবক্তা ৰাতুল বৰাৰ সাক্ষ্য গ্ৰহণ কৰিছে ফাষ্টট্ৰেক আদালতে। সমান্তৰালকৈ আজি (৮ জুন) ফাষ্টট্ৰেক আদালতে অভিযুক্ত সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদনক লৈ মন্তব্য কৰিব । আজিৰে পৰা বিশেষ ফাষ্টট্ৰেক আদালতৰ জৰিয়তে জুবিন গাৰ্গ হত্যাৰ গোচৰৰ বিচাৰ আৰম্ভ হৈছে। এই প্ৰক্ৰিয়াৰ প্ৰথম দিনাই ৪ সাক্ষীৰ লোৱা হ'ব ভাষ্য। ইতিমধ্যে অধিবক্তা ৰাতুল বৰাৰ সাক্ষ্য গ্ৰহণ কৰিছে ফাষ্টট্ৰেক আদালতে। সমান্তৰালকৈ আজি (৮ জুন) ফাষ্টট্ৰেক আদালতে অভিযুক্ত সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদনক লৈ মন্তব্য কৰিব। ইতিপূৰ্বে সম্পন্ন হৈছে জামিন আবেদনৰ শুনানি। আদালতে সংৰক্ষিত ৰাখিছিল ৰায়দান । একে সময়তে আদালতত উপস্থিত হৈছে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ। উল্লেখ কৰা প্ৰয়োজন যে জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ শুনানিত মঙলবাৰে সাক্ষ্য দিব দুই মহিলা ক্ৰমে বেবী বৰা আৰু প্লাবিতা কটকীয়ে। বিগত বৰ্ষৰ ১৯ ছেপ্টেম্বৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুত সমগ্ৰ ৰাজ্যবাসীৰ লগতে টীয়ক প্ৰগতিশীল নাৰী সংঘৰ সদস্যাসকলো অতি মৰ্মাহত হৈছিল । আয়োজকৰ গাফিলতিত জুবিন গাৰ্গৰ মৃত্যু হোৱা বুলি অনুধাৱন কৰি ২০ ছেপ্টেম্বৰত টীয়ক থানাত সংগঠনটোৱে এখন এজাহাৰ দাখিল কৰিছিল। এই সনদৰ্ভত উচ্চ ন্যায়ালয়ৰ চমন লাভ কৰি গৌৰৱ অনুভৱ কৰা বুলি মন্তব্য কৰে দুই মহিলাৰ লগতে সংগঠনটোৰ সদস্যাসকলে।

## অসমৰ মাটিতে অসমীয়াক চৰম অপমান

নিজৰ মাটিতেই খিলঞ্জীয়া অসমীয়া মানুহৰ ভাষা, সংস্কৃতি আৰু পৰিচয় ভয়াৱহ সংকটৰ মুখত পৰা বুলি এতিয়া বিভিন্ন মহলত চৰ্চা আৰম্ভ হৈছে। উক্ত ঘটনাত একাংশ বহিৰাগত লোকে অসমীয়া সমাজৰ ওপৰত দাদাগিৰি চলোৱাৰ লগতে অসমৰে মাটিত থিয় হৈ 'অসমীয়া গ' বেক' আদিৰ দৰে অত্যন্ত অপমানজনক তথা উচটনিমূলক শ্ল'গান প্ৰদান কৰিছে। কেৱল এয়াই নহয়, ঘটনাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সংবাদ কৰ্মী আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ যোৱা আৰক্ষীৰ ওপৰতো দুৰ্বৃত্তই আক্ৰমণ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অসমী আইৰ বুকুত খিলঞ্জীয়া জাতিক এনেদৰে কৰা চৰম অপমান আৰু প্ৰত্যাহ্বানক কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি প্ৰেছ বিবৃতিযোগে উল্লেখ কৰে বীৰ লাচিত সেনা অসমে। জাতীয় সংগঠনটোৱে এই সমগ্ৰ ঘটনাক তীব্ৰ গৰিহণা আৰু ধিক্কৰ প্ৰদান কৰিছে। উদাৰতাৰ সুযোগ লৈ বহিৰাগত শক্তিয়ে থলুৱা অধিবাসীসকলৰ ওপৰত আৰ্থিক তথা সামাজিক আধিপত্য বিস্তাৰ কৰিবলৈ কৰা এনে দুঃসাহস এতিয়া চৰম সীমাত উপনীত হৈছে বুলি ক্ষোভ প্ৰকাশ কৰে সংগঠনটোৰ নেতৃত্বই। এই সন্দৰ্ভত বীৰ লাচিত সেনা অসমৰ তৰফৰ পৰা অসমবাসী ৰাইজ তথা সংবাদ মাধ্যমৰ জ্ঞাতাৰ্থে ৪ দফীয়া এক দাবী উত্থাপন কৰিছে।

## শিৱসাগৰত ই-ৰিক্সা চালকৰ বিৰুদ্ধে টেম্পু চালকৰ পথ অৱৰোধ

শতাধিক টেম্পু চালক- হেন্দিমেনৰ প্ৰতিবাদত পৰিৱেশ উত্তাল হৈ পৰে। যাত্ৰীৰ অভাৱত ব্যাপক লোকচানৰ সন্মুখীন হোৱা টেম্পু চালক সকলে ন- আলি অঞ্চলত ই-ৰিক্সা চলাচলত বাধা প্ৰদান কৰাৰ লগতে পথৰ ওপৰত অৱস্থান কৰাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় ।ঘটনাস্থলীত দণ্ডাধীশ, উপ-আৰক্ষী অধীক্ষকসহ বিশাল আৰক্ষী বাহিনী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। জিললা প্ৰশাসনে ই-ৰিক্সা চলাচলৰ ক্ষেত্ৰত বলবৎ কৰা দিশ-নিৰ্দেশনা, নীতি - নিয়ম উলংঘা কৰাৰ অভিযোগ কৰে টেম্পু চালক-হেণ্ডিমেনসকলে ।কাইলৈৰ ভিতৰত ই-ৰিক্সাক জিলা প্ৰশাসনৰ নীতি-নিৰ্দেশনা মানি চলিবলৈ টেম্পু চালক সন্থাই দাবী জনায়। অন্যথা, পৰহিলৈ চাৰি শতাধিক টেম্পু নগৰৰ মাজমজিয়াত এৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে টেম্পু চালক সকলে।

## তামাৰহাটৰ সন্ধানহীন হৈ থকা যুৱকৰ মৃতদেহ উদ্ধাৰ

ওচৰৰে ডিংডিংগা গাঁৱৰ এঘৰত পাবলগীয়া টকা বিচাৰি গৈছিল। পিছত টকালৈ ডিংডিংগা গাঁৱৰ পৰা ডিংডিংগা বিলৰ কাষেদি যোৱা পথ ছোৱাৰে সুবল ৰায়ে মেছপাৰাগাঁওস্থিত নিজা ঘৰলৈ ৰাওনা হৈছিল আৰু যোৱাৰ পথত সুবল ৰায় নিৰুদ্দেশহৈ পৰিছিল বুলি জনা যায়। বহু পৰলৈকে সুবল ৰায় ঘৰলৈ উভতি নহাত ঘৰৰ মানুহ চিন্তিতহৈ পৰে আৰু পৰিয়ালৰ লোকে বহুত ঠাইত বিচাৰিও সুবল ৰায়ৰ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই । ইপিনে বিলৰ গভীৰ পানীত পৰি ডুব যোৱাৰ সন্দেহত স্থানীয় ৰাইজে বিলৰ পানীত উদ্ধাৰ অভিযান চলায় যদিও বিফল হয়। পিছত খবৰ পাই তামাৰহাট থানাৰ আৰক্ষীৰ দল এটা ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে যদিও ইতিমধ্যে এন্ধাৰ নামি অহাত আৰক্ষীৰ অভিযান স্থগিত ৰাখে আৰু আজি পুৱা স্থানীয় ৰাইজে বিচাৰি থাকোতে ডিংডিংগা বিলৰ পানীত সুবল ৰায়ৰ মৃতদেহটো ওপঙি থকা প্ৰত্যক্ষ কৰি তামাৰহাট আৰক্ষীক খবৰ দিয়ে । সেইমতে তামাৰহাট থানাৰ আৰক্ষীৰ দল এটাই ঘটনাস্থলিত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰনোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে । মৰনোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ মেছপাৰা গাঁওস্থিত নিজা ঘৰলৈ আনি স্থানীয় শ্মশান ঘাটত অন্তিম সৎকাৰ সম্পন্ন কৰা হয় । মৃত্যুৰ সময়ত সুবল ৰায়ে এজন লৰা, এজনী ছোৱালী, এগৰাকী ঘৈনীয়েকৰ লগতে আত্মীয় স্বজনক এৰিথৈ যায় । অতি সহজ সৰল স্বভাৱৰ সুবল ৰায়ৰ অকাল মৃত্যু হোৱাত অঞ্চলজুৰি এক গভীৰ শোঁকৰ ছা পৰে।

## জনসাধাৰণ হাৰাশাস্তিৰ সন্মুখীন হ'লেই বিষয়াই পাব শাস্তি

কৰাৰ পাছত এয়া তেওঁৰ প্ৰথম তামুলপুৰ ভ্ৰমণ। মন্ত্ৰীগৰাকীয়ে বিভিন্ন বিভাগৰ উন্নয়নমূলক খতিয়ানৰ পৰ্যালোচনা কৰাৰ আগমুহূৰ্তত উল্লেখ কৰে যে তেওঁ প্ৰতি দুমাহৰ মূৰে মূৰে বিভাগসমূহৰ একোখনকৈ পৰ্যালোচনামূলক সভাত ভাগ ল'ব। আনহাতে প্ৰতিমাহত তেওঁ এবাৰকৈ জিলাখন পৰিদৰ্শন কৰিব। এই সময়ছোৱাত তেওঁ কিছুমান বিভাগৰ ক্ষেত্ৰভিত্তিক পৰিভ্ৰমণ কৰিব। কেতিয়া কোন বিভাগৰ ক্ষেত্ৰভিত্তিক পৰিভ্ৰমণ কৰিব, এই সম্পৰ্কে স্থানীয় জনপ্ৰতিনিধিসকলক আগতীয়াকৈ জনাবলৈ তেওঁ আহ্বান জনায়। লগতে তেওঁ জনায় যে ৰাজ্য চৰকাৰ আৰু বিটিচিৰ মাজত যাতে কোনো সুৰুঙা নাথাকে, তাৰ প্ৰতি লক্ষ্য ৰাখি দুমহীয়া পৰ্যালোচনা সভাখনত সংশ্লিষ্ট বিষয়াৰ উপৰি দুয়োখন চৰকাৰৰে স্থানীয় জনপ্ৰতিনিধিসকলক আমন্ত্ৰণ জনাব লাগিব। বিভাগীয় মুৰব্বীসকলক ফিল্ডলৈ গৈ কাম-কাজৰ অগ্ৰগতিৰ বুজ ল'বলৈও তেওঁ আহ্বান জনায়। লগতে আধৰুৱা কামবোৰ শীঘ্ৰে সম্পন্ন কৰাতো তেওঁ গুৰুত্ব আৰোপ কৰে। চৰকাৰী কামকাজত জনসাধাৰণ যাতে অযথা হাৰাশাস্তিৰ সন্মুখীন নহয়, তাৰ প্ৰতি তীক্ষ্ণ নজৰ ৰাখিবলৈ বিভাগীয় মুৰব্বীসকলক আহ্বান জনায়; অন্যথা তেওঁলোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জনসাধাৰণৰ স্বাস্থ্য আৰু সুচিকিৎসাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ তামুলপুৰৰ চৰকাৰী চিকিৎসালয়সমূহত যাতে জৰুৰীকালীন অৱস্থাতো বিদ্যুৎ সেৱা অব্যাহত থাকে, তালৈ নজৰ ৰাখিবলৈ বিদ্যুৎ বিভাগৰ বিষয়াক আহ্বান জনায়। এইক্ষেত্ৰত স্মাৰ্ট মিটাৰৰ ঠাইত মেনুৱেল মিটাৰ স্থাপন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াগৰাকীক পৰামৰ্শ আগবঢ়ায়, অন্যথা যদি বিদ্যুতৰ বাবে চিকিৎসালয়ত কোনো ৰোগীৰ জীৱন-মৰণৰ সমস্যা হয়, তেন্তে সংশ্লিষ্ট বিষয়াগৰাকী শাস্তিৰ সন্মুখীন হ'ব লাগিব। মন্ত্ৰীগৰাকীয়ে তামুলপুৰ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ বাকী থকা কামখিনি চলিত মাহৰ চপ্ত তাৰিখৰ ভিতৰত সম্পন্ন কৰিবলৈ সংশ্লিষ্ট বিভাগক আহ্বান জনায়, যাতে তাৰ পাছতে গৃহটো মুকলি কৰিব পৰা যায়। আজিৰ সভাত, বিশেষকৈ শিক্ষা, স্বাস্থ্য, কৃষি, জনস্বাস্থ্য কাৰিকৰী, সমাজ কল্যাণ, ডি আৰ ডি এ, লোকনিৰ্মাণ, জলসম্পদ, বন আদি বিভাগৰ বিষয়াসকলে নিজৰ নিজৰ বিভাগৰ কাম-কাজৰ খতিয়ান দাঙি ধৰে। মন্ত্ৰীগৰাকীয়ে মাৰ্চৰ ভিতৰত আটাইবোৰ আধৰুৱা কাম সম্পন্ন কৰিবলৈ সকলোকে আহ্বান জনায়। পৰ্যালোচনা সভাৰ অন্তত মন্ত্ৰীগৰাকীয়ে স্থানীয় সাংবাদিকসকলৰ সৈতেও মিলিত হয়। আজিৰ বৈঠকত স্থানীয় নৱনিৰ্বাচিত মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিধায়ক ভিক্তৰ কুমাৰ দাস, বিটিচিৰ উপাধ্যক্ষ বিজিতগৌৰা নাৰ্জাৰী, কাৰ্যবাহী সদস্য গণেশ কছাৰী, লক্ষী দাস, মহেশ্বৰ বসুমতাৰী, জিলা আয়ুক্ত চিমি কৰণ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুমন চক্ৰৱৰ্তী আৰু জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়াসকলকে ধৰি বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে বুলি তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই সংবাদ মাধ্যমক জনাইছে।

## প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ ১০ সহস্ৰাধিক লিচু পঠিয়ালে তেজপুৰৰ খেতিয়কে

কাৰ্যালয়লৈ । উল্লেখযোগ্য যে, তেজপুৰৰ লিচুৰ সোৱাদ লোৱাৰ পিছত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজহুৱাকৈ তেজপুৰৰ লিচুৰ প্ৰশংসা কৰিছিল ।সেয়েহে এইবাৰ তেজপুৰ লিচু উৎসৱৰ মাজতে শোণিতপুৰ জিলা প্ৰশাসনে প্ৰেৰণ কৰা তেজপুৰৰ সুস্বাদু মঙহাল লিচুৰ সোৱাদ লৈ পুনৰ সেই লিচুৰ সোৱাদ নতুন কেন্দ্ৰীয় মন্ত্ৰী পৰিষদকে ধৰি আন সকলো শীৰ্ষ বিষয়াক বিলাই দিবলৈ তেজপুৰৰ লিচু উৎপাদক স্থানলৈ বাৰ্তা আহে দিল্লীৰ পৰা ।লগে লগেই তেজপুৰৰ লিচু খেতিয়ক জলিল,শৰৎ,খালেক কৌশিকৰ বাগিচাৰ ১০সহস্ৰাধিক লিচু প্ৰেৰণ কৰা হয় দেশৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ।

## ভৱপ্ৰসাদ দেউৰীলৈ 'ভাৰতীয় সাহিত্য বঁটা'

এখন চৰকাৰী পত্ৰযোগে এই বঁটাৰ বাবে দেউৰীৰ নাম ঘোষণা কৰিছে। সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিশেষ বৰঙণি আগবঢ়োৱা বৰেণ্য সাহিত্যিকসকলক উক্ত প্ৰতিষ্ঠানটোৱে প্ৰতিবছৰে এই বঁটা প্ৰদান কৰি আহিছে। এইবেলি দেশৰ কেইবাগৰাকীও আগশাৰীৰ সাহিত্যিকৰ সৈতে অসমৰ ভৱপ্ৰসাদ দেউৰীৰ নাম এই বঁটাৰ বাবে বাছনি হোৱাত স্বাভাৱিকতে সমগ্ৰ জিলাখনত আনন্দৰ পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোৱা তিনি দশকৰো অধিক কাল ধৰি ভৱপ্ৰসাদ দেউৰীয়ে অসমৰ সাহিত্য ক্ষেত্ৰখনলৈ নিৰৱচ্ছিন্নভাৱে অৱদান আগবঢ়াই আহিছে।

## বিশিষ্ট শিক্ষাবিদৰ বিয়োগত শোক

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৮ জুন ঃ** শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ হৰিকান্ত নাথৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে প্ৰাক্তন ছাত্ৰ সতীৰ্থ সন্মিলন, অসমৰ সাধাৰন সম্পাদক পবিত্ৰ প্ৰাণ ভট্টাচাৰ্যই। এক বিবৃত্তিত ভট্টাচাৰ্যই কয় যে প্ৰয়াত নাথ দেৱ এগৰাকী আদৰ্শনিষ্ঠ শিক্ষক হোৱাৰ উপৰিও সু-লিক্ষক আৰু বক্তা আছিল, শৃষ্টিশীল শৈক্ষিক কৰ্মৰ দ্বাৰা বহু বটাঁ আৰু সন্মান লাভ কৰিবলৈ ।সক্ষম হৈছিল ।বিশেষকৈ ৰাষ্ট্ৰ ভাষা প্ৰচাৰ সমিতিৰ দায়িত্বশীল পদত কাৰ্যনিৰ্বাহ কৰি অসমত ৰাষ্ট্ৰ ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত অতিশয় নিষ্ঠাবান সেৱা আগবঢ়াই থৈ গৈছে। এগৰাকী সমাজপ্ৰাণ ;নিকাভাৰমূৰ্ত্তিৰ ।ব্যক্তি হৰিকান্ত নাথদেৱৰ বিয়োগ সমাজ জীৱনৰ বাবে বৃহৎ ক্ষতি। ভট্টাচাৰ্যই শিক্ষাবিদ গৰাকীৰ আত্মাৰ চিৰ শান্তি কামনাৰে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই আৰু শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

## বিপুল গগৈক এ পি চি চিৰ সাধাৰণ সম্পাদক (প্ৰশাসন)ৰ দায়িত্ব

সম্পাদক (সাংগঠনিক) হিচাপে ৰামান্না বৰুৱাক দায়িত্ব প্ৰদান কৰা হৈছিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে আজি এক নিৰ্দেশযোগে বিপুল গগৈক সাধাৰণ সম্পাদক (প্ৰশাসনিক) হিচাপে নিযুক্তি প্ৰদান কৰে।

দৈনিক বাতৰি কাকত — সত্য আৰু ন্যায়ৰ সপক্ষে

# মহিলা টি-২০ বিশ্বকাপৰ পূৰ্বে লণ্ডনত কেপ্টেইন কাৰ্নিভাল অনুষ্ঠিত

## ১২টা দলৰ অধিনায়কৰ অংশগ্ৰহণ



**নতুন দিল্লী, ৮ জুনঃ** আইচিচি মহিলা টি-২০ বিশ্বকাপ আৰম্ভ হোৱাৰ পূৰ্বে দেওবাৰে লণ্ডনৰ আইকনিক ৱাটাৰলু ব্ৰীজত অনুষ্ঠিত হয় এক গ্ৰেণ্ড 'কেপ্টেইন কাৰ্নিভাল'। এই বিশেষ অনুষ্ঠানত অংশগ্ৰহণকাৰী ১২টা দলৰ অধিনায়কসকলে অংশগ্ৰহণ কৰে। প্ৰথমবাৰৰ বাবে ৱাটাৰলু ব্ৰীজক এখন বিশাল ক্ৰিকেট খেলপথাৰলৈ ৰূপান্তৰিত কৰি মহিলা ক্ৰিকেটৰ ক্ৰমবৰ্ধমান প্ৰভাৱ আৰু জনপ্ৰিয়তাৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰা হয়। ইংলেণ্ড আৰু ৱেলছত ১২ জুনত আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতাখনৰ পূৰ্বে সকলো অধিনায়কৰ এইটোৱেই আছিল প্ৰথম ৰাজহুৱা উপস্থিতি। টেমছ নদীৰ ওপৰত অনুষ্ঠিত এই অনুষ্ঠানত বিগ বেন, লণ্ডন আই, ছেইণ্ট পলছ কেথেড্ৰেলৰ দৰে ল্যাণ্ডমাৰ্কসমূহো দেখা গৈছিল। এই অনুষ্ঠানত মহিলা ক্ৰিকেটৰ বিশ্বব্যাপী প্ৰসাৰ আৰু বিশ্ববাসীৰ ক্ৰমবৰ্ধমান স্বীকৃতি প্ৰদৰ্শন কৰা হয়। আই চি চিৰ সভাপতি জয় শ্বাহে এই অনুষ্ঠানক মহিলা ক্ৰিকেটৰ বাবে এক ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰে। তেওঁ কয় যে এতিয়ালৈকে অনুষ্ঠিত হোৱা আটাইতকৈ ডাঙৰ আৰু অভিলাষী মহিলা টি-২০ বিশ্বকাপৰ এক সুন্দৰ আৰম্ভণি। জয় শ্বাহৰ মতে, এনেধৰণৰ অনুষ্ঠানে প্ৰতিযোগিতাখনক কেন্দ্ৰ কৰি উত্তেজনা গঢ়ি তোলাই নহয়, ক্ৰিকেটক অধিক সৰ্বাংগীন আৰু বিশ্বব্যাপী কৰি তোলাৰ প্ৰতি আই চি চিৰ দায়বদ্ধতাও প্ৰদৰ্শন কৰে। প্ৰতিযোগিতা আৰম্ভ হোৱাৰ পূৰ্বে প্ৰায় ২ লাখ টিকট বিক্ৰী হৈ মহিলা টি-২০ বিশ্বকাপৰ ইতিহাসত এক নতুন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। পূৰ্বৰ কোনো মহিলা টি-২০ বিশ্বকাপত ইমান বৃহৎ সংখ্যক অগ্ৰিম টিকট বিক্ৰী হোৱা নাই। আয়োজকসকলে আশা কৰিছে যে প্ৰতিযোগিতাখনৰ সময়ছোৱাত দৰ্শকৰ সংখ্যাই আনকি নতুন অভিলেখ গঢ়ি তুলিব। অহা ১২ জুনত বাৰ্মিংহামৰ এডগবাষ্টন ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া মহিলা টি-২০ বিশ্বকাপ ২০২৬ৰ উদ্বোধনী মেচখনৰ বিপৰীতে ফাইনেল খেলখন লণ্ডনৰ ঐতিহাসিক লৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। মানচেষ্টাৰ, লিডছ, চাউথমপটন, ব্ৰিষ্টল, দ্য অভালকে ধৰি কেইবাখনো ডাঙৰ চহৰতো খেল অনুষ্ঠিত হ'ব। ইংলেণ্ড, ভাৰত, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, পাকিস্তান, দক্ষিণ আফ্ৰিকা, শ্ৰীলংকা, ৱেষ্ট ইণ্ডিজ, বাংলাদেশ, আয়াৰলেণ্ড, নেদাৰলেণ্ড আৰু স্কটলেণ্ডৰ দলসমূহে অংশগ্ৰহণ কৰিব।

# নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত ইংলেণ্ডৰ জয়



**লৰ্ডছ, ৮ জুন ঃ** প্ৰথমখন টেষ্টত নিউজিলেণ্ডক ১১৫ ৰানত পৰাস্ত কৰি ইংলেণ্ডে তিনিখন মেচৰ শৃংখলাত ১-০ ত অগ্ৰগতি লাভ কৰে। ২৫৪ ৰানৰ লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে চতুৰ্থ দিনটোত মাত্ৰ ১৩৮ ৰান সংগ্ৰহ কৰি অল আউট হয়। ইংলেণ্ডৰ জয়ৰ আটাইতকৈ ডাঙৰ নায়ক আছিল বেগী বলাৰ গাছ এটকিনছন, যিয়ে সুন্দৰ বলিং কৰি ৫টা উইকেট দখল কৰে। চতুৰ্থ দিনত নিউজিলেণ্ডে ৫৫/৫ৰ পৰা পুনৰ ইনিংছ আৰম্ভ কৰে। জয়ী হ'বলৈ তেতিয়াও ১৯৯ ৰানৰ প্ৰয়োজন হৈছিল, কিন্তু আৰম্ভণিতে জোছ টংগুৱেক আৰম্ভণিতে এল বি ডব্লিউত আউট কৰি টম ব্লণ্ডেলে ইংলেণ্ডক এক বৃহৎ অগ্ৰগতি প্ৰদান কৰে। ব্লণ্ডেলে মাত্ৰ ৪ ৰান সংগ্ৰহ কৰে। কঠিন পৰিস্থিতিত ডেভন কনৱে আৰু গ্লেন ফিলিপছে সপ্তম উইকেটত ৫৩ ৰান সংযোজন কৰি নিউজিলেণ্ডৰ আশা জীয়াই ৰাখিবলৈ চেষ্টা কৰে। কনৱেই ৪১ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ফিলিপছে ৪৪ ৰান কৰি অপৰাজিত হৈ থাকে।অৱশ্যে বেন ষ্ট'কে কনৱেক শ্লিপত আউট কৰি এই অংশীদাৰিত্ব ভংগ কৰি নিউজিলেণ্ডৰ পুনৰ উভতি অহাৰ আশাৰ অন্ত পেলায়। ইয়াৰ পিছতে ইংলেণ্ডৰ বলাৰসকলে মাত্ৰ ২৭ ৰানত শেষৰ চাৰিটা উইকেট দখল কৰে। এটকিনছনে নাথান স্মিথ, কাইল জেমিছন আৰু মেট হেনৰীক আউট কৰি নিউজিলেণ্ডৰ ইনিংছ সমাপ্ত কৰে। তেওঁ ৩০ ৰানত ৫টা উইকেট দখল কৰি খেলখন সম্পূৰ্ণৰূপে ইংলেণ্ডৰ পক্ষত ঘূৰাই আনে।

# বাংলাদেশ ক্ৰিকেট ব'ৰ্ডৰ সভাপতি হিচাপে নিৰ্বাচিত তামিম ইকবাল


**ঢাকা, ৮ জুনঃ** বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন সমিতিৰ অধ্যক্ষ হিচাপে বিগত দুমাহ ধৰি দায়িত্ব পালন কৰি থকা প্ৰাক্তন অধিনায়ক তামিম ইকবালক বাংলাদেশ ক্ৰিকেট ব'ৰ্ডৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে। দেওবাৰে ঢাকাত অনুষ্ঠিত হোৱা নিৰ্বাচনত ৩৬ বছৰীয়া তামিম একমাত্ৰ প্ৰাৰ্থী আছিল। এতিয়া তেওঁ চাৰি বছৰৰ বাবে কাৰ্যনিৰ্বাহ কৰিব। শ্বেৰ-ই-বাংলা ৰাষ্ট্ৰীয় খেলপথাৰত অনুষ্ঠিত হয় নিৰ্বাচন। ইয়াৰ পূৰ্বে এপ্ৰিল মাহত বাংলাদেশ চৰকাৰে আমিনুল ইছলামৰ নেতৃত্বত পূৰ্বৰ ব'ৰ্ড ভংগ কৰি অন্তৰ্ৱৰ্তীকালীন প্ৰশাসনৰ অধীনত নতুন নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। মুঠতে তিনিটা শাখাত শাৰীৰিক আৰু ইলেক্ট্ৰ'নিক ভোটিঙৰ জৰিয়তে ২৩ জন সঞ্চালক নিৰ্বাচিত কৰা হয় আৰু পিছত চৰকাৰে নিযুক্তি দিয়া দুজন প্ৰতিনিধিয়ে ব'ৰ্ডত যোগদান কৰি ২৫ জনীয়া শাসকীয় সংস্থা গঠন কৰে। ঢাকা ক্লাব শাখাত নিৰ্বাচিত হোৱা ১২ জন পৰিচালকৰ ভিতৰত তামিম অন্যতম আছিল আৰু নতুন পৰিষদে সৰ্বসন্মতিক্ৰমে তেওঁক ব'ৰ্ডৰ সভাপতি হিচাপে নিৰ্বাচিত কৰে। ইয়াৰে এজন উপ-সভাপতি হৈছে ফাহিম সিনহা, আৰু আনজনৰ নাম এতিয়াও প্ৰকাশ হোৱা নাই। তামিমৰ অন্যতম শীৰ্ষ অগ্ৰাধিকাৰৰ ভিতৰত আছে আধুনিক উচ্চ প্ৰদৰ্শনকাৰী কেন্দ্ৰ নিৰ্মাণ, যিটো বিচিবিৰ নতুন সভাপতিগৰাকীয়ে তেওঁৰ সৰ্বোচ্চ ইচ্ছা বুলি উল্লেখ কৰিছে। বিচিবিৰ সভাপতি নিৰ্বাচিত হোৱাৰ পিছত তামিমে কয় যে এয়া ব্যক্তিগত সন্মান নহয়, বৰঞ্চ এক বৃহৎ দায়িত্ব। এই নতুন কেন্দ্ৰটো বৰ্তমানৰ হাই পাৰফৰমেন্স চেণ্টাৰৰ এক বৃহৎ উন্নীতকৰণ হ'ব। বৰ্তমানৰ কেন্দ্ৰটো শ্বেৰ-ই-বাংলা নেচনেল ষ্টেডিয়াম কমপ্লেক্সত অৱস্থিত যদিও ইয়াক সীমিত বুলি গণ্য কৰা হয়। বাংলাদেশৰ এতিয়ালৈকে সৰ্বশ্ৰেষ্ঠ খেলুৱৈসকলৰ ভিতৰত অন্যতম তামিম ইকবাল, তেওঁ নিজৰ দেশৰ হৈ ৩৯১খন আন্তঃৰাষ্ট্ৰীয় মেচ খেলি তিনিওটা ফৰ্মেটতে ১৫ হাজাৰৰো অধিক আন্তঃৰাষ্ট্ৰীয় ৰান সংগ্ৰহ কৰিছে। তেওঁ ৩৮খন মেচত বাংলাদেশৰ অধিনায়কত্ব কৰি দলটোক ২১খন জয়ৰ দিশত আগুৱাই লৈ যায়। ২০১৫ চনৰ আৰম্ভণিতে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ পিছত তামিমে ঘৰুৱা ক্ৰিকেট খেলি থাকিল, কিন্তু ঢাকা প্ৰিমিয়াৰ লীগৰ এখন খেলৰ সময়ত হাৰ্ট এটেকত আক্ৰান্ত হৈ খেলৰ কেৰিয়াৰৰ অন্ত পেলায়।

# পাকিস্তানৰ টেষ্ট দলৰ অধিনায়ক হ'ব ছলমান আঘা

## আৰ প্ৰাগনানন্দাক ৫০ লাখ টকাৰ পুৰস্কাৰ প্ৰদান তামিলনাডু চৰকাৰৰ

**চেন্নাই, ৮ জুনঃ** তামিলনাডুৰ মুখ্যমন্ত্ৰী চি জোচেফ বিজয়ে সোমবাৰে গ্ৰেণ্ডমাষ্টাৰ আৰ প্ৰাগনানন্দাক ৫০ লাখ টকাৰ পুৰস্কাৰেৰে সন্মানিত কৰে। তেওঁ নৰৱেৰ দবা প্ৰতিযোগিতাত বিজয়ী হোৱা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ। প্ৰাগনানন্দাই অছল'ত অন্তিম ৰাউণ্ডত জাৰ্মানীৰ ভিনচেণ্ট কেয়মাৰক পৰাস্ত কৰি খিতাপ দখল কৰে। প্ৰাগনানন্দাক সম্বৰ্ধনা জনোৱাৰ পিছত মুখ্যমন্ত্ৰীয়ে যুৱ গ্ৰেণ্ডমাষ্টাৰৰ সৈতেও দবা খেল। প্ৰাগনানন্দাই নৰৱে দবা চেম্পিয়নশ্বিপত লাভ কৰা জয়ক নিজৰ কেৰিয়াৰৰ আটাইতকৈ ডাঙৰ কৃতিত্ব বুলি অভিহিত কৰে। তেওঁ কয় যে মেগনাছ কাৰ্লচেনকে ধৰি বিশ্বৰ একাংশ শীৰ্ষ খেলুৱৈক পৰাস্ত কৰিলে এই খিতাপ বিশেষভাৱে স্মৰণীয় হৈ পৰে। ২০১৩ চনত আৰম্ভ হোৱা এই প্ৰতিযোগিতাত ইয়াৰ পূৰ্বে কোনো ভাৰতীয় খেলুৱৈয়ে জয়ী হোৱা নাছিল।

**কৰাচী, ৮ জুনঃ** পাকিস্তান ক্ৰিকেটত টেষ্টৰ অধিনায়কত্বৰ পৰিৱৰ্তন ঘটিছে। এক খবৰ অনুসৰি ছান মাছুদৰ ঠাইত ছলমান আঘাই টেষ্টৰ অধিনায়ক হিচাপে নিযুক্তি লাভ কৰিব পাৰে। বিগত তিনি বছৰ ধৰি টেষ্টৰ অধিনায়ক হিচাপে মাছুদৰ কাৰ্যকাল হতাশাজনক হৈ পৰিছে। ২০২৩ চনৰ ডিচেম্বৰ মাহত অষ্ট্ৰেলিয়া ভ্ৰমণৰ পিছত ৰছখন টেষ্ট মেচত পাকিস্তানৰ অধিনায়কত্ব কৰিছে মাছুদে। তাৰে ৰচখন টেষ্টত পৰাস্ত হৈছে পাকিস্তান। যোৱা মাহৰ বাংলাদেশৰ বিৰুদ্ধে পৰাজয় আছিল তেওঁলোকৰ একেৰাহে চতুৰ্থটো পৰাজয়। টেষ্ট ক্ৰিকেটৰ ১৫০ বছৰীয়া ইতিহাসত বাংলাদেশ, আয়াৰলেণ্ড, আফগানিস্তান বাদ দি শীৰ্ষ ৯খন দেশৰ ভিতৰত মাছুদে প্ৰথম ১২খন টেষ্ট মেচত পৰাস্ত হোৱা একমাত্ৰ অধিনায়ক। সূত্ৰ অনুসৰি মাছুদে ধাৰাবাহিকতা বজাই ৰখাৰ স্বাৰ্থত পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ অধ্যক্ষ মহছিন নাকৱীক অপসাৰণ নকৰিবলৈ অনুৰোধ জনায়। অৱশ্যে ছান মাছুদৰ নেতৃত্বত দলটোৰ দুৰ্বল প্ৰদৰ্শনৰ পৰিপ্ৰেক্ষিতত




নকভিয়ে তেওঁক টেষ্টৰ অধিনায়কৰ পদৰ পৰা অপসাৰণ কৰাৰ সিদ্ধান্ত লৈছে। যোৱা বছৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ তৃতীয় ৰাউণ্ডত পাকিস্তানে নৱম স্থান দখল কৰিছিল। টেলিকমএছিয়াৰ এক প্ৰতিবেদন অনুসৰি, নাকভি এতিয়া মাছুদৰ প্ৰদৰ্শনক লৈ হতাশ হৈছে। তেওঁ আৰু তেওঁৰ উপদেষ্টাসকলে বিশ্বাস কৰে যে তেওঁৰ ঠাইত আঘাক সৰ্বোত্তম প্ৰাৰ্থী, কিয়নো অহা কেইমাহমানৰ ভিতৰত ৱেষ্ট ইণ্ডিজত দুখন কঠিন টেষ্ট মেচ আৰু ইংলেণ্ডত তিনিখন খেলৰ দিন নিৰ্ধাৰণ কৰিছে। ইংলেণ্ড ভ্ৰমণৰ পূৰ্বে পাকিস্তানে ২৫ জুলাইৰ পৰা আৰম্ভ হ'ব ট্ৰিনিদাদত দুখন টেষ্ট মেচ খেলিব। ইংলেণ্ডৰ প্ৰথমখন টেষ্ট ১৯ আগষ্টত লিডছত অনুষ্ঠিত হ'ব। দুটা টেষ্ট ছিৰিজতো বেটছমেন হিচাপে ব্যৰ্থ হৈ চাৰিটা ইনিংছত মাত্ৰ এটা অৰ্ধশতক অৰ্জন কৰি দলত নিজৰ স্থান অক্ষুণ্ণ ৰখাত অসুবিধাৰ সৃষ্টি কৰিছিল। ৩২ বছৰীয়া ছলমান আলী আঘাই পাকিস্তানৰ হৈ ২৫খন টেষ্ট মেচত ৪৮ ইনিংছত ১৬৬৩ ৰান সংগ্ৰহ কৰিছে। ইয়াৰ ভিতৰত তেওঁ তিনিটা শতক আৰু ৰচটা অৰ্ধশতক অৰ্জন কৰিছে। তেওঁৰ সৰ্বোচ্চ স্ক'ৰ হৈছে ১৩২ নট আউট। ২০২৫ চনৰ মাৰ্চ মাহৰ পৰা টি-২০ ফৰ্মেটত পাকিস্তানৰ অধিনায়কত্ব কৰি আহিছে ছলমানে।

# জাৰ্মানীৰ আলেকজেণ্ডাৰ ঝভেৰেভ ফ্ৰেন্স অ'পেনৰ চেম্পিয়ন

## প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ খিতাপ দখল



**পেৰিছ, ৮ জুনঃ** দেওবাৰে নিশা ফ্ৰেন্স অ'পেনৰ পুৰুষৰ একক ফাইনেলত ইটালীৰ ফ্লেভিঅ' ক'ব'লিক ৬-১, ৪-৬, ৬-৪, ৬-৭ (৫), ৬-১ ত পৰাস্ত কৰি জাৰ্মানীৰ আলেকজেণ্ডাৰ ঝভেৰেভে প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ খিতাপ দখল কৰে। ক'ৰ্ট ফিলিপ-চেট্ৰিয়াৰত ৪ ঘণ্টা ২০ মিনিটৰ খেলখনত ২-১ ত অগ্ৰগতি লাভ কৰি ঝভেৰেভে নিৰ্ণায়ক পঞ্চম ছেটত ফ্ৰেন্স অ'পেন জয় কৰে। ইয়াৰ লগে লগে গ্ৰেণ্ড শ্লেম খিতাপৰ বাবে ঝভেৰেভৰ দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পৰিল। ইয়াৰ পূৰ্বে ২০২০ চনত ইউ এছ অ'পেন, ২০২৪ চনত ৰ'লেণ্ড গাৰ'ছ, ২০২৫ চনত অষ্ট্ৰেলিয়ান অ'পেনৰ ফাইনেলত পৰাস্ত হৈছিল। ঝভেৰেভৰ কেৰিয়াৰত এইটো এটা উল্লেখযোগ্য খিতাপ। ইতিমধ্যে তেওঁ দুটা এ টি পি ফাইনেল খিতাপ, ৭টা মাষ্টাৰছ ১০০০ খিতাপ, আৰু এটা অলিম্পিক স্বৰ্ণ পদক লাভ কৰিছে। এতিয়া ২৯ বছৰীয়া ঝভেৰেভে নিজৰ আকৰ্ষণীয় কৃতিত্বৰ সৈতে গ্ৰেণ্ড শ্লেমৰ খিতাপ সংযোজন কৰিছে। ১৯৩৭ চনত হাইনাৰ হেংকেলৰ পিছত ফ্ৰেন্স অ'পেন জয় কৰা প্ৰথমজন জাৰ্মান পুৰুষ খেলুৱৈ হিচাপে পৰিগণিত হয় আৰু ১৯৯৬ চনত বৰিছ বেকাৰে অষ্ট্ৰেলিয়ান অ'পেনত জয়লাভ কৰাৰ পিছত কোনো ধৰণৰ গ্ৰেণ্ড শ্লেম খিতাপ জয় কৰা প্ৰথমজন জাৰ্মান পুৰুষ খেলুৱৈ হিচাপে পৰিগণিত হয়। ফাইনেলৰ আৰম্ভণিতে ঝভেৰেভে সুন্দৰ খেল প্ৰদৰ্শন কৰি প্ৰথমখন খেলতে ক'বলিৰ চাৰ্ভ ভাঙি পেলায়। তেওঁ লগে লগে বেছলাইনৰ পৰাই নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰে, কিয়নো তেওঁৰ চাৰ্ভ আৰু গ্ৰাউণ্ডষ্ট্ৰ'ক ইটালীৰ খেলুৱৈগৰাকীৰ বাবে অত্যন্ত শক্তিশালী বুলি প্ৰমাণিত হয়। ক'ব'লিয়ে নিজৰ ফৰ্ম বিচাৰিবলৈ যথেষ্ট কষ্ট কৰিছিল আৰু মাত্ৰ ৩৪ মিনিটতে প্ৰথম ছেটটো শেষ হৈছিল। অৱশ্যে প্ৰথমখন গ্ৰেণ্ড শ্লেমৰ ফাইনেলত খেলি ক'ব'লিয়ে দ্বিতীয় ছেটত উল্লেখযোগ্য প্ৰত্যাৱৰ্তন ঘটায়।

# শিৱসাগৰত বিশ্ব চাইকেল দিৱস উদ্‌যাপন

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ৮ জুন ঃ** শিৱসাগৰ চাইক্লিং কমিউনিটিৰ উদ্যোগত শিৱসাগৰ জিলা প্ৰশাসনৰ সক্ৰিয় সহযোগিতাত 'বিশ্ব চাইকেল দিৱস-২০২৬' উদযাপনৰ অংশস্বৰূপে দেওবাৰে পুৱা ৬:৩০ বজাত সেউজীয়া ভৱিষ্যতৰ বাবে, সু-স্বাস্থ্যৰ বাবে চাইকেল চলোৱা বাণী লৈ শিৱসাগৰ আৱৰ্ত ভৱনৰ সন্মুখৰ ঐতিহাসিক বৰপুখুৰী পাৰৰ পৰা এক চাইকেল ৰেলী উলিয়াই। কাৰ্যসূচীৰ আৰম্ভণিতে শিৱসাগৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ময়দুল ইছলাম আৰু শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া সঞ্জয় উপাধ্যায়ে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰি বিশ্ব চাইকেল দিৱসৰ তাৎপৰ্য আৰু চাইকেল চলোৱাৰ উপকাৰিতাৰ সম্পৰ্কে ব্যাখ্যা কৰে। শিৱসাগৰ আৱৰ্ত ভৱনৰ সন্মুখৰ বৰপুখুৰীৰ পাৰৰ পৰা শিৱদৌলৰ সন্মুখহৈ জয়সাগৰলৈকে গৈ পুনৰ শিৱদৌলৰ সন্মুখলৈকে ১৭ কিলোমিটাৰ চাইকেল ৰেলী উলিয়াই সজাগতাৰ প্ৰয়াস কৰা হয়। উল্লেখ্য যে,২০১৮ চনৰে পৰা বছৰি বিশ্ব চাইকেল দিৱস উদযাপন কৰি অহা হৈছে।ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনৰ 'ফিট ইণ্ডিয়া' অভিযান দ্বাৰা সমৰ্থিত এই অনুষ্ঠানটিৰ উদ্দেশ্য হৈছে ক্ৰীড়া, অৱসৰকালীন কাৰ্যকলাপ আৰু এক পৰিৱেশ-অনুকূল দৈনিক যাতায়তৰ মাধ্যম হিচাপে চাইক্লিঙক উৎসাহিত কৰা; ইয়াৰ লগতে চাইক্লিঙৰ জৰিয়তে স্বাস্থ্য, ফিটনেছ, পৰিৱেশ সচেতনতা আৰু সামূহিক অংশগ্ৰহণক প্ৰসাৰিত কৰা।

# আফগানিস্তানৰ বিৰুদ্ধে টেষ্টত বৃহৎ জয় ভাৰতৰ

**মুলনপুৰ, ৮ জুন ঃ** মুলনপুৰ টেষ্টত ভাৰতে আফগানিস্তানক এটা ইনিংছ আৰু ৩০০ ৰানত পৰাস্ত কৰে। টেষ্ট ক্ৰিকেটত ইনিংছৰ ব্যৱধানত ভাৰতৰ এয়া সৰ্ববৃহৎ জয়। ৫৬৪ ৰানত প্ৰথম ইনিংছ ঘোষণা কৰাৰ পিছত ভাৰতে আফগানিস্তানক ১৫২ ৰানত অল আউট কৰে। ভাৰতে ৪১২ ৰানৰ অগ্ৰগতি লাভ কৰে। সোমবাৰে পুৱা আফগান দলটোক অনুসৰণ কৰিবলৈ বাধ্য কৰাইছিল শুভমন গিলে। ফ'ল' অন খেলিবলৈ অহা আফগান দলটোৱে মাত্ৰ ৩৫.৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১২ ৰানহে অৰ্জন কৰে। আফগানিস্তানৰ পৰা দ্বিতীয় ইনিংছত ভাৰতীয় বলাৰৰ মুখামুখি হ'ব পাৰে কেৱল ছেদিকুল্লাহ অটলে। তেওঁ ৮০ টা বলত ৪২ ৰান সংগ্ৰহ কৰে। ৰহমানুল্লাহ গুৰবাজে ২৪ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ৰহমত শ্বাহে ১৩ ৰান সংগ্ৰহ কৰে। ইয়াৰ বাহিৰেও কোনো আফগান বেটছমেনে দুগুণ সংখ্যাত উপনীত হ'ব নোৱাৰিলে। আঘাতৰ বাবে দ্বিতীয় ইনিংছত বেটিং কৰিবলৈ আহিব নোৱাৰিলে ছৰাফুদ্দিন আশ্ৰাফে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে ৪টা উইকেট দখল কৰাৰ বিপৰীতে কুলদীপ যাদৱে ৩টা উইকেট দখল কৰে।

# অষ্ট্ৰেলিয়া অ'পেনৰ খিতাপৰ ওপৰত দৃষ্টি পি ভি সিন্ধুৰ



**ছিডনী, ৮ জুন ঃ** দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুৱে মঙলবাৰৰ পৰা আৰম্ভ হ'বলগীয়া অষ্ট্ৰেলিয়া অ'পেন ছুপাৰ ৫০০ বেডমিণ্টন প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ দীৰ্ঘদিনীয়া খিতাপৰ অপেক্ষা অন্ত পেলাবলৈ চেষ্টা কৰিব আৰু পুৰুষৰ একক ইভেণ্টত ভাৰতীয় প্ৰত্যাহ্বানৰ নেতৃত্ব দিব উদীয়মান তাৰকা আয়ুষ শ্বেট্টীয়ে। তৃতীয় স্থানৰ সিন্ধুৱে ২০২৪ চনত চৈয়দ মোদী ইণ্টাৰনেশ্যনেলত জয়লাভ কৰাৰ পিছত প্ৰথমবাৰৰ বাবে বি ডব্লিউ এফ ৱৰ্ল্ড ট্যুৰ খিতাপ দখল কৰাৰ লক্ষ্য লৈছে। প্ৰাক্তন বিশ্ব চেম্পিয়নগৰাকীয়ে এই ছিজনত সৰ্বোত্তম প্ৰদৰ্শন আগবঢ়াইছে জানুৱাৰী মাহত মালয়েছিয়া অ'পেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইয়াত সিন্ধুৱে অনুকূল ড্ৰ' লাভ কৰিছে। পেৰুৰ ইনেছ লুচিয়া কাষ্টিলোৰ বিৰুদ্ধে ৩০ বছৰীয়া সিন্ধুৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব। এই মেচখনত জয়লাভ হ'লে ভাৰতৰে ইছাৰাণী বৰুৱা আৰু চীনৰ হান কিয়ান ছিৰ মাজত অনুষ্ঠিত হ'বলগীয়া মেচখনৰ বিজয়ীৰ সৈতে মুখামুখি হ'ব। যোৱা সপ্তাহত ইণ্ডোনেছিয়া অ'পেনত ১৬ ৰাউণ্ডত প্ৰৱেশ কৰিছিল সিন্ধুৱে, য'ত তেওঁ বিশ্বৰ এক নম্বৰ এন চে-ইয়ঙৰ হাতত পৰাস্ত হৈছিল। যদিহে সিন্ধুৱে ছেমিফাইনেলত প্ৰৱেশ কৰে তেন্তে তেওঁ বিশ্বৰ তিনি নম্বৰ স্থানত জাপানৰ আকানে ইয়ামাগুচিৰ সৈতে মুখামুখি হ'ব পাৰে। ফাইনেলত দ্বিতীয় ছিড থাইলেণ্ডৰ পৰ্ণপাৱী চ'চুৱঙৰ বিৰুদ্ধে মুখামুখি হ'ব পাৰে সিন্ধুৱে। মহিলাৰ একক ড্ৰ'ত তনভি শৰ্মাই পঞ্চম ছিড চাইনিজ টাইপেইৰ চিউ পিন-চিয়েনৰ বিৰুদ্ধে খেলিব, আনহাতে মালভিকা বানছ'ডে মালয়েছিয়াৰ গ'হ জিন ৱেইৰ বিৰুদ্ধে খেলিব। প্ৰাক্তন বিশ্ব চেম্পিয়ন তথা চতুৰ্থ ছিড জাপানৰ নোজোমি অকুহাৰাৰ বিৰুদ্ধে কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব আনমোল খাৰাব। আকৰ্ষী কাশ্যপে মালয়েছিয়াৰ ৰং লিং চিঙৰ বিৰুদ্ধে খেলিব, আনহাতে তনয়া হেমন্তৰ বিৰুদ্ধে আমেৰিকাৰ ইছিকা জয়ছৱালৰ বিৰুদ্ধে খেলিব। পুৰুষৰ একক শাখাত বিশ্বৰ ২০ নং স্থান আৰু ষষ্ঠ ছিড আয়ুষ শ্বেট্টীয়ে কোৱালিফায়াৰৰ বিৰুদ্ধে প্ৰথমখন মেচ খেলিব। এইচ এছ প্ৰনয়ৰ বিৰুদ্ধে ইণ্ডোনেছিয়াৰ মহম্মদ জাকি উবাৰ মুখামুখি হোৱাৰ বিপৰীতে কিৰণ জৰ্জে প্ৰথম ৰাউণ্ডত মালয়েছিয়াৰ জাষ্টিন হোহৰ বিৰুদ্ধে খেলিব। পুৰুষৰ ডাবলছত ইণ্ডোনেছিয়া অ'পেনত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা হৰিহৰণ আমছাকৰুনান আৰু এম আৰ অৰ্জুনে প্ৰথম ৰাউণ্ডত অষ্টম ছিডযুক্ত চাইনিজ টাইপেইৰ লি ফাং-চিহ আৰু লি ফাং-জেনৰ যুটিৰ বিৰুদ্ধে কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব।

# বাংলাদেশৰ বিৰুদ্ধে এদিনীয়া শৃংখলাক লৈ অষ্ট্ৰেলিয়াৰ দল ঘোষণা

## প্ৰথমবাৰৰ বাবে এদিনীয়া দলত অন্তৰ্ভুক্ত টড মাৰ্ফী

**ছিডনী, ৮ জুনঃ** বাংলাদেশৰ বিৰুদ্ধে তিনিখন খেলৰ এদিনীয়া শৃংখলাৰ বাবে অষ্ট্ৰেলিয়াই দল ঘোষণা কৰিছে। এই ছিৰিজ ট্ৰেভিছ হেড আৰু মিচেল মাৰ্ছৰ অবিহনে অষ্ট্ৰেলিয়া দলটোৱে খেলিব। জোছ ইংলিছক দলৰ নেতৃত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় নিৰ্বাচক টনি ড'ডেমেইডেৰ মতে, প্ৰথমে বাংলাদেশৰ বিৰুদ্ধে এদিনীয়া আৰু টি-২০ শৃংখলাৰ বাবে হেডক নিৰ্বাচিত কৰা হৈছিল যদিও ব্যক্তিগত কাৰণত দুয়োখন শৃংখলাৰ বাবে ছুটী দিয়া হৈছে। গোৰোহাৰ আঘাতৰ পৰা সুস্থ হোৱা নাই মাৰ্ছ। অৱশ্যে তেওঁ বাংলাদেশৰ বিৰুদ্ধে টি-২০ শৃংখলাৰ বাবে ঢাকাত দলত যোগদান কৰিব। এই পৰ্যন্ত অষ্ট্ৰেলিয়াৰ হৈ কেৱল টেষ্ট মেচ খেলা টড মাৰ্ফীক প্ৰথমবাৰৰ বাবে এদিনীয়া দলত অন্তৰ্ভুক্ত কৰা হৈছে। হামষ্ট্ৰিঙৰ আঘাতত ভুগি থকা তনবীৰ সংঘৰ ঠাইত তেওঁ খেলিব। লাহোৰত পাকিস্তানৰ বিৰুদ্ধে দ্বিতীয়খন এদিনীয়া খেলৰ সময়ত তনবীৰ এই আঘাত পাইছিল। বাংলাদেশৰ বিৰুদ্ধে এদিনীয়া শৃংখলাৰ বাবে অলিভাৰ পিক আৰু মেট শ্বৰ্টক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে দুয়োগৰাকী খেলুৱৈয়ে কেৱল পাকিস্তানৰ বিৰুদ্ধে খেলা এদিনীয়া শৃংখলাৰ বাবেহে নিৰ্বাচিত হৈছিল। ৰাইলী মেৰেডিথ আৰু বিলি ষ্টেনলেকৰ ঠাইত বেন ডৱাৰশুইছ আৰু জেভিয়াৰ বাৰ্টলেটকো দলত অন্তৰ্ভুক্ত কৰা হৈছে। টি-২০ ইণ্টাৰনেশ্যনেল ছিৰিজৰ বাবে ঘূৰি আহিব মেৰেডিথ। মিচেল ষ্টাৰক আৰু জোছ হেজলউডৰ অনুপস্থিতিত দলটোৰ বলিং আক্ৰমণত এদিনীয়াত অভিজ্ঞতাৰ অভাৱ হৈছে। ৯ জুনৰ পৰা আৰম্ভ হ'ব এদিনীয়া শৃংখলা। শৃংখলাৰ দ্বিতীয়খন খেল ১১ জুনত অনুষ্ঠিত হ'ব আৰু ১৪ জুনত তৃতীয় আৰু অন্তিমখন খেল অনুষ্ঠিত হ'ব। এদিনীয়া শৃংখলাৰ সকলো খেল ঢাকাৰ শ্বেৰ-ই-বাংলা ৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। এদিনীয়া শৃংখলাৰ পিছত ১৭ জুনত আৰম্ভ হ'বলগীয়া তিনিখন মেচৰ টি-২০ শৃংখলাত দুয়োটা দলে মুখামুখি হ'ব।

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন